
# অন্বেষণ

দ্বাদশ বছৰ ■ অষ্টম সংখ্যা ■ ছেপ্টেম্বৰ, ২০২৫

## ভূপেন হাজৰিকাৰ গীতত শৰৎ



## আলাবৈৰ ৰণ



## সৰ্বেপল্লী ৰাধাকৃষ্ণণ—বৰ্ণাঢ্য ব্যক্তিত্বৰ শিক্ষকজন


## পৰিবেশৰ অতন্দ্ৰ প্ৰহৰী–নিছাৰ



ওনাম উৎসব



ষ্টিলৱেল পথ



টি-কোষ



উৎপল দত্ত



ৰুবুল মাউত

# অন্বেষণ

**দ্বাদশ বছৰ, অষ্টম সংখ্যা, ছেপ্টেম্বৰ, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **সৰ্বেপল্লী ৰাধাকৃষ্ণণ—বৰ্ণাঢ্য ব্যক্তিত্বৰ শিক্ষকজন**
■ অভিজিত শৰ্মা বৰুৱা

৩ **বিশিষ্ট নাট্যকাৰ, সংস্কৃতিৰ খনিকৰ হেমন্ত দত্তৰ দেহাৱসান**
■ কুশল গোস্বামী

৬ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৯ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১০ **আলাবৈৰ ৰণ ঃ পটভূমি, পৰিণতি আৰু শিক্ষা**
■ অলকা গোস্বামী

১৩ **হিমালয়ৰ ওপৰত বিষাক্ত মেঘ**
■ দোলন বৰা

১৪ **পৰিবেশৰ অতন্দ্ৰ প্ৰহৰী—নিছাৰ**
■ মানসজ্যোতি শইকীয়া

১৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

১৭ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৩ **চুড’কু**

২৪ **Lord of the Flies**
■ Pallavi Dutta

২৫ **Did You Know**
■ Madhusmita Devi

২৬ **মহাৰাণা প্ৰতাপ সিং**
■ ৰুণিমা শৰ্মা

২৭ **কামাখ্যা মন্দিৰ**
■ অভিজিত চক্ৰৱৰ্তী

২৮ **কুইজ**
■ দীপাংকৰ কৌশিক

২৯ **কৃষ্ণা নদী**
■ পৰিণীতা চেতিয়া

৩০ **ভ্ৰমণ : অতীতলৈ বা ভৱিষ্যতলৈ**
■ অভিমন্যু শৰ্মা

৩১ **ভূপেন হাজৰিকাৰ গীতত শৰৎ**
■ নিষ্ঠা বৰগোহাঁই

৩২ **কিশোৰৰ বাবে যোগ অভ্যাস**
■ চতুৰ্থী শিৰম

৩৩ **পানীদিহিং পক্ষী অভয়াৰণ্য**
■ ধানিসা ডেকা

৩৪ **সপোন**
■ সাগৰিকা কলিতা

৩৫ **কৱিতা**

৩৬ **ভাৰতীয় ৰেল সেৱাত ব্ৰডগজ**
■ অপৰ্ণা দেৱী

৩৭ **টি-কোষ, সাম্প্ৰতিক গৱেষণা আৰু ৰুবুল মাউত**
■ উদয়া ফুকন

৩৯ **ওনাম উৎসৱ**
■ মানসজ্যোতি শৰ্মা

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইন্টাৰনেট)
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ, দুলাল বনিয়া
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# সৰ্বেপল্লী ৰাধাকৃষ্ণণ—বৰ্ণাঢ্য ব্যক্তিত্বৰ শিক্ষকজন

■ অভিজিত শৰ্মা বৰুৱা



ভাৰতৰ এজন ৰাষ্ট্ৰপতিৰ বিষয়ে বিশ্বৰ সৰ্বকালৰ এজন বিখ্যাত দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলে (Bertrand Russell) মন্তব্য কৰিছিল, "ভাৰতেই হ'ল আধুনিক বিশ্বৰ প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ দেশ, যাৰ ৰাষ্ট্ৰপতি পদ শুৱনি কৰিছে এজন প্ৰখ্যাত দাৰ্শনিকে। আমাৰ সমগ্ৰ দাৰ্শনিক সম্প্ৰদায়ৰ বাবেই ই হ'ল এক পৰম গৌৰৱৰ বিষয়।" ভাৰতৰ সেই ৰাষ্ট্ৰপতিজন হ'ল ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ।

এখন ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হোৱা সত্ত্বেও ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে নিজকে এজন শিক্ষক হিচাপেহে পৰিচয় দিবলৈ ইচ্ছা কৰাৰ বিষয়ে আমি জানো। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত তেওঁৰ কিছুসংখ্যক বন্ধু আৰু ছাত্ৰই তেওঁৰ জন্মদিনটো উলহ-মালহেৰে পালন কৰিবৰ বাবে ৰাধাকৃষ্ণণৰ অনুমতি বিচাৰিছিল। তেতিয়াই ৰাধাকৃষ্ণণে কৈছিল যে তেওঁ নিজৰ জন্মদিনটো ব্যক্তিগত জন্ম দিৱস হিচাপে পালন কৰাতকৈ সমগ্ৰ শিক্ষক-সমাজৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতাসূচক 'শিক্ষক দিৱস' হিচাপে উদ্‌যাপন কৰিলেহে সুখী হ'ব। তাৰ পাছৰ পৰাই ভাৰতবৰ্ষত প্ৰতিবছৰে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন ৫ ছেপ্টেম্বৰত 'শিক্ষক দিৱস' উদ্‌যাপন কৰা হৈ আহিছে।

ধৰ্ম সম্পৰ্কত ৰাধাকৃষ্ণণৰ নিজস্ব মতামত আছিল এনে ধৰণৰ—"ধৰ্মীয় উপলব্ধিয়ে মানুহক এক সৎ, সংস্কৃত জীৱনধাৰা অনুসৰি জীৱনটো আগ বঢ়াই লৈ যোৱাত সহায় কৰিব লাগিব। এই উপলব্ধিয়ে যদি মানুহৰ অন্তৰ্জগতত প্ৰবেশ কৰে, তেন্তে সমাজত বেয়া মানুহৰ সৃষ্টিয়েই নহ'ব। ধৰ্মই নিজকে এনে এক ৰূপত প্ৰকাশ কৰিব লাগিব, যি মানুহক যুক্তিসন্মত চিন্তা কৰিবলৈ, সুফল দিব পৰা কাম হাতত ল'বলৈ শিকায়। তেতিয়াহে মানুহে এনেবোৰ কামৰ সহায়ক হোৱাকৈ উপযুক্ত সামাজিক অনুষ্ঠানৰ জন্ম দিব পাৰিব।"

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল। এই উপলক্ষে পণ্ডিত জৱাহৰলাল নেহৰুৰ 'ট্ৰাইষ্ট উইথ ডেষ্টিনি' (Tryst with Destiny) নামৰ প্ৰখ্যাত ভাষণৰ পাছত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণেও 'দ্য ডউন অব ফ্ৰীডম' (The Dawn of Freedom) শিৰোনামৰ এক বক্তৃতা প্ৰদান কৰিছিল। এই বক্তৃতাত তেওঁ কৈছিল, "... যিসকল ভাৰতীয়ই এই ৰাষ্ট্ৰক পুনৰ নিৰ্মাণ কৰিবলৈ এক পৰিবৰ্তন বিচাৰিছে, সেইসকলৰ বাবে আজিৰ দিনটো অতি তাৎপৰ্য্যপূৰ্ণ দিন। প্ৰতীক্ষাৰ দীঘল ৰাতি এতিয়া শেষ হ'ল, ভয়াবহ ঘটনা আৰু নীৰৱ প্ৰাৰ্থনাৰে ভৰা সেই ৰাতিৰ পাছত আমি স্বাধীনতাৰ দোকমোকালিত থিয় দিছোঁ। আমি পৰম উৎসাহেৰে এই স্বাধীনতাক স্বাগতম জনাইছোঁ। শোষণ-নিষ্পেষণ-দাসত্বৰ যুগৰ অৱসান ঘটাই আমি মুক্তিৰ পথত থিয় দিছোঁ —এয়া আমাৰ বাবে নিঃসন্দেহে অতি আনন্দৰ মুহূৰ্ত ...।"

ভাৰত স্বাধীন হোৱাৰ পাছত নেহৰু চৰকাৰে স্বাধীন ভাৰতত এক আমূল শিক্ষা সংস্কাৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে আৰু পলম নকৰি ১৯৪৮ চনত 'বিশ্ববিদ্যালয় শিক্ষা আয়োগ' গঠন কৰিলে। এই আয়োগৰ নাম বিশ্ববিদ্যালয় শিক্ষা আয়োগ হ'লেও একেবাৰে প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে—সকলো পৰ্য্যায়ৰে শিক্ষানীতি, পাঠ্যক্ৰম আদিত উপযুক্ত পৰিবৰ্তন আনিবলৈ এই আয়োগক কৰ্তৃত্ব দিয়া হৈছিল। জৱাহৰলাল নেহৰুৰ দৃষ্টিত এই আয়োগৰ অধ্যক্ষ পদৰ বাবে সৰ্বেপল্লী ৰাধাকৃষ্ণণতকৈ উপযুক্ত লোক আন

কোনো নাছিল আৰু ৰাধাকৃষ্ণণেও নেহৰুৰ নেতৃত্বাধীন ভাৰত চৰকাৰৰ অনুৰোধক্ৰমে এই শিক্ষা আয়োগৰ অধ্যক্ষৰ দায়িত্ব বহন কৰে। ৰাধাকৃষ্ণণৰ নেতৃত্বত এই আয়োগে প্ৰস্তুত কৰা শিক্ষা সংস্কাৰমূলক প্ৰতিবেদনে ভাৰতৰ শিক্ষা ব্যৱস্থাক এই দেশৰ প্ৰয়োজন অনুসৰি গঢ় দিয়াত যথেষ্ট সহায় কৰিছিল। ভাৰতত শিক্ষা সংস্কাৰ সম্পৰ্কত ৰাধাকৃষ্ণণৰ মত আছিল এনে ধৰণৰ— "গণতন্ত্ৰৰ সফলতা নিৰ্ভৰ কৰে উচ্চমানৰ সাধাৰণ শিক্ষা, ব্যাৱহাৰিক (vocational) প্ৰশিক্ষণ আৰু বৃত্তিগত জ্ঞান তথা শিক্ষাৰ ওপৰত। এই লক্ষ্যত উপনীত হ'বৰ বাবে আমি বৃটিছৰ দিনৰ পৰা প্ৰচলিত শিক্ষা ব্যৱস্থাক পুনৰগঠিত কৰি এক নতুন জ্ঞানৰ সন্ধান দিব পৰাকৈ তাক উপযুক্তভাৱে গঢ় দিব লাগিব।"

দাৰ্শনিক হিচাপে বিশ্বজোৰা প্ৰসিদ্ধি লাভ কৰিলেও এজন শিক্ষাবিদ আৰু ৰাজনীতিজ্ঞ হিচাপে ৰাধাকৃষ্ণণৰ এক অনন্য পৰিচয় আছিল। পাছে তেওঁৰ সময়ৰ সকলো শিক্ষাবিদ আৰু ৰাজনীতিজ্ঞতকৈ তেওঁ বেলেগ প্ৰকৃতিৰ আছিল। ৰাধাকৃষ্ণণে নিজৰ শিক্ষক পৰিচয়টোহে বেছি ভাল পাইছিল। প্ৰেছিডেন্সী কলেজত শিক্ষকতা আৰম্ভ কৰি তেওঁ কলিকতা বিশ্ববিদ্যালয়, অক্সফ'ৰ্ড বিশ্ববিদ্যালয় আদিতো শিক্ষাদান কৰিছিল আৰু একাধিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। এই সমগ্ৰ কালছোৱাত তেওঁ শিক্ষাগুৰু হিচাপে যি শ্ৰদ্ধা আৰু জনপ্ৰিয়তা অৰ্জন কৰিছিল, তাৰ উদাহৰণ পাবলৈ বিৰল। ৰাধাকৃষ্ণণৰ জ্ঞানগম্ভীৰ ভাষণসমূহ শুনিবলৈ সুবিধা পোৱাটো সেই সময়ৰ মানুহে ভাগ্যৰ কথা বুলি গণ্য কৰিছিল।

ৰাধাকৃষ্ণণে এজন প্ৰকৃত শিক্ষকৰ গাত থাকিবলগীয়া গুণৰ বিষয়ে এনেদৰে কৈছিল, "এজন ভাল শিক্ষকে ছাত্ৰসকলৰ মন সেই বিষয়ৰ প্ৰতি কেনেকৈ আকৃষ্ট কৰিব পাৰি সেই কথা জনা উচিত। তেওঁৰ নিজৰ ক্ষেত্ৰৰ বিষয়ে শেহতীয়া তথ্য আৰু জ্ঞান আহৰণ কৰি তেওঁ সদায় সেই বিষয় সম্পৰ্কত জনা-শুনা ব্যক্তি হৈ থাকিব লাগে। এজন শিক্ষক জ্ঞানৰ চমকপ্ৰদ জগতখনৰ এজন নিৰলস সাধক হোৱা উচিত।"

ভাৰত স্বাধীন হোৱাৰ পাছত সদ্য স্বাধীন দেশখনক বিভিন্ন ক্ষেত্ৰত আগুৱাই লৈ যোৱা, উপযুক্ত শিক্ষানীতি নিৰ্ধাৰণ কৰা, ৰাষ্ট্ৰখনৰ বৈদেশিক নীতিক এক ৰূপ দিয়া, ভাৰতৰ উদাৰ আৰু নিৰপেক্ষ নীতিৰ বিষয়ে বিশ্বৰ আন দেশসমূহত প্ৰচাৰ চলোৱা আদি কাম তেওঁ দায়িত্বসহকাৰে আৰু সুচাৰুৰূপে পালন কৰিছিল। তাৰ বাবে তেওঁ বহুবাৰ বিভিন্ন ৰাষ্ট্ৰ ভ্ৰমণ কৰিছিল। বিশ্বৰ একমাত্ৰ দাৰ্শনিক ৰাষ্ট্ৰপতি হিচাপে ৰাধাকৃষ্ণণে এক বিৰল পৰিচিতি লাভ কৰিছিল আৰু এনে এগৰাকী লোকক সৰ্বোচ্চ পদত অধিষ্ঠিত কৰাৰ বাবে আন্তৰ্জাতিক পৰ্য্যায়ত ভাৰতৰো সন্মান যথেষ্ট বৃদ্ধি পাইছিল।

ৰাধাকৃষ্ণণে তেওঁৰ এম এ ডিগ্ৰীৰ বাবে 'দ্য এথিক্স অব দ্য বেদান্ত এণ্ড ইটছ মেটাফিজিকেল প্ৰিছাপজিছনছ' (The ethics of vedanta and its metaphysical presuppositions) নামেৰে যিখন গৱেষণা পত্ৰ প্ৰস্তুত কৰিছিল, সেইখন ১৯০৮ চনত প্ৰকাশিত হয় আৰু এই গৱেষণা পত্ৰখনে তেওঁক এজন মহান দাৰ্শনিক হিচাপে প্ৰতিষ্ঠা কৰায়। তাৰ পাছত তেওঁ যিবোৰ প্ৰবন্ধ লিখিছিল, বক্তৃতা দিছিল বা কিতাপ প্ৰণয়ন কৰিছিল, সেইবোৰে তেওঁৰ এই খ্যাতি কেতিয়াও মলিন হ'বলৈ নিদিয়াকৈ বঢ়াইহে তুলিছিল। দৰ্শনৰ তাত্ত্বিক আৰু জটিল কথাবোৰ সহজভাৱে আৰু সৰ্বসাধাৰণৰো বোধগম্য হোৱাকৈ ব্যাখ্যা কৰিব পৰাটো সহজ কথা নহয়, কিন্তু ৰাধাকৃষ্ণণে এই কামটোকে অনায়াসে কৰি দেখুৱাইছিল।

ৰাধাকৃষ্ণণৰ বাবে দৰ্শন হ'ল জীৱনৰ অৰ্থ বুজি পোৱাৰ এক উপায়। পশ্চিমীয়া প্ৰণালীবদ্ধ ৰীতিৰে ভাৰতীয় দৰ্শনৰ ব্যাখ্যা কৰি তেওঁ এই দৰ্শনক বিশ্বৰ প্ৰেক্ষাপটত সুপ্ৰতিষ্ঠিত কৰিছিল আৰু ভাৰতবাসীক এক নতুন আত্মগৌৰৱ কৰাৰ সুবিধা দিছিল। পশ্চিমৰ সাম্ৰাজ্যবাদী দেশসমূহৰ অহৰহ উদ্দেশ্যমূলক প্ৰচাৰৰ ফলত সেই দেশসমূহৰ সকলো ভাল, আৰু নিজৰ দেশৰ সকলো বেয়া বুলি বহুতো ভাৰতবাসীৰ মনত যি নীচাত্মিকাবোধৰ সৃষ্টি হৈছিল, এই আত্মগৌৰৱে সেই নীচাত্মিকাবোধৰ পৰা উদ্ধাৰ পোৱাত তেওঁলোকক সহায় কৰিছিল। ৰাধাকৃষ্ণণে কৈছিল যে বিশ্বৰ সকলো ধৰ্মৰ ভিতৰত হিন্দু ধৰ্মই হ'ল আটাইতকৈ

বেছি বিজ্ঞানসন্মত বা যুক্তিবাদী ধৰ্ম বিশ্বাস। কাৰণ হিন্দু ধৰ্মৰ বহুতো কথা পৰীক্ষা-নিৰীক্ষাৰ পৰা আৰম্ভ হয় আৰু তেনে পৰীক্ষা-নিৰীক্ষাতে শেষ হয়।

ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছিল যে পশ্চিমীয়া দাৰ্শনিকসকলৰ দাৰ্শনিক তত্ত্ববোৰ তেওঁলোকে বস্তুনিষ্ঠ বুলি দাবী কৰিলেও তাত তেওঁলোকৰ নিজৰ সংস্কৃতিৰ ধৰ্মীয় প্ৰভাৱ আছে। পাছে পশ্চিমীয়া দাৰ্শনিকসকলে গ্ৰন্থসমূহ ৰচনা কৰাৰ সময়ত যি প্ৰণালীবদ্ধতা আৰু শৈক্ষিক মান অনুসৰণ কৰিছিল, তেওঁ সেয়া পছন্দ কৰিছিল। তেওঁ ভাৰতীয় দৰ্শন সম্পৰ্কত যিকেইখন গ্ৰন্থ ৰচনা কৰিছিল, সেইবোৰতো সেই প্ৰণালীবদ্ধতা আৰু শৈক্ষিক মান লক্ষ্য কৰা যায়। সেইবাবে সেই কিতাপসমূহে পশ্চিমীয়া সমাজতো প্ৰয়োজনীয় গুৰুত্ব পাবলৈ সক্ষম হৈছিল আৰু পশ্চিমীয়া দাৰ্শনিকসকলে ভাৰতীয় দৰ্শনক যথাযোগ্য স্থান দিবলৈ একপ্ৰকাৰ বাধ্য হৈছিল। ‘প্ৰস্থানত্ৰয়ী’ হিচাপে খ্যাত ভগৱদগীতা, উপনিষদ আৰু ব্ৰহ্মসূত্ৰৰ সম্পৰ্কত তেওঁৰ টীকা, ব্যাখ্যা আৰু মন্তব্যসমূহৰ বাবে ৰাধাকৃষ্ণণ বিখ্যাত আছিল। ভাৰতীয় দৰ্শনৰ পৌৰাণিক গ্ৰন্থসমূহে তেওঁৰ মস্তিষ্কৰ উপৰি অন্তৰো দখল কৰিছিল।


এলডুছ হাক্সলীয়ে (Aldous Huxley) ড° ৰাধাকৃষ্ণণৰ বিষয়ে কৈছিল, “তেওঁ শব্দ আৰু নিঃশব্দ— উভয় ক্ষেত্ৰৰে এজন মাষ্টাৰ” (He is the master of words and no words.) প্ৰফেছাৰ এইচ এন মুইৰহেডে (H. N. Muirhead) কৈছিল, “ড° ৰাধাকৃষ্ণণৰ এক বিৰল কৃতিত্ব আছে যে তেওঁ মহান ইউৰোপীয় পৰম্পৰা আৰু মহান এছীয় পৰম্পৰা— উভয়ৰে লগত বেছ সুপৰিচিত। সেইবাবেই তেওঁ দুয়ো দিশৰে সমন্বয়ত এক আধ্যাত্মিক জ্ঞানৰ সন্ধান পাব পাৰিছে আৰু এক দাৰ্শনিক সামঞ্জস্যও বিচাৰিব পাৰিছে।” পণ্ডিত জৱাহৰলাল নেহৰু ৰাধাকৃষ্ণণৰ এজন নিকট বন্ধু আছিল। তেওঁ এবাৰ ৰাধাকৃষ্ণণৰ বিষয়ে কৈছিল, “ৰাধাকৃষ্ণণে নিজৰ দেশক বিভিন্ন ধৰণেৰে সেৱা কৰিছিল। কিন্তু সকলোৰে ওপৰত তেওঁ আছিল এজন মহান শিক্ষক, যাৰ পৰা আমি বহু কথা শিকিছোঁ আৰু এতিয়াও আন বহু কথা শিকিবলগীয়া আছে। এনে এজন প্ৰখ্যাত দাৰ্শনিক, এজন আদৰ্শ শিক্ষক আৰু এজন মহান মানৱক ৰাষ্ট্ৰপতি হিচাপে পোৱাটো সমগ্ৰ ভাৰতৰ বাবেই বৰ গৌৰৱৰ কথা। লগতে ই এই কথাও সূচায়, যে কেনে ধৰণৰ লোকক আমি শ্ৰদ্ধা আৰু সন্মান কৰোঁ।”

ৰাধাকৃষ্ণণৰ সমসাময়িক এজন প্ৰখ্যাত দাৰ্শনিক জৰ্জ পি কংগাৰে (George P. Conger) কৈছিল, “আমাৰ সময়ত কোনো দাৰ্শনিকে ভাৰতৰ ড° ৰাধাকৃষ্ণণৰ দৰে ইমান বিভিন্ন ক্ষেত্ৰত ইমান বেছি পাৰদৰ্শিতা দেখুৱাব পৰা নাছিল। ...উইলিয়াম কেমছ আছিল ধৰ্মৰ ক্ষেত্ৰত এজন প্ৰভাৱশীল ব্যক্তি আৰু জন ডেবে আছিল এক ৰাজনৈতিক নেতা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন নে দুজন সাংসদহে দাৰ্শনিক আছিল। জেকুইছ মাৰিটাইন আছিল এজন ৰাষ্ট্ৰদূত। ৰাধাকৃষ্ণণে মাত্ৰ ত্ৰিছ বছৰমানৰ কৰ্মজীৱনৰ ভিতৰতে এই আটাইবোৰ কাম কৰি দেখুৱাইছিল আৰু তাৰ উপৰি আন কামো কৰিছিল। ... দৰ্শনৰ ইতিহাসত কেতিয়াও কোনো এজন দাৰ্শনিক ইমান বিভিন্ন ক্ষেত্ৰত বিশ্ববিখ্যাত লোক হ’ব পৰা নাছিল। একে সময়তে প্ৰাচ্যৰ বেনাৰছ আৰু পাশ্চাত্যৰ অক্সফ’ৰ্ডৰ লগত জড়িত হৈ থাকি আৰু পূব-পশ্চিমৰ মাজত সঘনে অহা-যোৱা কৰি তেওঁ বিভিন্ন প্ৰকাৰৰ সভ্যতাৰ কাপোৰক বুজাবুজিৰ সূতাৰে গুঁঠি পেলাইছে।”❖

# কুইজৰ উত্তৰসমূহ

১। ড° ভবেন্দ্ৰ নাথ শইকীয়া ২। অধিনায়ক হিচাপে অভিষেক টেষ্টতে চেঞ্চুৰী অৰ্জন ৩। পুৰুষোত্তম দাস ৪। কমনৱেলথ গেমছত ৫। জীৱন সুৰভি ৬। ভবেন বৰুৱা। সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত গ্ৰন্থ ৭। এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ পৰিচালনা কৰা এইপৰ্য্যন্ত এই দুজনেই অসমীয়া আম্পায়াৰ ৮। প্ৰেছিডেণ্টছ বডীগাৰ্ড ৯। মিৰিন্দা ১০। অসমৰ প্ৰথম তিনিগৰাকী বেৰিষ্টাৰ ১১। ৰূপহী ১২। অ’ হেনৰী ১৩। মোৰাৰজী দেশাই ১৪। গ্ৰেমী বঁটা ১৫। টেষ্টত একেৰাহে ৫ বাৰ শূন্য ৰানত আউট হোৱা ১৬। দিব্যা দেশমুখ

# বিশিষ্ট নাট্যকাৰ, সংস্কৃতিৰ খনিকৰ হেমন্ত দত্তৰ দেহাৱসান



যোৱা ১১ আগষ্ট তাৰিখে স্বনামধন্য গীতিকাৰ, যশস্বী অভিনেতা, নাট্যকাৰ হেমন্ত দত্তৰ ৮২ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৪৩ চনৰ ২৪ ছেপ্টেম্বৰত খাৰুপেটীয়াত জন্মগ্ৰহণ কৰা বিশিষ্ট নাট্যব্যক্তিত্বগৰাকীৰ পিতৃৰ নাম হলিৰাম দত্ত আৰু মাতৃৰ নাম বিৰজা বালা দত্ত। মঙলদৈ নগৰ ১ নং বুনিয়াদী বিদ্যালয়ত তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে (১৯৫৩ চন) অভিনয় জগতত খোজ দিয়া দত্ত অভিনীত প্ৰথমখন নাটক হৈছে 'লাচিত বৰফুকন'। প্ৰথম খোজতে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা দত্তই পৰবৰ্তী সময়ত ডিব্ৰুগড়ত বৌয়েক ডা° অঞ্জলি দত্তৰ ঘৰত থাকি অধ্যয়ন কৰিবলগীয়া হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাত তেওঁ 'ছন্দহাৰাৰ ছন্দ' নামৰ এখন নাটক ৰচনা কৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্যকাৰ, শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। ডিব্ৰুগড়ত থাকোঁতে বন্ধুসকলৰ তাগিদাত গীত ৰচনা কৰিবলৈ লোৱা দত্তই পৰবৰ্তী সময়ত ৫০০তকৈ অধিক কালজয়ী গীত ৰচনা কৰি অসমৰ সাংস্কৃতিক জগতখন চহকী কৰি থৈ গৈছে। দত্তৰ কেইটিমান অতি জনপ্ৰিয় গীত হৈছে—মই যি বাটেৰে ওলালোঁ আজি, সময় গতিশীল, এই আকাশ বৰ বিশাল, জীৱনটো হ'ল অসাৰ, নহ'লে পৰিচয় হিয়াৰে, কতেনো আছা মোৰ কলিজাৰ আই, হিয়াৰ মৰম মুকুতা হে, তুমি আহিছিলা চেনাই ইত্যাদি।

বহুমুখী প্ৰতিভাৰ আকৰ, সংস্কৃতিৰ পূজাৰী, হেমন্ত দত্তই নতুন আশা, উপপথ, সাদৰী, শেৱালি, সোণমইনা, হিয়া দিয়া নিয়া, পাহাৰী কন্যা, জীৱন সুৰভি, জখম, ব'হাগৰ দুপৰীয়া, বাৰুদ, শ্ৰীমান মাইমন, সুৰুজ, নায়ক আদি চলচ্চিত্ৰৰ জৰিয়তে শ্ৰোতা-দৰ্শকক কেইবাটাও জনপ্ৰিয় গীত উপহাৰ দিবলৈ সক্ষম হৈছে। আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ তথা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ নাট বিভাগৰ চাকৰিয়াল দত্তই চৰকাৰী চাকৰিৰ পৰা পদত্যাগ কৰি কহিনুৰ থিয়েটাৰত অভিনেতা, নাট্যকাৰ তথা পৰিচালক হিচাপে জড়িত হৈ পৰে। কহিনুৰ থিয়েটাৰৰ উপৰি আৱাহন, শ্ৰীমন্ত শংকৰদেৱ, হেঙুল, দেৱদাসী, মুকুন্দ, ভাগ্যদেৱী, বৰদৈচিলা, ৰাজতিলক, শকুন্তলা ইত্যাদি থিয়েটাৰৰ (ভ্ৰাম্যমাণ) সৈতে জড়িত হৈ পৰা দত্তৰ কেইখনমান ব্যয়বহুল তথা মঞ্চসফল পূৰ্ণদৈৰ্ঘ্যৰ নাটক হৈছে অসীমত যাৰ হেৰাল সীমা, ৰামায়ণ, মহাভাৰত, লাইলা-মজনু, আনাৰকলি, মিৰি জীয়ৰী, অনুৰাধাৰ দেশ, মুক্তি, টাইটানিক ইত্যাদি। ১৫০খনতকৈ অধিক জনপ্ৰিয় নাটকৰ স্ৰষ্টাগৰাকীয়ে জেমছ কেমেৰুণৰ অস্কাৰ বঁটা বিজয়ী চলচ্চিত্ৰ 'টাইটানিক'ক নাট্যৰূপ দি কহিনুৰ থিয়েটাৰৰ মঞ্চত জনপ্ৰিয়তাৰ অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল।

ঐকান্তিক সাধনাৰে সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগ বঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে সংস্কৃতিৰ মহীৰুহগৰাকীয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অসংখ্য পুৰস্কাৰ তথা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত অন্যতম হৈছে ১৯৭৬ চনত ভূপালত অনুষ্ঠিত সৰ্বভাৰতীয় সচিবালয়ে পতা ৰাষ্ট্ৰীয় নাট প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ পৰিচালকৰ বঁটা, যৌৱনে আমনি কৰে চলচ্চিত্ৰৰ (১৯৯৭) বাবে শ্ৰেষ্ঠ গীতিকাৰ বঁটা, টাইটানিক নাটকৰ বাবে (১৯৯৮) শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ নাট্যকাৰ বঁটা, হিয়া দিয়া নিয়া চলচ্চিত্ৰৰ (১৯৯৮) বাবে শ্ৰেষ্ঠ গীতিকাৰ বঁটা, অসম চৰকাৰৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা (২০০৭), ৰাজ্যিক সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকা বঁটা (২০০৯), গুৰুজী আদ্য শৰ্মা বঁটা, অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ (২০২৪) ইত্যাদি। অসম চৰকাৰৰ শিল্পী পেন্সনাৰ তথা 'অসম সৌৰভ' বঁটা লাভ কৰা নাট্য সিন্ধু হেমন্ত দত্তক সম্পূৰ্ণ ৰাজ্যিক মৰ্য্যাদাৰে জন্মস্থানত শেষ বিদায় জনোৱা হয়। গীত-নাট, অভিনয়-পৰিচালনাৰ অক্ষয় কীৰ্তি সৌধ সাজিবলৈ সক্ষম হোৱা সংস্কৃতিৰ খনিকৰগৰাকীক ৰাজ্যখনে সদায়ে শ্ৰদ্ধাসহকাৰে মনত ৰাখিব।❖

■ **কুশল গোস্বামী**

## ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা : উৎপল দত্তলৈ স্বৰ্ণকমল



যোৱা ১ আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰে ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি এই বৰ্ষত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা বিধু বিনোদ চোপ্ৰাৰ 'টুৱেলফথ্ ফেইল' (12th Fail) চিনেমাখনে লাভ কৰিবলৈ সক্ষম হয়। আনহাতে 'জোৱান' (Jawan) চলচ্চিত্ৰৰ মুখ্য চৰিত্ৰত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খান আৰু 'টুৱেলফথ্ ফেইল'ৰ মুখ্য ভূমিকাত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মাছীয়ে যৌথভাৱে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে। 'মিছেছ চেটাৰ্জী ভাৰছেছ নৰৱে'ৰ (Mrs. Chatterjee Vs. Noway) মুখ্য চৰিত্ৰত কৰা অনৱদ্য অভিনয়ৰ বাবে ৰাণী মুখাৰ্জীয়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি ৰাষ্ট্ৰীয়তাবাদ, সামাজিক ব্যৱস্থা আৰু পৰিবেশৰ উত্তৰণৰ শিতানত মেঘনা গুলজাৰৰ ছেম বাহাদুৰে শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰিছে। 'দা নান-২'এ (The Nun-2) শ্ৰেষ্ঠ শিশু চলচ্চিত্ৰৰ বঁটা লাভৰ বিপৰীতে 'কঠলে'এ (Kathal) হিন্দী ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰে। এই বৰ্ষত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা ঋষিৰাজ আগৰৱালাৰ 'গড ভালচাৰ এণ্ড হিউমেন'এ (God Vulture and Human) লাভ কৰে। ভি প্ৰকাশ কুমাৰে 'ৰাথি' (তামিল) চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ সন্মান তথা অৰিজিত সিঙে (শ্ৰেষ্ঠ) জনপ্ৰিয় গায়কৰ সন্মান লাভ কৰে।

তদুপৰি এই বৰ্ষত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত অসমৰ উৎপল দত্তই শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ স্বৰ্ণকমল বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। স্বৰ্ণকমল বঁটাপ্ৰাপক দত্তই ইয়াৰ পূৰ্বেও চলচ্চিত্ৰ সমালোচনাৰ বাবে জুৰিৰ বিশেষ উল্লেখৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। আকাশবাণী ৰাঁচীৰ অনুষ্ঠান বিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰা দত্ত জনপ্ৰিয় মাহেকীয়া আলোচনী 'বিস্ময়', 'ৰূপান্তৰ', 'চিনেমা ইণ্ডিয়া' আদিৰ নিয়মীয়া লেখক। কেইবাখনো গ্ৰন্থৰ প্ৰণেতা দত্তই পৰিচালনা কৰা বঁটাবিজয়ী কেইখনমান তথ্যচিত্ৰ হৈছে—'বাইলেন-২' (Bye Lane-2), 'বৰগীত—এটি ধ্ৰুপদী ৰত্ন', 'বহুবৃত্ত', 'হৰিনাৰায়ণ' ইত্যাদি। অসমীয়া ভাষাৰ শিতানত আদিত্যম শইকীয়াৰ 'ৰঙাটাপু—১৯৮২'এ শ্ৰেষ্ঠ ছবিৰ ৰজত কমল বঁটা লাভ কৰে।

## অসমৰ ড° মুকুট গোহাঁইলৈ 'ইউনিটাইড'ৰ বিশেষ বঁটা



যোৱা ৯ আগষ্ট তাৰিখে অসমৰ বিজ্ঞানী ড° মুকুট গোহাঁই যক্ষ্মা ৰোগৰ সহজলভ্য জীৱনদায়িনী ঔষধ প্ৰস্তুত কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ জেনেভাস্থিত 'ইউনিটাইড'ৰ (Unitide) পৰা বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰ্জিনিয়া কমনৱেলথ বিশ্ববিদ্যালয়ৰ (Virginia Commonwelth University) 'মেডিচিন ফৰ অল'ৰ (Medicine for all) বিজ্ঞানীৰ দলক নেতৃত্ব দি লাভ কৰা অগ্ৰগতিৰ বাবে ড° গোহাঁয়ে ৰাষ্ট্ৰসংঘৰ সংস্থাটোৰ পৰা এই বিশেষ পুৰস্কাৰ লাভ কৰে। দক্ষিণ আফ্ৰিকাৰ প্ৰিটোৰিয়াস্থিত 'কেমিকেল প্ৰছেছ টেকন'লজি'ৰ (Chemical process technology) গৱেষণাগাৰৰ মুৰব্বী বিজ্ঞানী ড° গোহাঁয়ে গৱেষণাৰ বাবে ইউনিটাইডৰ পৰা যাৱতীয় আৰ্থিক অনুদান লাভ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰ্জিনিয়া বিশ্ববিদ্যালয়ৰ অতিথি বিজ্ঞানী হিচাপেও কৰ্মৰত ড° গোহাঁইৰ ঘৰ তিনিচুকীয়া জিলাৰ পানীতোলাৰ সন্ধিয়া

গাঁৱত। উল্লেখযোগ্য যে, ২০০৬ চনত ৰাষ্ট্ৰসংঘৰ মজিয়াত জন্ম লাভ কৰা ‘ইউনিটাইডে’ সমগ্ৰ বিশ্বতে দৰিদ্ৰ জনগণৰ এইচআইভি, যক্ষ্মা, মেলেৰিয়া আৰু প্ৰসূতি-শিশু ৰোগৰ চিকিৎসাৰ বাবে নিৰৱচ্ছিন্নভাৱে সেৱা আগ বঢ়াই আহিছে। ড° গোহাঁইৰ গৱেষক দলটোৱে পৰৱৰ্তী তিনি বছৰৰ বাবে আৰ্থিক অনুদান লাভ কৰিব।

## গুৱাহাটীত আইআইএম

যোৱা ২০ আগষ্ট তাৰিখে ভাৰতৰ সংসদে অসমত এখন ‘ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান’ (Indian Institute of Management, IIM) স্থাপন কৰিবৰ বাবে বিধেয়ক গৃহীত কৰে। ইয়াৰ পূৰ্বে ১২ আগষ্টত কেন্দ্ৰীয় মন্ত্ৰীসভাই অসমত আইআইএম এখন স্থাপন কৰিবৰ বাবে যাৱতীয় অনুমোদন আগ বঢ়াইছিল। প্ৰস্তাৱিত সৰ্বভাৰতীয় প্ৰতিষ্ঠানখন নিৰ্মাণৰ বাবে ৫৫৫ কোটি টকা অনুমোদন দিয়া হৈছে তথা প্ৰাৰম্ভিক পৰ্য্যায়ত নৱনিৰ্মিত অনুষ্ঠানখন আহমেদাবাদ আইআইএমৰ দ্বাৰা পৰিচালিত হ’ব। পলাশবাৰীত স্থাপন হ’বলগীয়া এই আইআইএমখনত এই বৰ্ষৰ ভিতৰতে পাঠদান আৰম্ভ হ’ব বুলি আইনখনত উল্লেখ কৰা হৈছে। ভাৰতৰ প্ৰথমখন আইআইএম ১৯৬১ চনত আহমেদাবাদত স্থাপন কৰা হৈছিল। গুৱাহাটী আইআইএমখন দেশৰ ২২ সংখ্যকৰূপে পৰিগণিত হ’ব। এখন বিশ্ববিদ্যালয়ৰ মৰ্য্যাদা লাভ কৰিবলগীয়া গুৱাহাটী আইআইএমখন প্ৰথম পাঁচ বছৰ কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে পৰিচালিত হ’ব তথা আৰু পৰৱৰ্তী সময়ত নিজা পুঁজিৰে পৰিচালিত হৈ থাকিব।

## লোকহিতৈষী লৰ্ড স্বৰাজ পালৰ দেহাৱসান

যোৱা ২২ আগষ্ট তাৰিখে ইংলণ্ডৰ প্ৰবাসী ভাৰতীয় উদ্যোগপতি তথা লোকহিতৈষী লৰ্ড স্বৰাজ পালৰ ৯৪ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩১ চনত জলন্ধৰত জন্মগ্ৰহণ কৰা পালে মাছাচুছেইট্‌ছ ইন্সটিটিউট অৱ টেকন’লজিৰ (MIT) পৰা মেকানিকেল ইঞ্জিনিয়াৰিঙত



স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি জলন্ধৰত ‘এপিজে সুৰেন্দ্ৰ গ্ৰুপ’ নামেৰে এক উদ্যোগ স্থাপন কৰি কৰ্মজীৱন আৰম্ভ কৰে। ১৯৬৬ চনত ইংলণ্ডত কেপাৰো গ্ৰুপ (Caparo group) প্ৰতিষ্ঠা কৰা পালে ভাৰত আৰু ইংলণ্ডৰ মাজত বাণিজ্যিক আৰু ৰাজনৈতিক সম্বন্ধ সুদৃঢ় কৰিবৰ বাবে সদায়ে নেতৃত্ব বহন কৰিছিল। ১৯৭৫ চনত ইণ্ডো-বৃটিছ এছ’চিয়েছন (Indo-British Association) গঠন কৰা পালক ১৯৮৩ চনত ভাৰত চৰকাৰে ‘পদ্মভূষণ’ বঁটাৰে সন্মানিত কৰিছিল। নিজৰ চাৰি বছৰীয়া কন্যা অম্বিকা পালৰ মৃত্যুৰ পাছত ১৯৬৬ চনত ‘অম্বিকা পাল ফাউণ্ডেছন’ নামৰ দাতব্য ন্যাস গঠন কৰি অগণন দুৰ্গত তথা ৰুগীয়া লোকক মুক্তহস্তে দান-বৰঙণি আগ বঢ়াই পালে সমাজৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দিছিল। ১৯৭৮ চনত মহাৰাণীৰ পৰা নাইট (Knight) উপাধি লাভ কৰা স্বৰাজ পাল পৰৱৰ্তী সময়ত হাউছ অৱ লৰ্ডছৰ সদস্য হিচাপে নিৰ্বাচিত হয়। জনপ্ৰিয় কাকত ‘ছানডে টাইমছ ৰিচ লিষ্ট’ৰ (Sunday Times Rich List) নিয়মীয়া জনপ্ৰিয় উদ্যোগীৰ তালিকাত ৮১ সংখ্যক স্থান লাভ কৰা পালৰ উদ্যোগৰ মুঠ ধনৰ পৰিমাণ প্ৰায় ২০,০০০ কোটি টকা। সমাজহিতৈষী উদ্যোগপতি পালৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শোক প্ৰকাশ কৰি তেওঁৰ অৱদানক চিৰদিন ভাৰতবাসীয়ে মনত ৰাখিব বুলি ব্যক্ত কৰে।

## ভাৰতীয় মহাকাশ বিজ্ঞানীৰ দুটা সফল পৰীক্ষণ

যোৱা ২৪ আগষ্ট তাৰিখে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ইছৰো) গগনযান অভিযানৰ লগত সম্পৰ্কিত ইণ্টিগ্ৰেটেড এয়াৰ ড্ৰপ টেষ্ট (IADT-01) সফলতাৰে সম্পন্ন কৰিবলৈ সক্ষম হয়। ইছৰোই গগনযান অভিযানৰ পেৰাছুট প্ৰণালীৰ সম্পৰ্কত সঠিক তথ্য লাভৰ বাবে



এই পৰীক্ষা সম্পন্ন কৰে। ভাৰতীয় বায়ুসেনা, ভাৰতীয় নৌসেনা, প্ৰতিৰক্ষা গৱেষণা উন্নয়ন সংস্থা (DRDO) আৰু ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ সহযোগত ইছৰোই যৌথভাৱে কৰা এইটো হৈছে এই ধৰণৰ প্ৰথম সম্পৰীক্ষা। ভাৰতে গগনযানৰ জৰিয়তে মহাকাশত মানৱ অভিযান চলাবৰ বাবে মহাকাশ যান ইতিমধ্যে সাজু কৰিছে। এই পৰীক্ষাটোৰ জৰিয়তে পেৰাছুট প্ৰণালীৰ কাৰ্য্যক্ষমতা পৰীক্ষা কৰা হয়, যাতে মহাকাশৰ পৰা ভাৰতীয় মহাকাশচাৰী পৃথিৱীলৈ উভতি অহাৰ সময়ত তেওঁলোকৰ নিৰাপদ অৱতৰণ সুনিশ্চিত কৰিব পাৰি। এই পৰীক্ষাটোৰ জৰিয়তে মহাকাশচাৰী পৃথিৱীলৈ উভতি আহিবলগীয়া কেপছুলৰ পেৰাছুটৰ সময়মতে খোল খায় নে নাখায় সেইটো পৰীক্ষা কৰা হয়। পৰীক্ষাৰ সময়ত প্ৰায় ৫ টন ওজনৰ এক ডামী কেপছুল বায়ুসেনা বাহিনীৰ চিনুক হেলিকপ্টাৰেৰে চাৰি কিল'মিটাৰ ওপৰৰ আকাশৰ পৰা এৰি দিয়া হৈছিল।

তদুপৰি ভাৰতে ২৪ আগষ্টতে ওড়িশাৰ উপকূলত ৫০০০ কিল'মিটাৰ লক্ষ্যৰ দূৰত্বভেদী অগ্নি-৫ মিছাইলৰ সফল পৰীক্ষণ কৰিবলৈ সক্ষম হয়। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থায়ে (DRDO) নিৰ্মাণ কৰা এই অত্যাধুনিক ক্ষেপণাস্ত্ৰই বিপৰীত দিশৰ পৰা অহা ক্ষেপণাস্ত্ৰক সহজতে ধ্বংস কৰিব পাৰিব। ভাৰতৰ এই অত্যাধুনিক আকাশ প্ৰতিৰক্ষা ব্যৱস্থাই ভাৰতৰ আকাশ সুৰক্ষা ব্যৱস্থাক আৰু নিশ্চিন্ত তথা শক্তিশালী কৰি তুলিব।

## থাইলেণ্ড-কম্বোডিয়াৰ যুদ্ধ

যোৱা ২৪ জুলাই তাৰিখে সীমাৰেখাক কেন্দ্ৰ কৰি থাইলেণ্ড আৰু কম্বোডিয়াৰ মাজত যুদ্ধৰ সূচনা হয় আৰু সমগ্ৰ অঞ্চলটোত উত্তেজনা বৃদ্ধি হয়। এই যুদ্ধত প্ৰায় ৫০ জন লোকৰ প্ৰাণহানি হয় আৰু ৩ লাখ লোক গৃহহীন হৈ পৰে। দুয়োখন দেশৰ প্ৰায় ৯০ শতাংশ মানুহ বৌদ্ধধৰ্মী তথা লোকসকলৰ খোৱা-বোৱা, সাজ-পোছাক, জীৱনশৈলী আদিত সাদৃশ্য আছে। উল্লেখযোগ্য যে ৯ম শতিকাতে খামেৰ ৰজাই সজোৱা 'প্ৰিয়াহ বিহাৰ' নামৰ মন্দিৰ এটাক কেন্দ্ৰ কৰি দুয়োখন দেশৰ সীমা বিবাদ আৰম্ভ হয় আৰু যুদ্ধত লিপ্ত হৈ পৰে। কম্বোডিয়াই ফ্ৰান্সৰ কবলৰ পৰা স্বাধীনতা লাভ কৰাৰ সময়তে থাইলেণ্ডে প্ৰিয়াহ বিহাৰ মন্দিৰ অধিগ্ৰহণ কৰাত কম্বোডিয়াই আন্তৰ্জাতিক ন্যায়ালয়ত গোচৰ তৰে। ১৯৬২ চনত উক্ত ন্যায়ালয়ে কম্বোডিয়াৰ সপক্ষে ৰায়দান কৰে যদিও মন্দিৰৰ সমীপৰ ভূমিবোৰৰ মালিকীস্বত্ব স্পষ্ট কৰা নাছিল। ২০০৮ চনত মন্দিৰটোৱে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাৰ লগে লগে থাইলেণ্ডে মন্দিৰৰ মাটিবোৰ দখল কৰি লয়। ১৯৯০ চনত সম্পূৰ্ণৰূপে স্বাধীন হোৱা তথা ঐতিহ্যৰ প্ৰতি অতি সচেতন কম্বোডিয়াই ২০১৩ চনত পুনৰ আন্তৰ্জাতিক ন্যায়ালয়ত গোচৰ তৰাত ন্যায়ালয়ে মন্দিৰৰ চাৰি কিল'মিটাৰ অঞ্চল কম্বোডিয়াৰ বুলি ৰায়দান কৰে। থাইলেণ্ডে অঞ্চলটোত কম্বোডিয়াৰ লোকৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ পাছত মে' মাহত সংঘাতে তীব্ৰৰূপ ধাৰণ কৰে আৰু জুলাই মাহত দুয়োখন দেশ যুদ্ধত লিপ্ত হৈ পৰে।

ঐতিহ্য ৰক্ষাৰ বাবে আৰম্ভ হোৱা এই যুদ্ধই অঞ্চলটো অশান্ত কৰি তোলে আৰু ৰাষ্ট্ৰসংঘ, আছিয়ান সংস্থা তথা চীন দেশ শান্তিপূৰ্ণ সমাধানৰ বাবে হস্তক্ষেপ কৰিবলৈ বাধ্য হৈ পৰে। আছিয়ান সংস্থাৰ মুৰব্বী দেশ মালয়েছিয়াৰ মধ্যস্থতাত কম্বোডিয়াৰ প্ৰধানমন্ত্ৰী হুন মানেট আৰু থাইলেণ্ডৰ ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী ফুমথাম ওচায়াশ্বাইৰ মাজত দ্বি-পাক্ষিক আলোচনা অনুষ্ঠিত হয় আৰু যুদ্ধ বিৰতি ঘোষণা কৰে যদিও সীমান্তত যুদ্ধ তথা উত্তেজনা অব্যাহত থাকে। ৩১ জুলাইত চীনৰ মধ্যস্থতাত ছাংহাইত যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হয় যদিও আগষ্ট মাহতো মৃদু যুদ্ধ লাগি থকাত বুজাবুজিৰ প্ৰচেষ্টা অব্যাহত আছে।❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# খবৰৰ লেছেৰি বোটলা

**(২১ জুলাই, ২০২৫ ৰ পৰা ২০ আগষ্ট, ২০২৫লৈ)**

২১ **জুলাই :** ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে।

২২ **জুলাই :** আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ ইউনেস্ক'ৰ পৰা নাম প্ৰত্যাহাৰ কৰে। (সদস্যপদ ত্যাগ কৰে)।

২৫ **জুলাই :** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মালদ্বীপ ভ্ৰমণ কৰে আৰু ৫৬৫ মিলিয়ন মাৰ্কিন ডলাৰৰ অৰ্থ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে।

২৬ **জুলাই :** এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা অহা ৯ৰ পৰা ২৮ ছেপ্টেম্বৰলৈ সংযুক্ত আৰব আমীৰশ্বাহীত অনুষ্ঠিত হ'ব বুলি আইচিচিয়ে ঘোষণা কৰে।

২৭ **জুলাই :** ভাৰতীয় টেষ্ট ক্ৰিকেট দলৰ অধিনায়ক সুভমন গিলে এখন টেষ্ট ছিৰিজত চাৰিটা শতক কৰি অভিলেখ সৃষ্টি কৰে।

২৭ **জুলাই :** ইংলণ্ডৰ মহিলা ফুটবল দলে ইউৰো কাপ, ২০২৫ৰ চেম্পিয়ন খিতাপ দখল কৰে।

২৯ **জুলাই :** দিৱস দেশমুখে দবা বিশ্বকাপৰ খিতাপ দখল কৰি (প্ৰথম ভাৰতীয়) ইতিহাস ৰচনা কৰে।

৩০ **জুলাই :** ৮.৮ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত ৰাছিয়াৰ ১০০ জন লোকৰ প্ৰাণহানি হয়।

৩০ **জুলাই :** বিখ্যাত অৰ্থনীতিবিদ প্ৰবাসী ভাৰতীয় লৰ্ড পিৰ মেঘনাথ দেশাইৰ ৮৫ বছৰ বয়সত দেহাৱসান ঘটে।

৩১ **জুলাই :** ম্যানমাৰত সামৰিক শাসন প্ৰত্যাহাৰ কৰা হয় আৰু ডিচেম্বৰ মাহত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব বুলি চৰকাৰে ঘোষণা কৰে।

১ **আগষ্ট :** অসমৰ অৰণী এছ হাজৰিকাই অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত আৰু ধ্ৰুপদী হিন্দী বিষয়ত প্ৰথমগৰাকী অসমীয়াৰূপে স্নাতক ডিগ্ৰী লাভ কৰে।

১ **আগষ্ট :** আইপিএছ বিষয়া সোণালী মিশ্ৰই ৰেলৰে নিৰাপত্তা বাহিনী (আৰপিএফ) প্ৰথমগৰাকী মহিলা সঞ্চালক প্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

২ **আগষ্ট :** 'আধাৰ কাৰ্ড' নাগৰিকত্বৰ প্ৰমাণপত্ৰ নহয় বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

৩ **আগষ্ট :** ব্ৰাজিলে কোপা আমেৰিকা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ লাভ কৰে।

৪ **আগষ্ট :** ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জনজাতীয় আন্দোলনৰ নেতা শিবু ছোৰেনৰ ৮১ বছৰ বয়সত দেহাৱসান ঘটে।

৬ **আগষ্ট :** ভাৰতৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰই ৫০ শতাংশ শুল্ক আৰোপ কৰে।

- অসম চৰকাৰৰ মুঠ ধাৰৰ পৰিমাণ ১ লাখ ৮০ হাজাৰ কোটি টকা বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰে।

৭ **আগষ্ট :** দক্ষিণ এছিয়া-ই উৰোপৰ সামুদ্ৰিক সহযোগিতাৰ উন্নয়নৰ বাবে অসমৰ অম্লান বৰাক দক্ষিণ এছিয়াৰ মুৰব্বী হিচাপে নিযুক্তি দিয়ে।

১৩ **আগষ্ট :** ফুটবলাৰ খালিদ জামিলক ভাৰতীয় জাতীয় ফুটবল দলৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হয়।

১৪ **আগষ্ট :** অহা মাহত ভাৰতত প্ৰথমবাৰৰ বাবে হাইড্ৰ'জেনচালিত ৰেল সেৱা আৰম্ভ কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

১৫ **আগষ্ট :** মেজৰ ভাৰ্গৱ কলিতালৈ ভাৰত চৰকাৰে শৌৰ্য্যচক্ৰ সন্মান আগ বঢ়ায়।

১৭ **আগষ্ট :** ৬২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ভাৰতে ৯৭খন যুঁজাৰু বিমান ক্ৰয় কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

২০ **আগষ্ট :** অজয় সিং ভাৰতীয় বক্সিং ফেডাৰেছনৰ সভাপতি নিৰ্বাচিত হয়।

- ভাৰতে ৫,০০০ কিল'মিটাৰ দূৰত্বভেদী 'অগ্নি-৫' মিছাইলৰ সফল পৰীক্ষণ সম্পন্ন কৰে।❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# আলাবৈৰ ৰণ : পটভূমি, পৰিণতি আৰু শিক্ষা

■ অলকা গোস্বামী



(এক)

: নদাই আৰু বুঢ়াগোহাঁই ডাঙৰীয়া, বঙাল আলাবৈতে থূপ খাই আছে। থূপ খোৱা সৈন্য আৰু বাহ বান্ধি থকা বৰল একেই। কেঁচা বৰলক জোকালে গা সাৰিবলৈ বৰ টান কিন্তু। ৰণৰ আগদিনা নিশা ক'লে বৰফুকনে।

: তথাপি স্বৰ্গদেউৰ আদেশ মানি মই কাইলৈৰ ৰণৰ বাবে সাজু হৈছোঁ। আমাৰ কুৰি হাজাৰ সৈন্য যাব, চাৰিজনকৈ দক্ষ লোকে নেতৃত্ব দিব। গড়ৰ পৰা আমি লক্ষ্য ৰাখিম, প্ৰয়োজনত নিজেও ৰণত নামিম। আকৌ ক'লে বৰফুকনে।

আলাবৈৰ ৰণৰ আগদিনা নিশা লাচিত বৰফুকনে হয়তো এনেকৈয়ে কৈছিল। তেওঁ সম্বোধন কৰিছিল আতন বুঢ়াগোহাঁই আৰু স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ 'সঁজাতী' নদাইক। যুদ্ধৰ প্ৰস্তুতি ইতিমধ্যে হৈ উঠিছিল। চাৰিজন দক্ষ যোদ্ধাক পাছদিনাৰ ৰণৰ সেনাপতিৰ দায়িত্ব দিয়া হৈছিল। এওঁলোক আছিল—পেলন ফুকন, দিখৌমুখীয়া ৰাজখোৱা, নাম দৈয়ঙীয়া ৰাজখোৱা আৰু ওপৰ দৈয়ঙীয়া ৰাজখোৱা। ঢাল-তৰোৱাল, ধনু-কাঁড়, হিলৈ আৰু বৰটোপ সাজু কৰা হৈছে, সাজু কৰা হৈছে কুৰি হাজাৰ সৈন্যক। ৰণ হ'ব আলাবৈৰ পথাৰত।

আহোম শিবিৰত উৎসাহ। বহুদিন বহি থকাৰ পাছত এখন ৰণ হ'ব। বঙালক কাটি-মাৰি ইয়াৰ পৰা খেদি পঠিয়াব লাগিব।

সেইদিনা বৃহস্পতিবাৰ। শুভ বাৰ চায়েই ৰণৰ দিন ঠিক কৰা হৈছে। প্ৰথমেই আহোমৰ ফালৰ পৰা আক্ৰমণ কৰা হ'ব।

(দুই)

মোগল সেনাপতি মীৰজুমলাই আহোমৰ ৰাজধানী গড়গাঁও দখল কৰিছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহ নামৰূপলৈ পলাই গৈ সন্ধিৰ প্ৰস্তাৱ দিছিল। ইয়াৰ প্ৰত্যুত্তৰত মোগলে অতি অপমানজনক চৰ্ত আৰোপ কৰিছিল। উপায়ান্তৰ হৈ স্বৰ্গদেৱে মোগলৰ সকলো চৰ্ত মানি লৈ সন্ধি কৰিছিল। স্বৰ্গদেউৰ বাবে ব্যক্তিগত অপমানতকৈ দেশৰ স্বাধীনতা বেছি মূল্যবান আছিল। তেওঁৰ উদ্দেশ্য আছিল যিকোনো চৰ্তৰ বিনিময়ত ৰাজধানীখন শত্ৰুৰ হাতৰ পৰা ঘূৰাই লোৱা আৰু কিছু শক্তি সঞ্চয় কৰি সেই শত্ৰুকে উভতি ধৰা। সন্ধি হ'ল, ৰাজ্য ঘূৰাই দি, স্বৰ্গদেউৰ জীসহ আন সা-সামগ্ৰী লৈ মীৰজুমলা ভটিয়াই গ'ল। জয়ধ্বজ সিংহ সিংহাসনত বহিলহি। পাছে তেওঁ শত্ৰুক উভতি ধৰিবলৈ নাপালে, মৃত্যুৱে আহি তেওঁক লৈ গ'ল।

পৰবৰ্তী স্বৰ্গদেউ হ'ল জয়ধ্বজ সিংহৰ ভতিজাক, তেতিয়া চাৰিং ৰজা হৈ থকা চকৰা। সিংহাসনত বহি তেওঁ নাম ল'লে চক্ৰধ্বজ সিংহ, আহোম মতে চুপুংমুং। তেওঁ মোগলক কৰ নিদিবলৈ, বৰং যুদ্ধ কৰিবলৈ সিদ্ধান্ত ল'লে। কথা মতেই কাম। নতুন বৰফুকন নিয়োগ কৰি গুৱাহাটীলৈ সৈন্য প্ৰেৰণ কৰিলে। নতুন বৰফুকন লাচিতৰ নেতৃত্বত আন আন ৰাজখোৱা-ফুকন-বৰুৱাতো আহিলেই, তিনিগৰাকী গোহাঁয়ো আহিল। এই সৈন্যই বৰ সহজেই বাঁহবাৰী, কাজলী, ইটাখুলি আৰু শৰাইত থকা মোগলৰ থানা আৰু কোঠ উদ্ধাৰ কৰিলে। গুৱাহাটী আহোমৰ হ'ল।

এয়া ১৫৮৭ শকৰ কাতি মাহৰ ১৬ তাৰিখৰ কথা। খৃষ্টীয় বৰ্ষত ১৬৬৫ চন। স্বৰ্গদেউ আৰু বৰফুকনকে ধৰি সকলোৱেই জানিছিল যে গুৱাহাটী উদ্ধাৰ কৰা গ'লেও এয়া শেষ জয় বা আচল যুদ্ধ নাছিল; আচল যুদ্ধ হ'ব ইয়াৰ পাছতহে আৰু সেইখন হ'ব বহুত ডাঙৰ আৰু ভয়ানক। লাচিত বৰফুকন আৰু আতন বুঢ়াগোহাঁয়ে দুবছৰ ধৰি গুৱাহাটীৰ পূব দিশ বাদ দি আন তিনিও দিশতে গড় বান্ধিলে বা পূৰ্বৰ গড় মেৰামতি কৰিলে। 'কামৰূপৰ বুৰঞ্জী'ত এই বিষয়ে কোৱা হৈছে এনেদৰে—"গুৱাহাটীত গড়। পাছে বাঁহগৰীয়া বুঢ়াগোহাঁইক ঁৰে পাঞ্চিলে বোলে 'গুৱাহাটীতে আমাৰ লোক যিমতে ৰহিব পাৰে তাকে ছল চাই গড়খন বান্ধাহঁক যাই। পাছে গোহাঁয়ে তাৰ আজ্ঞাই আহি বৰগোহাঁই, বুঢ়াগোহাঁই, বৰফুকন, এইসব প্ৰমুখ্যে যত ফা-ফুকন আছিল সমস্তে সমালোচনা কৰি মহাৰাজা চক্ৰধ্বজৰ আজ্ঞায়ে বিশ্বকৰ্ম্মে নিৰ্ম্মিত হেন উত্তৰকোলে, দক্ষিণকোলে গড় বান্ধিলে। বৰফুকনো নিতান্তে সাস্তমে ৰহিল : শক ১৫৮৯, মাস ফাগুন।" ( ঁ বৰ্ণটোৱে স্বৰ্গদেউ বুজায়।)

মোগল সম্ৰাট ঔৰংগজেৰৰ নিৰ্দেশত অম্বৰৰ ৰজা ৰাম সিংহই সেনাপতিৰ দায়িত্ব লৈ চাৰি লাখ সৈন্য লৈ গুৱাহাটী পুনৰ দখল কৰিবলৈ ওলালহি ১৫৯০ শকৰ ফাগুন অৰ্থাৎ ১৬৬৮ চনৰ মাৰ্চ মাহত। তেওঁ আহি হাজো আৰু কুলহাটীত ছাউনী পাতিলে। তেওঁ দেখিলে, অৰ্ধচন্দ্ৰাকৃতি গড়, তাৰ ওপৰত বৰটোপ বহুৱাই ৰৈ আছে আহোম সৈন্য ! বুৰঞ্জীৰ ভাষাত— "পাহাৰৰ ওপৰত গড় কৰিছে, আগত মৈদানো অল্প চক্ৰাকৃতি বেহু একে পৰ্বত, তাতে এনয় বেহু কৰিছে। "

## (তিনি)

মোগলৰ সৈন্য আৰু অস্ত্ৰবল আহোমতকৈ বেছি আছিল। মোগলৰ ঘাই শক্তি আছিল স্থলযুদ্ধত ঘোঁৰা নমাই যুদ্ধ কৰা। আহোমৰ শক্তি আছিল নৌ যুদ্ধত। ৰণৰ আৰম্ভণিতেই লাচিত বৰফুকনে বুজি পাইছিল যে মুখামুখি স্থলযুদ্ধত মোগলক বলে পৰা নাযাব। তেওঁ সেয়ে আধা গেৰিলা যুদ্ধৰ কৌশল লৈছিল অৰ্থাৎ গড়ৰ ভিতৰত আশ্ৰয় লৈ থাকি শত্ৰুক হঠাৎ আক্ৰমণ কৰা। তেওঁ ঠিক কৰিছিল যে এই কৌশলেৰে প্ৰতিপক্ষৰ শক্তি কিছু ক্ষয় কৰি শত্ৰুক নৌ যুদ্ধলৈ প্ৰৰোচিত কৰিব লাগিব। আৰম্ভণিৰ পৰাই তেওঁৰ দৃঢ়বিশ্বাস আছিল যে মোগলক এবাৰ বৰনৈত নমাব পাৰিলেই বিজয় সহজ হৈ যাব।

লাচিতৰ এই কৌশলৰ কথা আতন বুঢ়াগোহাঁইৰ বাহিৰে আনে আনকি স্বৰ্গদেৱেও নাজানিছিল। যুদ্ধ দীঘলীয়া হৈ গৈছিল; ফলত আন সৈন্য-সেনাপতিহে নালাগে, স্বৰ্গদেউ চক্ৰধ্বজ সিংহও অধৈৰ্য্য আৰু অতিষ্ঠ হৈছিল। এখন প্ৰবল, মুখামুখি আৰু নিৰ্ণায়ক যুদ্ধ কৰিবলৈ ঘাই সেনাপতি লাচিতৰ ওপৰত হেঁচা পৰিছিল।

তেনেতে এটা ঘটনা ঘটিল। আহোমৰ এজন দক্ষ সেনাপতি মিৰি সন্দিকৈৰ 'পালী'ত এখন চিঠি পোৱা গ'ল। চিঠিখনত লিখা আছিল এইবুলি—"ভাই বৰফুকন, এক লাখ ৰূপ ল'লা, পাচে গুৱাহাটী চাৰি নিদিলা।"

এয়া দেখ দেখ বৰফুকন লাচিতক সম্বোধন কৰি লিখা চিঠি। চিঠিসহ লাচিত বৰফুকনে ভেটি খোৱাৰ অভিযোগ স্বৰ্গদেউলৈ গ'ল। এয়া এটা ভয়ংকৰ অভিযোগ— দেশদ্ৰোহ আৰু ৰাজদ্ৰোহৰ। ইয়াৰ শাস্তি অতি ভয়ংকৰ। অৱশ্যে স্বৰ্গদেৱে লাচিত বৰফুকনক বৰ ভালদৰে জানিছিল; কাৰণ দুয়ো আছিল বাল্যবন্ধু। মীৰজুমলাৰ আক্ৰমণৰ সময়ত চক্ৰধ্বজ সিংহ চাৰিং ৰজা আছিল। সেই সময়ত চাৰিং অঞ্চলত লাচিতৰ লগ হৈ চাৰিং ৰজাই গেৰিলা আক্ৰমণেৰে মোগল সৈন্যক ব্যতিব্যস্ত কৰিছিল। সেয়ে এই চিঠিখন সঁচা বুলি স্বৰ্গদেৱে বিশ্বাস নকৰিলে। তেওঁ লাচিতক শাস্তি নিদিলে, কিন্তু এই অভিযোগ মিছা বুলি প্ৰমাণ কৰাৰ সুযোগ দিলে।

আচলতে এয়া আছিল মোগল সেনাপতি ৰাম সিংহৰ চক্ৰান্ত। বৰফুকনৰ প্ৰতি অবিশ্বাস জন্মাই আহোম শিবিৰক দুৰ্বল কৰাৰ উদ্দেশ্যেৰে মিছা কথা লিখি এই চিঠিখন তেওঁ পঠিয়াইছিল। মোগলৰ ছাউনীৰ একেবাৰে ওচৰত আছিল আহোমৰ এজন সেনাপতি মিৰি সন্দিকৈৰ ছাউনী। কাঁড়ৰ আগত গাঁঠি দি ৰাম সিংহই চিঠিখন মিৰি সন্দিকৈৰ ছাউনীত পেলাইছিল।

লাচিতৰ আশু কৰ্তব্য হৈ পৰিল তেওঁৰ ওপৰত উঠা বিশ্বাসঘাতকতা তথা দেশদ্ৰোহিতাৰ অভিযোগ মিছা বুলি প্ৰমাণ কৰা আৰু একে সময়তে তেওঁৰ ৰণকৌশলৰ শুদ্ধাশুদ্ধও নিৰ্ণয় কৰা।

### (চাৰি)

তাৰ পাছত আহি পালে সেই বিশেষ দিনটো। ১৫৯১ শকৰ ২০ শাওণ। ১৬৬৯ চনৰ ৫ আগষ্ট। বৃহস্পতি বাৰ।

আজ্ঞাঠুৰি পাহাৰ আৰু চেঁচাজানৰ মাজৰ ঠেক সমতলখণ্ডৰ নাম আলাবৈ পথাৰ। ৰণ ইয়াতেই হ'ব। মোগলৰ দহ হাজাৰ সৈন্য আহিছে মীৰ নবাব আৰু ৰাজপুত যুৰতী মদনাৰতীৰ নেতৃত্বত। ইফালে চাৰিজন সেনাপতিৰ নেতৃত্বত কুৰি হাজাৰ আহোম সৈন্য মহা উৎসাহেৰে গড় পাৰ হৈ ৰণক্ষেত্ৰত নামিল। বৰফুকনে চাৰিটা দিশত চাৰি শাৰী সৈন্য সাজু কৰিছিল। মূল গড়ৰ দিশত, বাঁওফালে হস্তী বাহিনী, সোঁফালে বৰলুইতৰ দিশত কাঁড়ী সৈন্য; মাজভাগত, অলপ আগ বঢ়াই হিলৈদাৰী আৰু কাঁড়ী সৈন্য। এই তিনিটা বাহিনীৰ আঁৰ কৰি গঁড়ৰ গাতে লুকুৱাই এফৈদ কাঁড়ী আৰু হেংদানধাৰী সৈন্য। মাজৰ বাহিনীটোৱে ৰণ আৰম্ভও কৰিব আৰু নেতৃত্বতো থাকিব; সোঁ আৰু বাঁওফালৰ বাহিনী দুটাই আৱশ্যকীয় সমৰ্থন দিব এই বাহিনীটোক। এই তিনিটা বাহিনীৰ বিপদ দেখিলে চতুৰ্থ বাহিনীটো লুকাই থকা ঠাইৰ পৰা হঠাৎ ওলাই আহি আক্ৰমণ কৰিব।

পাছে বৰফুকনৰ এই সুচিন্তিত বাহিনীটোক কোনো আক্ৰমণেই কৰাৰ সুযোগ নিদিলে মোগলৰ ঘোঁৰাচোৱাৰী বাহিনীয়ে। এই বাহিনীটোৰ নেতৃত্ব দিছিল মদনাৰতীয়ে। তীব্ৰবেগী ঘোঁৰাক সন্মুখৰ পৰা আক্ৰমণ কৰিব পৰা নগ'ল। মদনাৰতীয়ে আহোমৰ মূল বাহিনীটো ছেদেলি-ভেদেলি কৰি পেলালে। অৱশ্যে এই পৰিৱেশ বেছি সময় নাথাকিল। আহোম সৈন্যৰ কৌশলত হাৰ মানি যুদ্ধত প্ৰাণ দিবলগীয়া হ'ল মদনাৰতী আৰু মীৰ নবাবে। আহোম সৈন্য উৎসাহী হৈ উঠিল আৰু আগ-পিছ নাভাবি চাৰিওটা বাহিনীয়ে মোগল সৈন্যক খেদি গ'ল—গৈ গৈ চেঁচাজান পাৰ হৈ ৰাম সিংহৰ মূল বাহিনীৰ সন্মুখতে পৰিল। সুযোগ ল'লে মোগল সৈন্যই—অশ্বাৰোহী মোগল সৈন্যৰ আক্ৰমণৰ মোকাবিলা কৰিব নোৱাৰিলে পদাতিক আহোম সৈন্যই। আক্ষৰিক অৰ্থতে আহোম সৈনিকক কচুকটা দিলে মোগল সৈন্যই। বেলি বুৰাৰ পৰলৈ দহ হাজাৰ আহোম সৈন্য মৃতদেহ হৈ আলাবৈ পথাৰত পৰি গ'ল।

আহত আন দহ হাজাৰ সৈন্যই কোনোমতে গড়ৰ ভিতৰত সোমালহি।

এয়াই বুৰঞ্জীবিখ্যাত আলাবৈৰ ৰণ, য'ত একেদিনাই দহ হাজাৰ সৈনিকে প্ৰাণ হেৰুৱাইছিল। কোনো যুদ্ধতে অসমৰ ইমান ডাঙৰ ক্ষতি হোৱাৰ উদাহৰণ ইতিহাসত নাই। এই ঘটনাত শোকস্তব্ধ হৈ পৰা লাচিত বৰফুকনে আতন বুঢ়াগোহাঁইৰ ওচৰত সন্তাপ কৰিছিল এইবুলি—আমাৰ বাবে একোজন সৈন্য একোটা হাতীৰ দৰে। বৰ যত্ন কৰি বনৰ পৰা ধৰি অনা হাতী একোটাক শিকাব-বুজাব লাগে, তেহে সি কামৰ লায়ক হৈ উঠে। সৈন্যৰ ক্ষেত্ৰতো একেই। বৰফুকনৰ সন্তাপ মাৰ নিয়াই তেওঁক উৎসাহ দিবলৈ বুঢ়াগোহাঁয়ে কৈছিল—"বৰফুকন, বাৰীৰ পিছৰ খাল এটা সিঁচোঁতেও আঠোটা-দহোটা শিঙিয়ে বিন্ধে। এইখনতো ৰণ হৈছে, ইয়াত মানুহ নমৰিবনে !"

### (পাঁচ)

আলাবৈৰ ৰণখন এখন শিক্ষণীয় ৰণ। এই ৰণে শিকালে যে হুজুগত আৰু সৈন্যশক্তিৰ বলত ৰণ জিকিব নোৱাৰি, ৰণ জিকিবলৈ হ'লে কৌশলৰ প্ৰয়োজন। এই ৰণে আৰু শিকালে যে ৰণৰ কৌশল শত্ৰু চাইহে নিৰ্ণয় কৰিব লাগে। ৰজা বা ৰাষ্ট্ৰৰ মুৰব্বী আৰু ৰণৰ সেনাপতিৰ মাজত বিশ্বাস আৰু বুজাবুজিৰো বৰ দৰকাৰ বুলি এই ৰণে শিকালে। নক'লেও হয় যে আলাবৈৰ ৰণৰ পৰাজয়ে আহোম সৈন্যৰ মনোবল অলপো কমাব পৰা নাছিল। আনহাতে পৰাজয় সত্ত্বেও এই ৰণখনে লাচিত বৰফুকনৰ নেতৃত্ব অবিসম্বাদী কৰি তুলিছিল। এই অবিসম্বাদী নেতৃত্ব আৰু অদমনীয় মনোবলৰ বলতে ইয়াৰ পাছৰ বছৰতে মোগলক পৰাস্ত কৰিব পৰা গৈছিল।

**সহায়ক গ্ৰন্থ :**

১) অসম বুৰঞ্জী, সম্পাদক ঃ সূৰ্য্যকুমাৰ ভূঞা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।
২) আসাম বুৰনজি, কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱা, বাসু পাবলিকেচন, গুৱাহাটী।
৩) কামৰূপৰ বুৰঞ্জী, সম্পাদক : সূৰ্য্যকুমাৰ ভূঞা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী।❖

# হিমালয়ৰ ওপৰত বিষাক্ত মেঘ

■ দোলন বৰা



সাম্প্ৰতিক সময়ত সকলো ফালেই প্ৰদূষণ আৰু বিষাক্ত দ্ৰব্যই আগুৰি ধৰিছে। পাহাৰ-পৰ্বতৰ পৰা সাগৰ-মহাসাগৰলৈ সকলোতে কেৱল আৱৰ্জনা আৰু প্ৰদূষণৰ প্ৰাদুৰ্ভাৱ। যাৰ বাবে স্থলচৰ জীৱবোৰৰ লগতে সমুদ্ৰত বাস কৰা জীৱলৈও ভাবুকি আহি পৰিছে। ৰাসায়নিক দ্ৰব্য, বৰ্ধিত হাৰত ব্যৱহৃত প্লাষ্টিকৰ বস্তু আদি ইয়াৰ ঘাই কাৰণ। জনসংখ্যা বৃদ্ধিয়ে মানুহৰ বাবে থকা ঠাইৰ অভাৱ সৃষ্টি কৰা বাবে প্ৰতিদিনে ধ্বংস হ'বলৈ ধৰিছে বনাঞ্চল। যাৰ বাবে অক্সিজেনৰ মাত্ৰা কমি অহাৰ পৰিবৰ্তে কাৰ্বন ডাইঅক্সাইডৰ মাত্ৰা বাঢ়িবলৈ ধৰিছে। পৃথিৱীৰ উষ্ণতা বাঢ়িবলৈ ধৰিছে। যাৰ ফলত এণ্টাৰ্কটিকাৰ বৰফ পৰ্য্যন্ত গলাৰ খবৰ নিতৌ আহিবলৈ ধৰিছে। বৰ্তমান সময়ত প্ৰায়বোৰ ঠাইতেই বিষাক্ত বায়ুৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক সময়ত হিমালয়ৰ ওপৰতো বিষাক্ত মেঘৰ উপস্থিতিৰ কথা বিজ্ঞানীসকলে সদৰী কৰিছে।

হিমৰ আলয় হিমালয়। শুভ্ৰ বৰফেৰে আবৃত হিমালয় পৰ্বতমালা ভাৰতীয় উপদ্বীপৰ উত্তৰ দিশত অৱস্থিত। হিমালয় পৃথিৱীৰ শেহতীয়াকৈ গঠন হোৱা পৰ্বতমালা। ইয়াৰ উৎপত্তি গেদীয় আৰু ৰূপান্তৰিত শিল ওপৰলৈ উঠি অহাৰ ফলত হৈছে বুলি কোৱা হয়। হিমালয় পৰ্বতমালাত প্ৰায় ১৫ হাজাৰমান হিমবাহ আছে। হিমালয়ৰ পৰাই বহুকেইখন নদীৰ উৎপত্তি হৈছে। সেইবোৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ, গংগা, সিন্ধু, যমুনা আদি উল্লেখযোগ্য। হিমালয়ৰ জলবায়ুক আটাইতকৈ বিশুদ্ধ বুলি কোৱা হয়।

হিমালয়ৰ জলবায়ু, বৃষ্টিপাত, উচ্চতা আৰু মাটিৰ প্ৰকাৰ ভেদে পৰিবৰ্তন হোৱা দেখা যায়। বৰ্তমান জলবায়ু পৰিবৰ্তনৰ ফলত হিমালয়ৰ উদ্ভিদ আৰু জীৱ-জন্তুৰ ক্ষেত্ৰত বহুতো সালসলনি হোৱা দেখা গৈছে। উষ্ণতা বৃদ্ধিৰ বাবে বহুতো জীৱই নিজৰ বাসস্থান উচ্চ স্থানলৈ সলনি কৰা দেখা গৈছে।

হিমালয়ৰ উচ্চ শিখৰত য'ত তুষাৰাবৃত শৃংগৰ মাজত মেঘবোৰ উৰি থাকে, সেই মেঘৰ মাজত বিষাক্ত ধাতুৰ অৱস্থিতি ধৰা পৰিছে। নতুন এক বৈজ্ঞানিক সমীক্ষাত ধৰা পৰিছে যে যি মেঘক এটা সময়ত আটাইতকৈ বিশুদ্ধ পানীৰ উৎস বুলি কোৱা হৈছিল সেই মেঘে বৰ্তমান নিঃশব্দে প্ৰদূষিত নিম্নভূমিৰ পৰা বিষাক্ত ধাতু পৃথিৱীৰ সৰ্বোচ্চ স্থানলৈ কঢ়িয়াই নিছে।

পাহাৰ-পৰ্বত বুলি ক'লেই আমাৰ মনলৈ শুভ্ৰ বৰফ আৰু সেউজীয়া উদ্ভিদৰ কথাই মনলৈ আহে। কিন্তু এতিয়া সেই পৰিবেশো প্ৰদূষিত হৈছে। পাহাৰ-পৰ্বত ক'তোৱেই নাই। হিমালয়ৰ দৰে উচ্চ শ্ৰেণীৰ পৰ্বতো বৰ্তমান বিশুদ্ধ বায়ুৰ ঠাই হৈ থকা নাই। ২০২২ চনৰ পৰা ভাৰতীয় বিজ্ঞান সংস্থা আৰু ষ্টকহ'ম বিশ্ববিদ্যালয়ৰ যুটীয়া প্ৰচেষ্টাত কৰি থকা গৱেষণাৰ এক প্ৰতিবেদন অনুসৰি হিমালয়ৰ ওপৰৰ মেঘত বিষাক্ত ধাতুৰ অৱস্থিতি পোৱা গৈছে। যাক লৈ বৰ্তমান পৰিবেশ কৰ্মী আৰু স্বাস্থ্য বিশেষজ্ঞসকল চিন্তিত হৈ পৰিছে। ভাৰতৰ মুখ্য পৰ্বতশ্ৰেণী পশ্চিমঘাট আৰু দাৰ্জিলিঙৰ মেঘৰ পানীৰ নমুনা আৰু ধূলি লৈ কৰা পৰীক্ষাত বিষাক্ত ধাতুৰ অৱস্থিতি ধৰা পৰিছে।

এই ধাতুসমূহ আহিল কেনেকৈ বা ইয়াত কি কি আছে সেইটো ডাঙৰ প্ৰশ্ন। এই ধাতুসমূহৰ ভিতৰত কেডমিয়াম, নিকেল, কপাৰ, ক্ৰ'মিয়াম, জিংক, লেড আদি প্ৰধান। এই ধাতুসমূহ মূলতঃ ঔদ্যোগিক প্ৰদূষণ, বাহনৰ পৰা ওলোৱা ধোঁৱা, কয়লা-পেট্ৰ'ল আদি জ্বলোৱাৰ

ফলত ওলোৱা ধোঁৱা, নিৰ্মাণকাৰ্য্যৰ ফলত ওলোৱা ধোঁৱা আদিৰ জৰিয়তে বায়ুমণ্ডললৈ আহি মেঘত সোমাই পৰে। মেঘবোৰ যিহেতু গতি কৰি থাকে গতিকে এনেদৰেই এইবোৰ গৈ পাহাৰ-পৰ্বত সকলো ক্ষেত্ৰতে অৱস্থান কৰিছে। বৰ্ষাকালৰ মেঘতকৈ খৰালি কালৰ মেঘে এইবোৰ অধিক পৰিমাণে পাহাৰীয়া ক্ষেত্ৰলৈ কঢ়িয়াই নিয়াত সহায় কৰিছে। বাৰিষা কালত অধিক বৰষুণ হোৱাৰ ফলত এইবোৰ বৰষুণৰ লগত ধৰালৈ নামি অহাৰ পৰিবৰ্তে খৰালি বৰষুণ নোহোৱা বাবে মেঘবোৰ গতি কৰি থকাৰ ফলত এইবোৰে বেছিকৈ পাহাৰীয়া ঠাইলৈ এনে ধাতু কঢ়িয়াই নিয়াত সহায়ক হয়।

মেঘত থকা এনে ধৰণৰ ধাতু বা পদাৰ্থবোৰে মানৱ জীৱনলৈ যথেষ্ট পৰিমাণৰ ভাবুকিৰ কঢ়িয়াই আনিছে। এই পদাৰ্থবোৰৰ পৰা মানুহৰ হাঁওফাঁওৰ সমস্যা, কলিজাৰ সমস্যা তথা বৃক্কৰ সমস্যাই দেখা দিব পাৰে। এনে পদাৰ্থসমূহ কেন্সাৰ, মধুমেহ, হৃদৰোগ আদিৰ কাৰক হ'ব পাৰে বা যিসকলৰ তেনে ধৰণৰ ৰোগ আছে তেওঁলোকৰ বাবে আৰু বেছি সমস্যাৰ কাৰণ হ'ব পাৰে। শিশুৰ ক্ষেত্ৰত স্নায়ুৰ সমস্যা, মানসিক সমস্যা, শিক্ষণৰ সমস্যা আদিৰ দৰে সমস্যাসমূহে দেখা দিব পাৰে।


পৰিবেশৰ ওপৰতো এই পদাৰ্থবোৰে বহুত বেছি প্ৰভাৱ পেলাব পাৰে। হিমালয়ৰ দৰে সংবেদনশীল পৰিস্থিতিতন্ত্ৰৰ ঠাইত এনে ধৰণৰ বিষাক্ত বায়ুৰ অৱস্থিতিয়ে এক ভয়াৱহতাৰ ইংগিত দিয়ে। হিমালয় আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ, তাতকৈ গুৰুত্বপূৰ্ণ হিমালয়ৰ বায়ুৰ শুদ্ধতা। এই ধাতুসমূহে গ্লেছিয়াৰ আৰু জলস্ৰোততো প্ৰভাৱ পেলায়, যাৰ বাবে খোৱা পানীৰ শুদ্ধতা কমি আহে।

বৰ্ধিত জনসংখ্যা, কল-কাৰখানা, যান-বাহন আদিৰ দৰে কাৰকসমূহে এই পৰিঘটনাত সহায় কৰিছে। পাহাৰীয়া ক্ষেত্ৰৰ বায়ু আৰু পানীৰ পৰীক্ষা সঘনাই কৰি ইয়াৰ মাত্ৰাৰ বিষয়ে জানিব পাৰি। যাৰ ফলত প্ৰয়োজন সাপেক্ষে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। এনে ধৰণৰ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিলে সম্পূৰ্ণ নহ'লেও কিছু পৰিমাণে এই সমস্যাৰ সমাধান কৰিব পৰা যাব। অন্যথা এসময়ত প্ৰদূষণে মানৱ কুলৰ ধ্বংস যে মাতি আনিব এয়া ধ্ৰুৱপ।❖

# পৰিবেশৰ অতন্দ্ৰ প্ৰহৰী—নিছাৰ

■ মানসজ্যোতি শইকীয়া

২০২৫ চনৰ ৩০ জুলাইত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ISRO) আমেৰিকাৰ নাছাৰ (NASA) সহযোগিতাত নিছাৰ GSLV-F16 ৰকেটৰ সহায়ত সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ১.৫ বিলিয়ন ডলাৰ ব্যয় সাপেক্ষে নিছাৰ শীৰ্ষক



কৃত্ৰিম উপগ্ৰহ সফলতাৰে উৎক্ষেপণ কৰা হয়। নিছাৰ (NISAR) হৈছে NASA–ISRO Synthetic Aperture Radarৰ সংক্ষিপ্ত ৰূপ। নাছাই যোগান ধৰা L-Band (২৫ ছেমি তৰংগদৈৰ্ঘ্য) আৰু ইছৰোৰ S-band (১০ ছেমি তৰংগদৈৰ্ঘ্য)ৰে সজ্জিত নিছাৰ হৈছে দুটা এছএআৰ (SAR-Synthetic Aperture RADAR) কম্পাংক সংযুক্ত কৰা প্ৰথমটো উপগ্ৰহ, যিয়ে বৈজ্ঞানিকসকলক পৃথিৱীপৃষ্ঠৰ কোনো ১ বৰ্গ ছেণ্টিমিটাৰ এলেকাত হোৱা পৰিবৰ্তনসমূহকো ধৰা পেলোৱাত সহায় কৰিব।

ৰেডাৰৰ অৰ্থ হ'ল ৰেডিঅ' ডিটেকছন আৰু ৰেঞ্জিং (Radio Ditection and Ranging)। ৰেডাৰত বস্তু

ধৰা পেলাবলৈ আৰু দূৰত্ব জুখিবলৈ (যেনে—সাগৰপৃষ্ঠৰ গভীৰতা) দৃশ্যমান পোহৰৰ পৰিবৰ্তে ৰেডিঅ' তৰংগ ব্যৱহাৰ কৰা হয়। এছএআৰ হৈছে উপগ্ৰহৰ সৈতে একে সময়তে গতি কৰি একাধিক সংকেত আৰু কম্পনাংকক একেলগে মিলাই ভূপৃষ্ঠৰ অতি উচ্চ মানৰ (high resolution) ছবি সৃষ্টি কৰিব পৰা এক বিশেষ ধৰণৰ ৰেডাৰ। নাছাই প্ৰদান কৰা L-Band ৰেডাৰ তৰংগ গছ-গছনি আৰু মাটিৰ গভীৰতালৈ সোমাই যাব পাৰে। বনাঞ্চল অধ্যয়ন কৰিবলৈ, উদ্ভিদৰ ডাঠ আবৰণৰ তলত হোৱা পৰিবৰ্তন ধৰা পেলাবলৈ, মাটিৰ ওপৰত হোৱা বিভিন্ন গতিবিধি লক্ষ্য কৰিবৰ বাবে ই অতি উত্তম। S-band ৰেডাৰ ইছৰোৰ দ্বাৰা নিৰ্মিত আৰু ই বৰফ বা চহৰৰ দৰে কংক্ৰিট পৃষ্ঠভাগ পৰ্য্যবেক্ষণ কৰিবলৈ ব্যৱহৃত হয়। নিছাৰ উপগ্ৰহক ভূপৃষ্ঠৰ পৰা ৭৪৭ কিল'মিটাৰ উচ্চতাত সূৰ্য্যৰ সমকালীন মেৰু কক্ষপথত (Sun-synchronous orbit) স্থাপন কৰা হৈছে। মেৰু কক্ষপথৰ বিশেষত্ব এয়ে যে এই কক্ষপথত উপগ্ৰহ এটাই সূৰ্য্যৰ সৈতে একে সময়ত পৃথিৱীৰ যিকোনো বিন্দুৰ ওপৰেৰে পাৰ হৈ যায়। ইয়াৰ ফলত উপগ্ৰহটোৱে অনবৰতে সূৰ্য্যৰ দিশত থাকি প্ৰাকৃতিক পোহৰ লাভ কৰে। তদুপৰি উপ্ৰগ্ৰহটোৱে প্ৰতি ১২ দিনৰ মূৰে মূৰে একে ঠাইৰ ওপৰেদি পুনৰ পাৰ হৈ যায়।

## নিছাৰে কি কি ক্ষেত্ৰত সহায় কৰিব

১) **দুৰ্য্যোগৰ পূৰ্বানুমান :** ভূমিকম্প, ভূমিস্খলন, আগ্নেয়গিৰি উদ্গিৰণ আদি প্ৰাকৃতিক দুৰ্য্যোগসমূহৰ আগজাননী বিপজ্জনক হোৱাৰ আগতেই মাটিৰ সৰু সৰু পৰিবৰ্তনবোৰ লক্ষ্য কৰি নিছাৰে ধৰা পেলাব পাৰে। বানপানী বা ঘূৰ্ণিবতাহৰ সময়ত ৰেডাৰে ডাৱৰৰ মাজেদি হ'লেও চাই ক্ষতি আৰু বানপানীৰ বিস্তৃতি আৰু সম্ভাৱনা নিৰ্ণয় কৰিব পাৰে।

২) **জলবায়ু আৰু ক্ৰাইঅ'স্ফিয়াৰ** (Cryosphere) **অধ্যয়ন :** ক্ৰাইঅ'স্ফিয়াৰ মানে পৃথিৱীৰ সকলো হিমবাহ, বৰফৰ টুকুৰা আৰু সাগৰীয় বৰফৰ গোট মৰা পানীভাগ। নিছাৰে হিমালয় আৰু এণ্টাৰ্কটিকাত হিমবাহৰ গলনাংক নিৰীক্ষণ কৰিব, যিয়ে বিজ্ঞানীসকলক সাগৰৰ জলপৃষ্ঠ বৃদ্ধিৰ ভৱিষ্যৎবাণী কৰাত সহায় কৰিব।

৩) **পৰিবেশ আৰু কৃষি :** বনাঞ্চল আৰু জলাশয় নিৰীক্ষণ কৰি ই বনাঞ্চল ধ্বংস বা পৰিবেশতন্ত্ৰৰ ক্ষতি ধৰা পেলাব পাৰে। ই মাটিৰ আৰ্দ্ৰতা আৰু শস্যৰ অৱস্থা নিৰ্ণয় কৰিব পাৰে, ইয়ে কৃষকসকলক জলসিঞ্চন পৰিচালনা কৰাত আৰু খৰাং পৰিস্থিতিৰ লগত মোকাবিলা কৰাত সহায় কৰে।

৪) **জলসম্পদ ব্যৱস্থাপনা :** নিছাৰে নদী, হ্ৰদ, জলাশয়ৰ পৃষ্ঠীয় পানীৰ বতৰৰ সৈতে হোৱা পৰিবৰ্তন লক্ষ্য কৰি পানী যোগানৰ পৰিকল্পনা উন্নত কৰিব।

নিছাৰ উপগ্ৰহ অন্য সাধাৰণ উপগ্ৰহৰ দৰে সূৰ্য্যৰ পোহৰ আৰু আকাশৰ স্বচ্ছতাৰ ওপৰত নিৰ্ভৰশীল নহয়, নিছাৰে সকলো পৰিস্থিতিত সকলো সময়তে কাম কৰে। ডাৱৰ, আন্ধাৰ, ধোঁৱা আৰু বৰষুণৰ মাজেৰেও নিছাৰে চাব পাৰে—এনে পৰিস্থিতিত সাধাৰণ আলোকীয় কেমেৰা অসাৰ হৈ পৰে। ই প্ৰতি ১২ দিনৰ মূৰে মূৰে পৃথিৱীৰ প্ৰায় সমগ্ৰ ভূমি আৰু বৰফৰ পৃষ্ঠভাগৰ পৰ্য্যবেক্ষণ কৰিব। ভাৰত চৰকাৰ তথা ইছৰোৱে মুক্ত তথ্যনীতিৰ আধাৰত নিছাৰৰ পৰা লাভ কৰা সমগ্ৰ তথ্য ২ দিনৰ ভিতৰত বিশ্বজুৰি গৱেষক আৰু চৰকাৰৰ বাবে বিনামূলীয়াকৈ উপলব্ধ কৰাৰ ব্যৱস্থা কৰিছে। দুৰ্য্যোগৰ সময়ত এনে তথ্যৰ যোগান আৰু অধিক দ্ৰুত হ'ব। ই আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক সূচায়। তদুপৰি এই অভিযানে দুখন দেশৰ দুটা মহাকাশ সংস্থাই জলবায়ু পৰিবৰ্তনৰ দৰে বিশ্বজনীন প্ৰত্যাহ্বানৰ সৈতে কেনেকৈ একেলগে সহযোগিতাৰে আগ বাঢ়িব পাৰে, তাকে সূচায়।

নিছাৰ কেৱল এটা উপগ্ৰহ নহয়—ই এক বৈজ্ঞানিক আহিলা, পৰিবেশৰ ৰক্ষক আৰু সহযোগিতাৰ প্ৰতীক। ইয়াৰ উন্নত আৰু তীক্ষ্ণ দৃষ্টিয়ে আমাৰ গ্ৰহটোৰ ওপৰত অনবৰতে চকু ৰাখিব, বিপদৰ বিষয়ে আমাক সতৰ্ক কৰি দিব আৰু পৃথিৱীৰ জলবায়ু আৰু পৃষ্ঠভাগৰ জটিল ব্যৱস্থাসমূহ বুজিবলৈ সহায় কৰিব। জলবায়ুৰ অনিশ্চয়তাৰ যুগত নিছাৰৰ উৎক্ষেপণ এক বৈজ্ঞানিক মাইলৰ খুঁটিৰ লগতে এক আশাৰ বাৰ্তা হিচাপে বিবেচিত হৈছে।❖

## মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. এজন মানুহে এটা অৱস্থানৰ পৰা পূবলৈ ঘূৰি 2 কিমি. গ'ল। তাৰ পাছত তেওঁ দক্ষিণমুৱাকৈ ঘূৰি 6 কিমি. গ'ল, তাৰ পৰা আকৌ পূবমুৱাকৈ ঘূৰি 2 কিমি. গ'ল। তাৰ পৰা উত্তৰমুৱাকৈ ঘূৰি 12 কিমি. গ'ল। আৰম্ভণিৰ অৱস্থানৰ পৰা মানুহজনৰ দূৰত্ব কিমান?

   a) 7 কিমি. b) 8 কিমি. c) 7.2 কিমি. d) 7.5 কিমি.

2. তলৰ সংখ্যাবোৰত এনে কিমানটা 8 আছে, যাৰ পূৰ্বৱৰ্তী সংখ্যাটো অযুগ্ম আৰু পৰৱৰ্তী সংখ্যাটো যুগ্ম?

   7, 8, 5, 6, 7, 8, 4, 32, 1, 3, 8, 6, 4, 3, 7, 8, 4, 2, 1, 3, 8, 2, 98, 9

   a) 4 b) 3 c) 2 d) 5

3. ফটোত থকা মানুহ এজনলৈ দেখুৱাই ৰামে ক'লে—"তেওঁৰ মাক মোৰ দেউতাৰ পুতেকৰ পত্নী। মোৰ কোনো ভাই-ভনী নাই।" ফটোৰ মানুহজন ৰামৰ কি হয়?

   a) ককা b) পুত্ৰ c) ভাই d) ভতিজা

4. এজন মানুহে এটা অৱস্থানৰ পৰা দক্ষিণে 9 কিমি. গ'ল। তাৰ পৰা তেওঁ উত্তৰ দিশত 5 কিমি. গ'ল। তাৰ পাছত তেওঁ পশ্চিম দিশত 3 কিমি. গ'ল। আৰম্ভণি অৱস্থানৰ পৰা মানুহজন কিমান দূৰত আৰু কোন দিশত আছে?

   a) 4 কিমি. দক্ষিণ b) 4 কিমি. উত্তৰ c) 5 কিমি. উত্তৰ-পশ্চিম d) 5 কিমি. দক্ষিণ-পশ্চিম

5. শংকৰ আৰু গণেশে এটা অৱস্থানৰ পৰা পূব দিশত একেলগে 150 মিটাৰ গ'ল। তাৰ পৰা শংকৰে বাঁওফালে ঘূৰি 100 মিটাৰ গ'ল, গণেশে পোনে পোনে আকৌ 100 মিটাৰ গ'ল। তাৰ পাছত গণেশে সোঁফালে ঘূৰিলে আৰু শংকৰে বাঁওফালে ঘূৰিলে। শংকৰ আৰু গণেশে ক্ৰমে কোন দিশত মুখ কৰি থাকিল?

   a) পূব আৰু উত্তৰ b) পশ্চিম আৰু দক্ষিণ c) উত্তৰ আৰু দক্ষিণ d) দক্ষিণ আৰু উত্তৰ

6. ইংৰাজী বৰ্ণমালাৰ ক্ৰমত T ৰ সোঁফালে 4 নং স্থানত থকা আখৰটোৰ পৰা বাঁওফালে 11 নং স্থানত থকা আখৰটো কি?

   a) K b) O c) I d) M

7. যদি DEGI = 25, তেন্তে FEHD = ?

   a) 32 b) 25 c) 52 d) 23

উত্তৰসমূহ : 1. c 2. a 3. b 4. d 5. b 6. d 7. d

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## ষ্টিলৱেল পথ



ভাৰতৰ লিডুৰ পৰা চীনৰ কুনমিঙলৈকে থকা এটা ঐতিহাসিক পথ হ'ল ষ্টিলৱেল পথ। ১৯৪৫ চনৰ ২৮ জানুৱাৰীত এই পথটো মুকলি কৰা হয়। দ্বিতীয় মহাসমৰৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন আদি নেতৃত্বাধীন মিত্ৰশক্তিয়ে ব্ৰহ্মদেশৰ (ম্যানমাৰ) পৰা আগ্ৰাসী জাপানী সৈন্যবাহিনীক খেদি পঠিয়াবৰ বাবে দুৰ্গম পাটকাই পৰ্বতৰ মাজেদি এই পথ নিৰ্মাণ কৰে। ১৯৩৭ চনত জাপানে চীন আৰু ১৯৪২ চনত ব্ৰহ্মদেশ (ম্যানমাৰ) দখল কৰে। ১৯৪২ চনৰ অক্টʼবৰত মিত্ৰশক্তিৰ সেনা হুঁহকি আহিবলগীয়া হয়। তেতিয়াই সামৰিক উদ্দেশ্যত ভাৰতৰ পৰা চীনলৈকে এই পথটো ভালদৰে নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰা হয়। পথটো নিৰ্মাণৰ বাবে লৰ্ড ৱাভেল (Lord Wavel) আৰু জেনেৰেল যোছেফ ষ্টিলৱেলে (Joseph Stilwell, ১৮৮৩-১৯৪৬) এক আঁচনি প্ৰস্তুত কৰে। এই পথ নিৰ্মাণৰ ক্ষেত্ৰত জেনেৰেল ষ্টিলৱেল ওতপ্ৰোতভাৱে জড়িত আছিল। প্ৰথমে বাৰ্মা ৰোড বা লিডু ৰোড (ভাৰতৰ পৰা চীনৰ লগতে ব্ৰহ্মদেশ বা বাৰ্মালৈ যাবলৈও ইয়েই আটাইতকৈ চুটি পথ) নাম পালেও পাছলৈ এই পথটো ষ্টিলৱেলৰ নামেৰে ষ্টিলৱেল পথ বুলি বিখ্যাত হৈ পৰে। এই প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা জাহাজ আৰু ৰেলগাড়ীৰে লিডুলৈ অনা হৈছিল। এই পথটোৰ দৈৰ্ঘ্য প্ৰায় ১,৭২৬ কিলʼমিটাৰ (১,০৭৯ মাইল) আৰু ইয়াত সৰু-ডাঙৰ ১৬৫খনমান দলং আছে। প্ৰতিকূল বতৰ, মেলেৰিয়া আদি ৰোগৰ প্ৰাদুৰ্ভাৱ, দুৰ্গম অঞ্চল আদি সমস্যাৰ বাবে ইয়াৰ নিৰ্মাণ বৰ কষ্টসাধ্য আছিল আৰু বহুসংখ্যক শ্ৰমিকৰ মৃত্যুও হৈছিল। ৰাজনৈতিক পৰিস্থিতিৰ বাবে নিৰ্মাণ শেষ হোৱাৰ কেইবছৰমানৰ পাছত এই ৰাস্তাৰে চলাচল বন্ধ হৈ থাকে। পঞ্চাছৰো বেছি বছৰ যাতায়াত নিষিদ্ধ হৈ থকাৰ পাছত ১৯৯৯ চনত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পথ হিচাপে ঘোষণা কৰি এই পথটো মুকলি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল যদিও ২০০৯ চনত ভাৰত চৰকাৰে এই পথ মুকলি কৰা নহয় বুলি ঘোষণা কৰে। এই পথটো লিডুৰ পৰা ম্যানমাৰৰ কাচিন প্ৰদেশৰ শ্বিংবিৱায়াং, মিটক্যিনা, ভামো হৈ চীনৰ কুনমিঙত লাগিছেগৈ।❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শুৱলা ভাষা

শিক্ষাৰ্থীসকল, কিছুমান শব্দ আমি প্ৰয়োজন নোহোৱাকৈ ব্যৱহাৰ কৰি থাকোঁ। তেনে কেইটামান শব্দৰ বাক্যত ব্যৱহাৰ সম্পৰ্কে জানি থওঁ আহাচোন।

১। ভুল বাক্য : মই সদায় ৰাতিপুৱা প্ৰাতঃভ্ৰমণলৈ যাওঁ।
প্ৰাতঃ শব্দৰ অৰ্থ পুৱা বা ৰাতিপুৱা। এনেক্ষেত্ৰত ৰাতিপুৱা প্ৰাতঃভ্ৰমণলৈ যাওঁ বোলা কথাটো ভুল। শুদ্ধ বাক্যটো হ'ব : মই সদায় প্ৰাতঃভ্ৰমণলৈ যাওঁ।

২। ভুল বাক্য : যিকোনো কামত সফলতা লাভ কৰিবলৈ হ'লে নিজৰ ওপৰত আত্মবিশ্বাস থকাটো প্ৰয়োজন।
আত্মবিশ্বাস শব্দৰ অৰ্থ হৈছে নিজৰ ওপৰত থকা বিশ্বাস। এনেক্ষেত্ৰত শুদ্ধ ৰূপটো হ'ব— যিকোনো কামত সফলতা লাভ কৰিবলৈ হ'লে আত্মবিশ্বাস থকাটো প্ৰয়োজন।

৩। ভুল বাক্য : এপযেকৰ মূৰত মানুহজন ঘৰলৈ ঘূৰি আহিল।
পযেক (পষ + এক) মানে এটা পক্ষ অৰ্থাৎ পোন্ধৰ দিন। পযেক শব্দটোত এক শব্দটো সোমাই আছে। গতিকে এপযেক বুলি কোৱাটো উচিত নহয়।
শুদ্ধ ৰূপটো হ'ব : পযেকৰ মূৰত মানুহজন উভতি আহিল। ❖

## মহাভাৰতৰ স্ৰষ্টা ব্যাসদেৱ

মহাভাৰতৰ ৰচয়িতা হিচাপে ব্যাসদেৱৰ নাম আমি শুনি আহিছোঁ। তেওঁৰ সম্পূৰ্ণ নাম কৃষ্ণ দ্বৈপায়ন ব্যাস। দেহৰ বৰণ ক'লা (কৃষ্ণ) হোৱাৰ বাবে আৰু দ্বীপত জন্ম হোৱা বাবে তেওঁৰ নাম কৃষ্ণ দ্বৈপায়ন হয়। মহাভাৰতৰ উপৰি ওঠৰ পুৰাণ, বেদান্ত আৰু অনেক উপপুৰাণ তেওঁ ৰচনা কৰা বুলি জনা যায়। ব্যাসৰ বৰতে সঞ্জয়ে দূৰদৰ্শন ক্ষমতা লাভ কৰি কুৰুক্ষেত্ৰ যুদ্ধৰ সকলো কথা ধৃতৰাষ্ট্ৰক কৈ আছিল। ব্যাসক অলৌকিক শক্তিসম্পন্ন সৰ্বজ্ঞানী পুৰুষ হিচাপে জনা যায়। জনশ্ৰুতিমতে, মহাভাৰতখন ব্যাসে প্ৰথমে মনতে ৰচনা কৰিছিল। ইয়াক লিপিবদ্ধ ৰূপ দিবলৈ লিপিকাৰৰূপে তেওঁ গণেশক অনুৰোধ কৰে। গণেশে এক চৰ্ত আৰোপ কৰি ব্যাসৰ মুখৰ পৰা শুনি মহাভাৰতখন লিখি যাবলৈ মান্তি হয়। চৰ্তটো হ'ল ব্যাসে অবিৰাম শ্লোকবোৰ কৈ যাব লাগিব, যাতে গণেশে লিখাৰ বাবে ৰৈ থাকিব নালাগে। ব্যাসেও গণেশৰ ওচৰত আন এক চৰ্ত উত্থাপন কৰিলে। ব্যাসৰ মুখেৰে উচ্চাৰিত সকলো শ্লোকৰ অৰ্থ ভালদৰে বুজি লৈহে গণেশে লিখিব লাগিব। লিখি যাওঁতে ব্যাসে মাজে মাজে দুই-এটা কঠিন শ্লোক উলিয়াই দিয়ে। গণেশে তাৰ অৰ্থ উলিয়াবলৈ চিন্তা কৰিবলগীয়াত পৰে আৰু তেওঁৰ লিখাৰ কাম ৰৈ যায়। সেই সুযোগতে ব্যাসে পৰৱৰ্তী শ্লোকসমূহ যুগুত কৰি লয়। এনেদৰেই বিশাল মহাভাৰতখনৰ ৰচনা সম্পূৰ্ণ হয়।

তথ্য উৎস : শান্তনু কৌশিক বৰুৱাৰ 'সংক্ষিপ্ত অসম বুৰঞ্জী কোষ'।❖

# *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## বীৰসকল গছত নালাগে





কিতাপখনৰ নামটো শুনিবলৈ আচহুৱা—'বীৰসকল গছত নালাগে'। শুনাত আচহুৱা যেন লাগিলেও কিতাপখনৰ কাহিনীটো সুন্দৰ। আমি 'বীৰ' বুলি ভবা মানুহবোৰ যে আমাৰ মাজতেই থাকে, নিজৰ শক্তি-সামৰ্থ্যৰে কাম কৰি মানুহৰ উপকাৰ কৰে সেই কথাকে কাহিনীটোৰ মাজেৰে প্ৰকাশ পাইছে।

কিতাপখনত কেইটিমান সৰু ল'ৰাৰ কথা আছে। গৰমৰ বন্ধৰ সময়ত এইকেইটা ল'ৰাই কিন্তু দেৰিলৈকে শুই নাথাকে। যিহেতু দিনটোত বহুত খেলা-ধূলা, পঢ়া-শুনা কৰিবলগীয়া হয়, সেয়ে সিহঁতে সোনকালেই উঠি কামবোৰ আনন্দ মনেৰে কৰে। ল'ৰা-ছোৱালীকেইটা যমুনা নদীৰ পাৰত থকা ফ্লাৱাৰ ক্লক পাৰ্কলৈ প্ৰায়ে যায়। উদ্যানখনত বিবিধ ৰঙৰ ফুলেৰে সজোৱা ঘড়ী এটা আছে বাবে উদ্যানখনৰ নাম ফ্লাৱাৰ ক্লক পাৰ্ক। উদ্যানখনত সিহঁতে মন ভৰি যোৱাকৈ খেলা-ধূলা কৰে। সিহঁতৰ খেলা-ধূলাত প্ৰায়ে ব্যাঘাত জন্মায় অজয় নামৰ দুষ্ট ল'ৰাটোৱে। সি সদায় খেলবোৰ খেলি-মেলি কৰি দিয়ে। ক্ৰিকেটৰ বল-বেটেৰে চুবুৰীয়াৰ ঘৰৰ দুৱাৰ-খিৰিকী ভাঙে আৰু আন অনেক দুষ্টালি কৰে। সিও আনবোৰ ল'ৰা-ছোৱালীৰ লগত ফ্লাৱাৰ ক্লক পাৰ্কলৈ যায়। উদ্যানত খেলি থাকোঁতে এদিন ল'ৰাহঁতে কাষৰ পুখুৰীৰ পানীত কিবা এটাই ধৰফৰ কৰি থকা লক্ষ্য কৰিলে। প্ৰথম অৱস্থাত সিহঁতৰ বুকু ভয়তে কঁপি উঠিছিল যদিও ভালদৰে চাই সেয়া মুগা বৰণৰ শগুন চৰাই এটা বুলি গম পালে। শগুনটো পুখুৰীত পৰি পাৰটোৰ গইনা লৈ ঠেং আৰু পাখি দুখনৰ সহায়ত উঠিবলৈ চেষ্টা কৰি আছিল। দুষ্ট বুলি ভবা অজয়ৰ সাহসতে আটাইকেইটা ল'ৰা-ছোৱালী শগুনটোক উদ্ধাৰ কৰিবলৈ আগ বাঢ়ি আহিল। অজয়ে চৰাইটোৰ ডেউকা এখনত ধৰি পুখুৰীৰ পৰা টানি উলিয়াবলৈ চেষ্টা কৰিছিল যদিও চৰাইটোৱে দুখ পোৱাত এৰি দিবলগীয়া হ'ল। শগুনটোক বচাব নোৱাৰিব বুলি ভাবি ল'ৰা-ছোৱালীকেইটা হতাশ হ'ল। তেনেতে অজয়ে পাৰ্কখনৰ পথেৰে জগিং কৰি থকা ডেকা ল'ৰা এটাক দেখি তেওঁৰ সহায় বিচাৰিলে। ল'ৰাজনে অজয়ক পুখুৰীটোলৈ নামি গৈ বন-বাটবোৰ আঁতৰাই তলৰ পৰা শগুনটোক দাঙি দিবলৈ ক'লে, যাতে তেওঁ শগুনটোক ওপৰলৈ তুলি আনিব পাৰে। ল'ৰাজনৰ কথাত সকলোৱে ভয় খালে যদিও অজয়ে অলপো ভয় নকৰি পুখুৰীটোলৈ জাঁপ মাৰি নামি গৈ পুখুৰীৰ পৰা পদুমফুল আৰু পাতবোৰ আঁতৰাই পেলালে। সি চৰাইটোৰ কোমল দেহটো হাত দুখনেৰে ওপৰলৈ দাঙি ধৰিলে। ডাঙৰ ল'ৰাজনে শগুনটোক ওপৰলৈ তুলি আনি কোমল ঘাঁহনিডৰাৰ ওপৰত থ'লে। শগুনটোক বচাব পাৰি সকলোৰে মন আনন্দত নাচি উঠিল। অজয়ে দেখুওৱা বীৰত্ব আৰু সাহসৰ কথা সকলোৱে একেমুখে স্বীকাৰ কৰিলে।

'বীৰবোৰ গছত নালাগে' কিতাপখন ইংৰাজী ভাষাত ৰচনা কৰিছে সুধা পুৰীয়ে। অসমীয়ালৈ অনুবাদ কৰিছে দণ্ডেশ্বৰ দত্তই। কিতাপখনৰ মূল্য ৭০ টকা।❖

# ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্য



**কুচিপুড়ি** (Kuchipudi) **:** কুচিপুড়ি ভাৰতৰ আঠবিধ প্ৰধান শাস্ত্ৰীয় নৃত্যশৈলীৰ ভিতৰত অন্যতম এবিধ নৃত্য। সপ্তদশ শতিকাত অন্ধ্ৰপ্ৰদেশৰ কুচিপুড়ি নামৰ গাঁৱত এইবিধ নৃত্যকলাৰ জন্ম হয়। সিদ্ধেন্দ্ৰ যোগী নামৰ এজন নৃত্যগুৰুৱে ১৭ শতিকাত এইবিধ নৃত্যৰ আধুনিক সংস্কৰণ প্ৰতিষ্ঠা কৰিছিল আৰু পদ্ধতিগত ৰূপায়ণ কৰিছিল। কুচিপুড়ি নৃত্য যথেষ্ট পৰিমাণে কৃষ্ণমুখী বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা হিচাপে বিকশিত হৈছিল। নৃত্যগুৰু সিদ্ধেন্দ্ৰ যোগীয়ে ভগৱান শ্ৰীকৃষ্ণৰ পত্নী সত্যভামাৰ কাহিনীৰ ভিত্তিত 'ভামা কল্পনা' নামৰ এখন নৃত্য-নাটিকাত এইবিধ নৃত্যকলাৰ প্ৰয়োগ কৰে। তেওঁ কুচিপুড়ি গাঁৱৰ ব্ৰাহ্মণ পুত্ৰ সন্তানসকলক এইবিধ নৃত্যকলাৰ প্ৰশিক্ষণ দিয়ে আৰু গোলকোণ্ডাৰ নবাবৰ দৰবাৰত এই নৃত্যকলাৰ প্ৰদৰ্শন কৰে। ন-শৈলীৰ এই নৃত্য দেখি নবাব সন্তুষ্ট হয় আৰু এইবিধ নৃত্যৰ চৰ্চা আৰু সংৰক্ষণৰ বাবে তেওঁক কুচিপুড়ি গাঁওখন দান কৰে। পূৰ্বতে প্ৰধানকৈ পুৰুষসকলেহে এইবিধ নৃত্য পৰিবেশন কৰিছিল। এই নৃত্যত নৰ্তকে তাল-লয়ৰ লগত সংগতি ৰাখি মাজে মাজে গান গায় আৰু সংলাপো আওৰায়। বৰ্তমান এইবিধ নৃত্য মহিলায়ো পৰিবেশন কৰা দেখা যায়। বৰ্তমান সময়ত অতিকৈ জনপ্ৰিয় এইবিধ নৃত্যকলা একক, দ্বৈত আৰু দলগতভাৱে পৰিবেশন কৰা হয়। এইবিধ নৃত্যত নৃত্যশিল্পীগৰাকীয়ে ধুতি, উজ্জ্বল শাৰী আদি পৰিধান কৰি নৃত্য উপস্থাপন কৰে। ইয়াৰ পাছত অভিনয়ৰ প্ৰকাশভংগী আৰু ছন্দোময় হাতৰ ইংগিতেৰে কাহিনীটো উপস্থাপন কৰে। কুচিপুড়ি নৃত্যৰ লগত মৃদংগম, বীণা, বাঁহী, তাম্বুৰা ইত্যাদি বাদ্যযন্ত্ৰ সংগত কৰা হয়। এইবিধ নৃত্যৰ কেইগৰাকীমান প্ৰসিদ্ধ নৃত্যশিল্পী হ'ল—দেবান্তম, সত্যনাৰায়ণ, যামিনী কৃষ্ণমূৰ্তি, ৰাজা ৰেড্ডী, ৰাধা ৰেড্ডী ইত্যাদি। ভাৰতৰ সকলো প্ৰধান ধ্ৰুপদী নৃত্যৰ দৰে এইবিধ নৃত্যৰো আধ্যাত্মিক বিশ্বাসৰ সৈতে জড়িত ধৰ্মীয় কলা হিচাপে বিকাশ ঘটিছিল। বৰ্তমান সময়ত সমগ্ৰ ভাৰতবৰ্ষতেই কুচিপুড়ি নৃত্যৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে আৰু সমগ্ৰ বিশ্বজুৰি ইয়াক পৰিবেশন কৰা হয়। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| ৰেছম শিল্প | sericulture | সহোদৰ | sibling |
| সত্ৰ ন্যায়ালয় | session court | স্থান | site, place |
| অভিযোগ পত্ৰ | charge sheet | হুমুনিয়াহ কঢ়া | sigh |
| জোপোহা গছ, গুল্ম | shrub | সমাজবাদ | socialism |
| টোপনি, নিদ্ৰা | sleep, slumber | স্ফটিক | crystal |
| চহী | signature | উপমা | simile |
| পাপ | sin | সৌৰজগত | solar system |
| সৰু টুকুৰা | shred | কংকাল, দেহৰ জঁকা | skeleton |
| অতি তীক্ষ্ণ (শব্দৰ ক্ষেত্ৰত) | shrill | ৰেখা চিত্ৰ | sketch |
| আৱৰণ | cover | ব্যংগ নাট | skit |
| হাঁচি মৰা | sneeze | গগনচুম্বী অট্টালিকা | skyscraper |
| ক্ৰমৰ সালসলনি কৰা | shuffle | টুটকীয়া কথা, কুৎসা | slander |
| উচুপি কন্দা | sob | দাসত্ব, গোলামী | slavery |
| তাঁতশালৰ মাকো | shuttle | মিহি, নিমজ | smooth |
| লাজকুৰীয়া | shy | গৰ্জন | snarl |

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## নিশা হ'লে সাত হাল বায়, পুৱা হ'লে এহালো নাই



কিছুমান মানুহে অনেক কাম কৰাৰ পৰিকল্পনা কৰে। কিন্তু বাস্তৱত সেই কামসমূহ সম্পন্ন কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰে। নিশা হওঁতেই পাছদিনা সাতখন হাল বাম বুলি বৰ বৰ পৰিকল্পনা কৰি পুৱা এখন হাল লৈও ওলাই নগৈ শুই থাকিলে সেই পৰিকল্পনা অথলে যাব। তেনে মানুহৰ মুখৰ কথাহে আছে, কাম নাই। এনে কৰ্মবিমুখ, এলেহুৱা মানুহে জীৱনত উন্নতি কৰিব নোৱাৰে।

**প্ৰায়োগিক বাক্য** : ৰমেনে জীৱনত কিবা এটা কৰিব বুলি নাভাবিবি, সি নিশা সাত হাল বায়, পুৱা হ'লে এহালো নাই; এনেকৈ আৰু কেৱল সপোন দেখি থাকিলে কাম নিসিজিব। ❖

## গছ নোহোৰা ঠাইত এৰাই বৰগছ

এৰা এবিধ গুল্মজাতীয় গছ। ই এবিধ ঔষধি গুণসম্পন্ন গছ। অৱশ্যে ই আওকাঠী গছ। এৰা গছ বৰ বেছি ওখ-ডাঙৰ নহয়। সাধাৰণতে গছ-বন নোহোৰা ঠাইত এৰা গছজোপাই বৰগছ যেন দেখি। তেনে ঠাইত সৰু এৰা গছজোপাই বৰগছৰ ৰূপ লয়।

এই যোজনাফাকিয়ে বুজাব বিচৰা অৰ্থটো হ'ল যেতিয়া কোনো ডাঙৰ বা ভাল বস্তু উপলব্ধ নহয়, তেতিয়া সৰু বা কম যোগ্য বস্তুটোৱেই যথেষ্ট বুলি গণ্য কৰা হয়। সমাজতো এনে অনেক উদাহৰণ পোৱা যায়। যোগ্য, অভিজ্ঞ লোকৰ অভাৱত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত তুলনামূলকভাৱে কম যোগ্য মানুহো শীৰ্ষস্থানত অধিষ্ঠিত হয়।

**প্ৰায়োগিক বাক্য** : ইমান ডাঙৰ প্ৰতিষ্ঠানৰ মুৰব্বী পদ যে ৰাজেনে পাব ভাবিবই পৰা নাছিলোঁ, প্ৰতিষ্ঠানটোত দক্ষ মানুহৰ যিহে অভাৱ ঘটিছে—গছ নোহোৰা ঠাইত এৰাই বৰগছ হৈছে।❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম, আগষ্ট, ২০২৫

যশিতা গোস্বামী (ষষ্ঠ ক), যুক্তা গোস্বামী (দশম গ), ময়ূৰী তালুকদাৰ (সপ্তম ক), বৰষা শৰ্মা (পঞ্চম ঘ), প্ৰিঞ্চু কলিতা (ষষ্ঠ ঘ ), কুনাল কিশোৰ শৰ্মা (সপ্তম ঘ)। ❖

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২২৪ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 6 | 9 | 1 | 4 | 2 | 7 | 8 | 3 |
| 2 | 4 | 1 | 8 | 3 | 7 | 9 | 6 | 5 |
| 8 | 7 | 3 | 5 | 9 | 6 | 1 | 2 | 4 |
| 3 | 1 | 6 | 7 | 2 | 5 | 8 | 4 | 9 |
| 7 | 9 | 2 | 4 | 8 | 1 | 5 | 3 | 6 |
| 4 | 8 | 5 | 9 | 6 | 3 | 2 | 1 | 7 |
| 6 | 5 | 7 | 3 | 1 | 8 | 4 | 9 | 2 |
| 1 | 3 | 4 | 2 | 5 | 9 | 6 | 7 | 8 |
| 9 | 2 | 8 | 6 | 7 | 4 | 3 | 5 | 1 |

### চুড'কু ২২৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | 4 | | 8 | 3 | | |
| | 2 | 9 | | | | 1 | | |
| | | | | | 7 | | | |
| | | | | 6 | | | | 2 |
| 8 | | | | | | | 7 | |
| | | | | 9 | | | | |
| | | | | | 3 | | 8 | |
| | | 6 | | | | | | |
| | 1 | 2 | | | | | | |

## তোমালোকে জানানে?

# দীঘলী পুখুৰী



গুৱাহাটীত থকা দীঘলী পুখুৰী সম্ভৱতঃ অসমৰ প্ৰাচীনতম পুখুৰী। কনকলাল বৰুৱাৰ 'আৰ্লি হিষ্টৰী অব্ কামৰূপ' (Early History of Kamrup) গ্ৰন্থৰ উল্লেখেৰে কুমুদেশ্বৰ হাজৰিকাই তেওঁৰ 'ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটী' শীৰ্ষক গ্ৰন্থত এনেদৰে লিখিছে, "প্ৰবাদমতে এই পুখুৰী মহাভাৰতৰ দিনৰে। এই পুখুৰীতে পানীৰ মাজত চাং পাতি ভগদত্ত ৰজাই তেওঁৰ জীয়াৰী ভানুমতীৰ সয়ম্বৰত ধনুখেলৰ প্ৰতিযোগিতা পাতিছিল। চাংখনৰ দাঁতিতে পানীৰ মাজত বাঁহ এডাল পুতি ইয়াৰ মূৰত মাছ এটা ওলমাই থৈছিল। পুখুৰীৰ পানীত মাছৰ প্ৰতিবিম্বটো লক্ষ্য কৰি ইয়াৰ চকুটো শৰবিদ্ধ কৰাৰ চৰ্ত আৰোপ কৰা হৈছিল। ধনুবিদ্যাত পাৰ্গত কৰ্ণ এই প্ৰতিযোগিতাত জয়ী হয়। ৰজা ভগদত্তই ভানুমতীক কৰ্ণলৈ বিয়া দিবলৈ ঠিক কৰিছিল যদিও কৰ্ণই তেওঁৰ পৰম মিত্ৰ দুৰ্য্যোধনকহে ভানুমতীক অৰ্পণ কৰে।


কোনো কোনো ইতিহাসবিদৰ মতে দীঘলী পুখুৰী দৰাচলতে এটা পুখুৰী নাছিল; ই আছিল এটা পোতাশ্ৰয়হে। উত্তৰ-দক্ষিণ পাৰ বান্ধি পাছত তাক পুখুৰীৰ ৰূপ দিয়া হয়। বৰ্তমান দীঘলী পুখুৰীটোৰ আকাৰ ইংৰাজ অহাৰ পাছৰ। ইয়াৰ আগতে পুখুৰীটো ব্ৰহ্মপুত্ৰৰ লগত সংযুক্ত আছিল বুলি জনা যায়। ইংৰাজসকলেই দীঘলী পুখুৰীৰ উত্তৰ পাৰটো সম্পূৰ্ণৰূপে পুতি তাত উচ্চ ন্যায়ালয়, আৱৰ্ত ভৱন, উচ্চপদস্থ চৰকাৰী বিষয়াৰ বাসভৱন আদি নিৰ্মাণ কৰে। এইটো পুখুৰীৰ পাৰতে কটন কলেজ, সন্দিকৈ কলেজ, ৰবীন্দ্ৰ ভৱন, জিলা পুথিভঁৰাল আদি অসমৰ কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠান অৱস্থিত। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'*

# Lord of the Flies

■ Pallavi Dutta

*(Contd. from August issue)*




As days pass on the island, the boys' attempts at maintaining order grow weaker, and a new source of tension emerges. It is the rising emotion of fear. The younger children, referred to as the littluns, begin experiencing nightmares, claiming that they have seen frightening creatures moving through the jungle at night. At first, the older boys scoff at the idea. They suggest the littluns are simply scared of the dark, or that they are imagining shadows among the trees. But slowly, the rumour of a terrifying "beast" begins to take hold of the entire group's imagination. The boys, despite their initial scepticism, start to wonder if there might be some truth to these fears.

Ralph tries to downplay the rumours and insists there is no such thing as monsters, reminding the boys that their focus must remain on survival tasks—keeping the signal fire lit and building shelters. Piggy, who clings to rational thought and scientific reasoning, firmly declares that fear is only in their minds. However, Piggy's words, though logical, carry little weight with the others, who continue to mock him. The fear of the beast, though irrational, becomes more powerful than Ralph's rules or Piggy's explanations. The boys begin to believe in a creature they cannot see but can vividly imagine.

Taking advantage of the situation, Jack exploits this fear to undermine Ralph's leadership. Unlike Ralph, who promotes responsibility and rescue, Jack appeals to instinct. He promises that he and his hunters will kill the beast if it exists, portraying himself as the group's protector. Jack's boldness excites the boys, who are drawn to his confidence and energy. He accuses Ralph of being weak, more concerned with rules than action, and this public challenge deepens the rift between the two. The boys now find themselves torn between Ralph's steady but unglamorous vision of order and Jack's thrilling promise of strength, violence, and freedom.

The growing tension escalates when a dead parachutist, a casualty from the outside war, drifts down onto the island and becomes entangled in branches on the mountain. By day, the body is still, but at night the wind makes it rise and fall as if alive. When Samneric (the twins) go to tend the signal fire one night, they catch sight of the moving figure. Believing it to be the beast, they flee in terror and report what they saw. Their story electrifies the group—now, the beast is no longer a rumour but a "real" presence. The boys are gripped by panic and uncertainty.❖

*Contd.*

## Did You Know

# Hanami, the flower festival of Japan

■ **Madhusmita Devi**



Hanami, in English means 'flower viewing'. More than just public picnics under blossoming trees, Hanami represents a deep-seated appreciation for the floating beauty of nature. It is a theme resonating through the heart of Japanese culture. It is a cherished Japanese tradition that celebrates the arrival of spring and the breathtaking beauty of cherry blossoms, or 'sakura'. It's a time for the people to mix up with friends and family members, have picnics, and enjoy traditional food under the blooming trees. The short lifespan of the cherry blossoms serves as a profound reminder of the impermanence of life and the beauty of nature, symbollically. People gather in parks and gardens to celebrate, often enjoying traditional foods like bento boxes and hanami dango, and sometimes observing the beautiful blossoms lit up at night. Hanami dates back to the Nara period (710-794) and initially involved offering prayers to the trees for a good harvest. Over time, the focus shifted from religious rituals to the peaceful appreciation of the flowers' beauty, becoming a widely celebrated cultural tradition. Bloom time vary by region; Okinawa starts in late January, while northern Hokkaido's blossoms appear by early May. Some locations illuminate the cherry blossoms at night, creating a magical atmosphere.❖

# History of Teddy Bear

During the Spanish. - American war of 1898, Theodore Roosevelt (1858-1919) commanded cavalry force known as the 'rough-riders.' He was the President of the United States from 1901 to 1909. One day, he was out in the wild, hunting bears– when he came across a little bear cub and because it was so small and cuddly, he could not kill it but let it wander off. An American newspaper heard the story and published a cartoon showing Theodore Roosevelt with the little animal. Sometime later, a toy maker wrote to the President asking for permission to make a soft, cuddly toy bear and name it after him. As Theodore Roosevelt's nick name was 'Teddy' Roosevelt, the toy maker wanted to call his toy a' Teddy' bear. Ever since, one of the favourite toys of young children everywhere has been a teddy bear.❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, আগষ্ট, ২০২৫

১। দাদাভাই নৌৰজী  ২। দিব্যা দেশমুখ। দবাত গ্ৰেণ্ডমাষ্টাৰ খিতাপ দখল কৰা চতুৰ্থগৰাকী ভাৰতীয় মহিলা।
৩। চি এন ৰাও  ৪। ছাৰে জাহা চে আচ্ছা  ৫। ডাকৰৰ্থ-লিৰিছ পদ্ধতিৰ। ❖

# মহাৰাণা প্ৰতাপ সিং

■ ৰুণিমা শৰ্মা



পুৰণি কালত (৫৬৬ চন) গুহিলা নামৰ এক ৰাজবংশই বৰ্তমানৰ ৰাজস্থানৰ দক্ষিণ-পশ্চিম অঞ্চলত মেৱাৰ নামেৰে এখন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। গুহিলাসকলৰ পাছত ছিছ'ডিয়া ৰাজবংশই মেৱাৰ শাসন কৰিছিল। এই ছিছ'ডিয়া বংশৰ এজন ৰজা আছিল প্ৰতাপ সিং। ১৫৪০ খৃষ্টাব্দৰ ৯ মে'ত জন্মগ্ৰহণ কৰা এইগৰাকী সাহসী বীৰে ১৫৭২ খৃষ্টাব্দৰ পৰা ১৫৯৭ খৃষ্টাব্দলৈ মেৱাৰ ৰাজ্য শাসন কৰিছিল। নিজৰ সাহসিকতা, বীৰত্ব আৰু ত্যাগ আদিৰ বাবে ভাৰতৰ ইতিহাসত তেওঁৰ নাম জিলিকি আছে। হলদিঘাটৰ যুদ্ধ আৰু দেৱাইৰ যুদ্ধকে ধৰি মোগল সম্ৰাট আকবৰৰ সম্প্ৰসাৰণ নীতিৰ বিৰুদ্ধে নেতৃত্ব দিয়াৰ বাবে তেওঁ বিশেষভাৱে জনাজাত আছিল।

মেৱাৰৰ ৰাণা (ৰজা) দ্বিতীয় উদয় সিংহ আৰু জয়ন্তা বাইৰ ঘৰত জন্মগ্ৰহণ কৰা প্ৰতাপ সিঙে পিতৃৰ মৃত্যুৰ পাছত সিংহাসনত আৰোহণ কৰিছিল। ৰাজপুত বংশৰ মেৱাৰৰ ৫৪ সংখ্যক শাসক হিচাপে তেওঁ সিংহাসনত আৰোহণ কৰিছিল। নিজৰ ৰাজত্বকালত মহাৰাণা প্ৰতাপ সিঙে মোগল সাম্ৰাজ্যৰ সৈতে মিত্ৰতা কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু মোগল আধিপত্যৰ বিৰোধিতা কৰিছিল। ইয়াৰ ফলস্বৰূপেই প্ৰতাপ সিং আৰু আকবৰৰ মাজত সংঘাতৰ আৰম্ভণি হয় আৰু দুয়োপক্ষৰ মাজত সংঘটিত হয় হলদিঘাটৰ যুদ্ধ। আকবৰে তেওঁৰ অধীনস্থ হ'বলৈ কৰা অনুৰোধ প্ৰতাপ সিঙে অস্বীকাৰ কৰিছিল আৰু এই সমস্যা ক্ৰমান্বয়ে বৃদ্ধি হৈ যুদ্ধ অনিবাৰ্য্য হৈ পৰিছিল। প্ৰতাপ সিং আৰু মোগলৰ সৈন্যবাহিনী ১৫৭৬ চনৰ ২৮ জুনত ৰাজস্থানৰ হলদিঘাটত মুখামুখি হয় আৰু দুয়োপক্ষৰ মাজত যুদ্ধ হয়। প্ৰতাপ সিঙৰ ৩০০০ অশ্বাৰোহী আৰু ৪০০ ধনুৰ্বিদৰ বিপৰীতে মোগলৰ প্ৰায় ১০,০০০ সৈন্যবাহিনী আছিল। প্ৰায় তিনি ঘণ্টা ধৰি চলা যুদ্ধৰ অন্তত প্ৰতাপ সিং আহত হৈছিল আৰু পলাই যাবলৈ বাধ্য হৈছিল। মোগলসকলে এই যুদ্ধত বিজয়ী হৈ মেৱাৰ বাহিনীৰ যথেষ্ট ক্ষতিসাধন কৰিছিল যদিও মহাৰাণা প্ৰতাপক অধীন কৰাত ব্যৰ্থ হৈছিল। কিন্তু এই যুদ্ধৰ পাছতেই মোগলে ক্ৰমান্বয়ে ৰাজস্থানৰ বিভিন্ন অঞ্চল নিজৰ অধীনলৈ আনে। মোগলসকলে মেৱাৰতো নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। কিন্তু ১৫৭৯ চনৰ পাছত মেৱাৰত মোগলসকলৰ শক্তি কমিবলৈ ধৰে, ইয়াৰ প্ৰধান কাৰণ আছিল বিহাৰ আৰু বংগৰ বিদ্ৰোহ। মোগলৰ দুৰ্বলতাৰ সুযোগ লৈ প্ৰতাপ সিঙে মেৱাৰৰ এক বৃহৎ অংশ উদ্ধাৰ কৰে। মেৱাৰৰ পৰা গুচি যোৱা বহুতো নাগৰিকক ওভতাই লৈ আনি ৰাজ্যত পুনৰ সংস্থাপিত কৰি মেৱাৰৰ সৰ্বাংগীণ উন্নতিত মনোনিবেশ কৰে।

১৫৯৭ চনৰ ১৯ জানুৱাৰী তাৰিখে ৫৬ বছৰ বয়সত দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈ মহাৰাণা প্ৰতাপ সিঙৰ মৃত্যু হয়। মৃত্যুৰ সময়ত প্ৰতাপ সিঙে নিজৰ পুত্ৰক কেতিয়াও মোগলৰ বশবৰ্তী নহ'বলৈ আৰু চিত্তোৰ প্ৰদেশ মোগলৰ হাতৰ পৰা ঘূৰাই আনিবলৈ অনুৰোধ জনাইছিল।

প্ৰতাপ সিঙে তেওঁৰ শাসনকালত ৰাজ্যৰ অৰ্থনৈতিক উন্নতি আৰু কৃষিৰ উৎপাদন বৃদ্ধিৰ ওপৰত বিশেষ মনোযোগ দিছিল। তেওঁ সাহিত্য-সংস্কৃতিৰো পৃষ্ঠপোষকতা কৰিছিল। ভাৰতৰ ৰাজনৈতিক ইতিহাসত এগৰাকী প্ৰচণ্ড সাহসী, স্বাধীনতাপ্ৰিয় ভাৰতীয় বীৰ হিচাপে মহাৰাণা প্ৰতাপ সিং চিৰদিন অমৰ হৈ থাকিব।❖

# কামাখ্যা মন্দিৰ

■ অভিজিত চক্ৰৱৰ্তী



সমগ্ৰ ভাৰতবৰ্ষতে শক্তিপীঠ তথা তীৰ্থস্থান বুলি ক'লে মনলৈ অহা শক্তিধামবোৰৰ ভিতৰত অসমৰ গুৱাহাটীস্থিত কামাখ্যা মন্দিৰ অন্যতম। কামাখ্যা মন্দিৰ অসমৰ ৰাজধানী গুৱাহাটী চহৰৰ দক্ষিণ-পশ্চিম দিশত থকা নীলাচল পাহাৰৰ ওপৰত অৱস্থিত।

কামাখ্যাপীঠৰ উৎপত্তি সম্পৰ্কে সৰ্বজনবিদিত মত অনুসৰি দক্ষ যেতিয়া প্ৰজাপতি আছিল, সেই সময়ত তেওঁৰ আবাস হৰিদ্বাৰৰ ওচৰৰ কনখলত আছিল বুলি কোৱা হয়। এদিনাখন শিৱ গৈ স্বৰ্গৰ দেৱ সভাত উপস্থিত হ'ল। এনেতে দক্ষ প্ৰজাপতিও সভাত উপস্থিত হওঁতে দেৱতাসকলে থিয় হৈ সন্মান জনালে। শিৱ কিন্তু নীৰৱে বহি থাকিল। এই কাৰ্য্যত দক্ষ ৰজাই বৰ অপমানবোধ কৰিলে। জোঁৱায়েকৰ এই ব্যৱহাৰৰ পোতক তুলিবলৈ দক্ষই এক বিৰাট শিৱহীন যজ্ঞ পাতি সকলো দেৱতাকে তালৈ নিমন্ত্ৰণ জনালে কিন্তু শিৱক নামাতিলে।

দেৱৰ্ষি নাৰদৰ মুখে পিতৃগৃহত হোৱা যজ্ঞৰ কথা শুনি শিৱ-পত্নী সতী পিতৃগৃহলৈ যাবলৈ বিচাৰিছিল; কিন্তু শিৱই তেওঁক পিতৃগৃহলৈ যাবলৈ বাধা দিলে। সতীয়ে তেওঁৰ বাধা নামানি পিতৃগৃহলৈ গ'ল। কিন্তু পিতৃগৃহত মহাসতীয়ে সন্মুখীন হ'ল স্বামী নিন্দাৰ অৰ্থাৎ শিৱ নিন্দাৰ। নিজৰ স্বামীৰ নিন্দা নিজ কাণে শুনি সতীয়ে লাজ-অপমানত যজ্ঞভূমিতেই অগ্নিক আহ্বান কৰি দেহত্যাগ কৰে। সতীৰ দেহত্যাগৰ কথা শিৱই গম পাই ৰুদ্ৰ ৰূপ ধাৰণ কৰি দক্ষ ৰজাৰ যজ্ঞস্থলীত উপস্থিত হৈ দক্ষৰ যজ্ঞ তচনচ কৰিলে। যজ্ঞভূমিত পৰি ৰোৱা ভাৰ্য্যা সতীৰ শৱদেহ কান্ধত তুলি লৈ ত্ৰিভুৱন ভ্ৰমণ কৰিবলৈ ধৰিলে। শিৱ শক্তিৰ এই অৱস্থাই সৃষ্টিনাশৰ উপক্ৰম হোৱাত বিষ্ণুৱে তেওঁৰ সুদৰ্শন চক্ৰৰে খণ্ড খণ্ড কৰি সতীৰ শৱদেহ কাটি পেলাবলৈ ধৰিলে। সতীৰ শৱদেহ মুঠ একাৱন্নটা খণ্ড হৈ তিব্বতৰ পৰা শ্ৰীলংকা আৰু কামৰূপৰ (অসম) পৰা গুজৰাটলৈ ভিন ভিন ঠাইত পৰিল। কামৰূপৰ নীলাচল পাহাৰত সতীৰ যোনিমণ্ডল পতিত হৈ নাম হ'ল কুব্জিকাপীঠ। যোনিমণ্ডল পতিত হৈ নীল বৰণ ধাৰণ কৰা বাবে এই পাহাৰৰ নাম হয় নীলাচল। এয়াই মা কামাখ্যাধাম বা মন্দিৰ।

বৰ্তমান কামৰূপৰ নাম তেতিয়া আছিল প্ৰাগজ্যোতিষ। এই প্ৰাগজ্যোতিষ ৰাজ্যৰ ৰজা নৰকাসুৰে কামাখ্যা মন্দিৰলৈ যোৱা পথ সুগম কৰিছিল। যাক আমি মেখেলা উজোৱা পথ বুলি জানো। নৰকাসুৰে মা কামাখ্যাক সন্তুষ্ট কৰিবলৈ এই পথভাগ নিৰ্মাণ কৰিছিল। ১৯৫৮ চনত মন্দিৰলৈ মটৰ গাড়ী যোৱা পথটো নিৰ্মাণ কৰা হয়। কালাপাহাৰে ভাঙি থৈ যোৱা কামাখ্যা মন্দিৰ মহাৰাজ নৰনাৰায়ণে পুনৰ নিৰ্মাণ কৰে। কামাখ্যা মন্দিৰৰ উত্তৰফালে প্ৰাচীন সৌভাগ্য কুণ্ড। কামাখ্যা মন্দিৰলৈ অহা যাত্ৰীসকলে এই পুখুৰীত স্নান কৰি পাৰতে থকা গণেশ ভগৱানক সেৱা কৰি মূল মন্দিৰভাগ দৰ্শন কৰে। নীলাচল পাহাৰত আই কামাখ্যাৰ লগতে বন দুৰ্গা, বগলা, ভুবনেশ্বৰী, বৈষ্ণৱী দেৱীৰ মন্দিৰৰ লগতে নীলাচল পাহাৰৰ দাঁতিত ব্ৰহ্মপুত্ৰ নদীৰ কাষত এটি গুহাৰ ভিতৰত শিৱ মন্দিৰো আছে।

মা কামাখ্যাধামত বিভিন্ন উৎসৱ-পাৰ্বণ যথাবিহিত নীতি-নিয়মেৰে পালন কৰা হয়। ইয়াৰে ভিতৰত কামেশ্বৰ-কামেশ্বৰীৰ বিবাহ উৎসৱ, নৱৰাত্ৰি, মনসা পূজা, অম্বুবাচী আদি। আহাৰ মাহত অনুষ্ঠিত এই অম্বুবাচী মেলা আমতি নামেৰেও জনাজাত। ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে দেশ-বিদেশৰ বহু ভক্তই এই অম্বুবাচী মেলাত দেৱী কামাখ্যাৰ কৃপা বিচাৰি নীলাচল পাহাৰত ভিৰ কৰেহি।❖

## কুইজ

■ দীপাংকৰ কৌশিক

১। ‘জোনাক ৰাতি’—এখন অসমাপ্ত নাটক। কোনগৰাকী প্ৰসিদ্ধ অসমীয়া ব্যক্তিয়ে ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে লিখা এইখন আছিল অন্তিমখন নাটক?

২। টেষ্টত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমজন ভাৰতীয় ক্ৰিকেটাৰ আছিল বিজয় হাজাৰে (১৯৫১)। শেহতীয়াগৰাকী হৈছে শুভমন গীল (২০২৫)। কৃতিত্বটো কি?

৩। ‘গন্ধৰ্ব’ —এই ছদ্মনামেৰে এগৰাকী বিশিষ্ট অসমীয়াই ‘পাৰঘাট’ নামৰ চলচ্চিত্ৰখনৰ সংগীত পৰিচালনা কৰিছিল। কোন বাৰু তেওঁ?

৪। ১৯৯৮ চনত অষ্ট্ৰেলিয়াক ক্ৰিকেটৰ ফাইনেলত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই কোনখন ক্ৰীড়া সমাৰোহত স্বৰ্ণ পদক লাভ কৰিছিল?

৫। চিনেমাস্ক’প পদ্ধতিৰে নিৰ্মাণ কৰা প্ৰথমখন অসমীয়া চলচ্চিত্ৰ কি?

৬। ‘মঞ্চলেখা’ যদি অতুল চন্দ্ৰ হাজৰিকাৰ বাবে আৰু ‘মহাৰথী’ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ বাবে হয় তেন্তে ‘সোণালী জাহাজ’ কাৰ বাবে হ’ব?

৭। নিলয় দত্ত আৰু সুৰেন ৰাম ফুকন — অসমৰ ক্ৰিকেট ইতিহাসত এই দুগৰাকী ব্যক্তিয়ে বিশেষ স্থান অধিকাৰ কৰি আছে। কি ক্ষেত্ৰত বাৰু?

৮। ১৭৭৩ চনত প্ৰতিষ্ঠা হোৱা গৱৰ্ণৰ্ছ ট্ৰুপছ অৱ মোগলছক বৰ্তমান কি নামেৰে জনা যায়?

৯। কোনবিধ শীতল পানীয়ৰ নামটো আহিছে স্পেনিছ ভাষাত ‘amazing’ বুজোৱা শব্দৰ পৰা?

১০। কি ক্ষেত্ৰত প্ৰথমগৰাকী আছিল পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱা। দ্বিতীয়গৰাকী আব্দুল মজিদ আৰু তৃতীয়গৰাকী আছিল তৰুণৰাম ফুকন?

১১। গীতিকবিয়ে পৰিচালনা কৰা একমাত্ৰ অসমীয়া চলচ্চিত্ৰখন কি?

১২। উইলিয়াম ছিডনী প’ৰ্টাৰ নামৰ লেখকগৰাকী আমাৰ মাজত তেওঁৰ ছদ্মনামটোৰেহে জনপ্ৰিয়। কোন বাৰু?

১৩। কোনগৰাকী বিখ্যাত ভাৰতীয়ৰ সমাধিক্ষেত্ৰ হৈছে অভয়ঘাট?

১৪। ১৯৫৯ চনৰ পৰা নেছনেল একাডেমি অৱ ৰেকৰ্ডিং আৰ্টছ্ এণ্ড ছায়েন্সেজে কোনটো বঁটা প্ৰদান কৰি আহিছে?

১৫। টেষ্ট ক্ৰিকেটত এই পৰ্যন্ত বব হলাণ্ড, অজিত আগাৰকাৰ আৰু মহম্মদ আছিফে ‘অলিম্পিক’ সম্পূৰ্ণ কৰিছে। ক্ৰিকেটত এই ‘অলিম্পিক’ মানে কি বাৰু?

চিত্ৰ সংকেত:

১৬। কোন বাৰু এইগৰাকী ভাৰতীয় দবা খেলুৱৈ?



## তোমালোকৰ বাবে প্ৰশ্ন, ছেপ্টেম্বৰ, ২০২৫

১। ন’বেল বঁটা আৰু ভাৰত ৰত্ন — এই দুয়োটা সন্মান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় কোন বাৰু?

২। ক্ৰিকেটত ‘নেলছন’ বুলি ক’লে আমি ১১১ ক বুজোঁ। ‘ডেভিলছ নাম্বাৰ’ বুলি ক’লে কি বুজিম বাৰু?

৩। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সম্পাদনা কৰিছিল অসমৰ প্ৰথমখন আৰ্ট জাৰ্নালৰ। কি আছিল নামটো?

৪। হিন্দু শাস্ত্ৰমতে সৰস্বতী দেৱীৰ চাৰিখন হাতে কিহক প্ৰতিনিধিত্ব কৰা বুলি কোৱা হয়?

৫। কোনটো বিখ্যাত গাড়ী নিৰ্মাণ কোম্পানীৰ নামটো আহিছে কোৰিয়ান ভাষাত ‘আধুনিকতা’ বা ‘আধুনিক যুগ’ বুজোৱা শব্দৰ পৰা? ❖

# কৃষ্ণা নদী

■ পৰিণীতা চেতিয়া



কৃষ্ণা নদী ভাৰতৰ এখন অন্যতম প্ৰধান নদী। ই ভাৰতৰ দক্ষিণ অংশত অৱস্থিত। এই নদীখন পশ্চিমঘাট পৰ্বতমালাত থকা মহাবালেশ্বৰ পৰ্বতৰ পৰা উৎপত্তি হৈ বংগোপসাগৰত পৰিছে। কৃষ্ণা নদীখন মূলতঃ মহাৰাষ্ট্ৰ, কৰ্ণাটক, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ মাজেৰে বৈ গৈছে। গতিকে এই ৰাজ্যবোৰৰ বাবে কৃষ্ণা নদীখন জলসম্পদৰ এক প্ৰধান উৎস হিচাপে পৰিগণিত হৈছে। নদীখনৰ দৈৰ্ঘ্য প্ৰায় ১,৪০০ কিল'মিটাৰ।

কৃষ্ণা নদীৰ বহুকেইখন উপনদী আছে। যেনে— তুংগভদ্ৰা, কোয়না, ঘটপ্ৰভা, মালপ্ৰভা, ভীমা আদি। এই নদীখনে দক্ষিণ ভাৰতৰ বহুতো অঞ্চলৰ কৃষিকাৰ্য্যৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কৃষ্ণা নদী উপত্যকা অঞ্চলটোৰ মাটিভাগ অতি উৰ্বৰ। সেয়ে ইয়াত ধান, গম, মাকৈ আদিকে ধৰি আন বহুতো শস্যৰ খেতি ভাল হয়।

কৃষ্ণা নদী দক্ষিণ ভাৰতৰ বিস্তীৰ্ণ এলেকাৰ বাবে জলসিঞ্চন ব্যৱস্থাৰ মুখ্য আধাৰ। এই নদীৰ পানী ব্যৱহাৰ কৰি লাখ লাখ কৃষকে বিভিন্ন ধৰণৰ শস্যৰ খেতি কৰে। উৰ্বৰা মাটিৰে পৰিপূৰ্ণ বাবে এই নদীৰ উপত্যকা অঞ্চলবোৰত বৰ্ষাকালত প্ৰচুৰ পৰিমাণে শস্য উৎপাদন হয়। কৃষ্ণা নদী ভাৰতৰ দক্ষিণ অংশৰ কোটি কোটি লোকৰ বাবে ব্যৱহাৰযোগ্য পানীৰ প্ৰধান উৎস। ঘৰুৱা কাম-কাজ, শিল্প আৰু আন আৱশ্যকীয় কাম-কাজৰ বাবে কৃষ্ণা নদীৰ পানী ব্যৱহাৰ কৰা হয়।

কৃষ্ণা নদীৰ পৰা উৎপাদন কৰা বিদ্যুতৰ ফলত গ্ৰাম্য অঞ্চলৰ উন্নয়ন আৰু আধুনিকতাৰ বিকাশত সহায় হৈছে। কৃষ্ণা নদীত নিৰ্মাণ কৰা বান্ধৰ ভিতৰত নাগাৰ্জুনসাগৰ বান্ধ, আলমট্টি বান্ধ আদি উল্লেখযোগ্য। ইয়াৰ লগতে নাগাৰ্জুনসাগৰ বান্ধ, কুঠাগড় জলপ্ৰপাত আদি বহুতো পৰ্য্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰস্থল। কৃষ্ণা নদীৰ পাৰৰ বনাঞ্চল, জলাশয় আৰু পক্ষী অভয়াৰণ্য বহু প্ৰজাতিৰ উদ্ভিদ আৰু জীৱৰ বাসস্থান। এই নদীৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ বছৰি বহু পৰ্য্যটকৰ আগমন ঘটে।

কৃষ্ণা নদীক হিন্দু ধৰ্মত পবিত্ৰ বুলি গণ্য কৰা হয়। বহু পুৰণি মন্দিৰ, তীৰ্থস্থান আদি এই নদীৰ পাৰতে গঢ়ি উঠিছে। বহু লোকে পবিত্ৰ কৃষ্ণা নদীত স্নান কৰিলে পুণ্য অৰ্জন কৰে বুলি বিশ্বাস কৰে। বিশেষকৈ অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাডা, কৰ্ণাটকৰ হাম্পি আৰু মহাৰাষ্ট্ৰৰ পট্টন অঞ্চলৰ তীৰসমূহত বিভিন্ন ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হয়।

ভৌগোলিক অৱস্থিতিৰ ফালৰ পৰাও কৃষ্ণা নদীৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত যদিও নদীখনে প্ৰদূষণৰ দৰে সমস্যাৰ সন্মুখীন হৈছে, তথাপি ই দক্ষিণ ভাৰতৰ জনজীৱন আৰু অৰ্থনীতিৰ সৈতে বিশেষভাৱে জড়িত। কৃষ্ণা নদীৰ জলভাগৰ সুৰক্ষাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আন্তঃৰাজ্যিক পানী বিতৰণ চুক্তি আৰু নদী সংৰক্ষণ আঁচনি আদি ইয়াৰ ভিতৰত অন্যতম। কৃষ্ণা নদী কেৱল এক প্ৰাকৃতিক সম্পদেই নহয়, ই দক্ষিণ ভাৰতৰ জীৱনশৈলী, কৃষি আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এই নদীৰ সংৰক্ষণ আৰু সঠিক ব্যৱস্থাপনা দক্ষিণ ভাৰতৰ স্থায়ী উন্নয়নৰ বাবে অত্যন্ত জৰুৰী।❖

# ভ্ৰমণ : অতীতলৈ বা ভৱিষ্যতলৈ

■ অভিমন্যু শৰ্মা
অষ্টম শ্ৰেণী

আমি যদি অতীতলৈ ঘূৰি যাব পাৰিলোঁহেঁতেন ! এই প্ৰশ্নটোৱে কেৱল কল্পনাই নহয়, আমাৰ বৈজ্ঞানিক চিন্তা আৰু অনুভৱকো জাগ্ৰত কৰে। বহু যুগৰ আগৰে পৰা মানুহে অতীত বা ভৱিষ্যতলৈ যাত্ৰা কৰাৰ কথা কল্পনা কৰি আহিছে। কোনোবাই আগন্তুক দিনবোৰৰ জাননী পাবলৈ, আকৌ কোনোবাই অতীতৰ ভুলবোৰ শুধৰাবলৈ সময় ভ্ৰমণৰ প্ৰয়োজন অনুভৱ কৰে। সময় ভ্ৰমণৰ ধাৰণা এতিয়া বৈজ্ঞানিক আৰু সাহিত্যিক জগতৰ চৰ্চাৰ এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

'সময় ভ্ৰমণ' মানে হ'ল নিজৰ বৰ্তমান সময় এৰি অতীত বা ভৱিষ্যতৰ কোনো এক সময়ৰ মাজলৈ যাত্ৰা কৰা কাৰ্য্য। এই ধাৰণাটো এইচ জি ৱেলছৰ (HG Wells) দা টাইম মেচিন (The Time Machine) নামৰ উপন্যাসখনৰ পৰা আৰম্ভ হৈছিল। তাৰ পাছত অগণন চলচ্চিত্ৰ, যেনে—ইণ্টাৰষ্টেলাৰ (Interstellar), বেক টু দা ফিউচাৰ (Back to the Future) আদিয়ে এই ভাবনাক জনপ্ৰিয় কৰিছে। কিন্তু, ই কেৱল কল্পনা নে ইয়াক বিজ্ঞানেও সমৰ্থন কৰে?

বিজ্ঞানৰ দৃষ্টিত, সময় ভ্ৰমণ সম্পূৰ্ণৰূপে অলীক নহয়। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ বিশেষ সূত্ৰ (Special Theory of Relativity) অনুযায়ী, কোনো বস্তুৱে যদি পোহৰৰ সমান গতিবেগত গতি কৰিব পাৰে, তেন্তে সেই বস্তুৰ বাবে সময় ধীৰগতিত পাৰ হয় আৰু সেই সময়তে পৃথিৱীত বহু বছৰ পাৰ হৈ যাব পাৰে। এই ঘটনাটোক টাইম ডাইলেছন (Time Dilation) বোলে। ইয়াৰ সহজ অৰ্থটো হৈছে—যদি কোনো মহাকাশযান পোহৰতকৈ বেছি বেগত আগ বাঢ়ে, তেন্তে তাৰ ভিতৰত থকা মানুহৰ বাবে সময় বৰ মন্থৰ গতিত পাৰ হ'ব আৰু তাৰ তুলনাত পৃথিৱীত থকা মানুহৰ বাবে সময় অধিক দ্ৰুত হ'ব, ফলত মহাকাশযানখনত বহি থকা মানুহৰ অলপ সময় পৃথিৱীত কেইবাবছৰো হ'ব পাৰে। এই পদ্ধতিৰ দৰে অন্য এক পদ্ধতিৰ মাধ্যমেৰেও সময় ভ্ৰমণ সম্ভৱ বুলি বিজ্ঞানীসকলে অনুমান কৰিছে। ইয়াৰ বাবে কৃষ্ণ গহ্বৰৰ অতি কাষলৈ যাব লাগিব, য'ত পৃথিৱীৰ তুলনাত সময়ৰ গতিবেগ কম। ইয়াৰ কাৰণ হৈছে, কৃষ্ণ গহ্বৰ (black hole) এটা এনে স্থান, য'ত মহাকৰ্ষণ বল অতি বেছি। এই অধিক মহাকৰ্ষণ বলৰ বাবে তাত টাইম ডাইলেছন নামৰ পৰিঘটনাৰ প্ৰভাৱত সময় বহুত মন্থৰ গতিত গতি কৰে। ফলত যদি কোনোবাই কৃষ্ণ গহ্বৰৰ ওচৰত অলপ সময় থাকি পুনৰ পৃথিৱীলৈ উভতি আহে, তেনেহ'লে তেওঁ এক প্ৰকাৰৰ ভৱিষ্যতলৈ সময় ভ্ৰমণ কৰি অহাৰ দৰে হ'ব।

বিজ্ঞানৰ এনেবোৰ তত্ত্বই আমাৰ মনত বিভিন্ন প্ৰশ্ন উদয় কৰাৰ লগতে কৌতূহলৰো সৃষ্টি কৰে। বৰ্তমান সময়ত সময় ভ্ৰমণৰ প্ৰযুক্তি আৰু ইয়াক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বহু বাধা আছে—এক) বৰ্তমানলৈ সময়ৰ গতিবেগত ভ্ৰমণ বা গতি কৰিবলৈ আমি সক্ষম হোৱা নাই; দুই) বৰ্তমান সময়ত মানুহে কোনো কৃষ্ণ গহ্বৰৰ কাষলৈ যোৱা কথাটো সম্ভৱপৰ হৈ উঠা নাই। ইয়াৰ পৰা এইটো স্পষ্ট যে, আজিৰ যুগত সময় ভ্ৰমণ বিজ্ঞানৰ দৃষ্টিকোণেৰে এক সম্ভাৱনাৰ প্ৰশ্ন, কিন্তু এক নিশ্চিত উত্তৰ নহয়। তথাপি, বিজ্ঞানে সময় ভ্ৰমণৰ সম্ভাৱনা একেবাৰে অগ্ৰাহ্য কৰা নাই। হয়তো আগন্তুক সময়ত মানুহে সময়ৰ পৃষ্ঠাত আগ-পিছ কৰাটো বাস্তৱত পৰিণত কৰিব পাৰিব।

অতীত বা ভৱিষ্যতলৈ যাত্ৰা কৰাটো এতিয়াও আমাৰ হাতত নাই, কিন্তু আমি নিশ্চয় আমাৰ বৰ্তমানৰ সময়খিনি সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰোঁ। আজিৰ দিনটোকেই জীৱনৰ সৰ্বশ্ৰেষ্ঠ দিন হিচাপে গঢ়ি তোলাই হ'ব আমাৰ প্ৰকৃত কৰ্তব্য।❖

# ভূপেন হাজৰিকাৰ গীতত শৰৎ

■ নিষ্ঠা বৰগোহাঁই
নৱম শ্ৰেণী



ঋতু পৰিবৰ্তনৰ মায়াময় আৱেশে সকলোৰে মন-প্ৰাণত আলোড়নৰ সঞ্চাৰ কৰে। বৰ্ষাৰ পাছতেই ধৰাৰ সিক্ত ব্যথাক ধুই নি বতাহত শেৱালিৰ সুবাস, আকাশত শুকুলা মেঘৰ লুকা-ভাকু, কুঁৱলীৰ পাতল আৱৰণ, স্নিগ্ধ জোনাক আৰু নৈৰ পাৰৰ কঁহুৱাৰ শুভ্ৰ দলিচাত জাক জাক শৰালিৰ আগমনে কঢ়িয়াই আনে শৰতৰ বতৰা। অপূৰ্ব আবেদন থকা এই সমাদৃত, স্নেহসিক্ত ঋতুটিয়ে কেৱল মানুহৰ হৃদয়তে নহয়—কবি, গীতিকাৰ, শিল্পী-সাহিত্যিক সকলোকে সামৰি সৃষ্টিশীল চেতনাক ন ন সৃষ্টিৰ বাবে উদ্বুদ্ধ কৰি আহিছে।

অসমীয়া গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ অনৱদ্য গীত সম্ভাৰত হয়তো এনে কোনো বিষয় বাদ পৰা নাই যি অসমীয়া জনজীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-বিৰহ আৰু ওপজা মাটিত শিপাই থকা বান্ধোনক প্ৰতিফলিত কৰা নাই। ড° দিলীপ কুমাৰ দত্তই নিজৰ 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ' কিতাপখনৰ পাতনিত সেয়েহে লিখিছে—"তেখেতে অসমৰ আকাশে-বতাহে এনে ঢৌ তুলি আনিছে যে তেওঁৰ গীতে আলোড়িত নকৰা এখন অসমীয়া হৃদয় বিচাৰি উলিওৱা হয়তো অসম্ভৱ।"

ড° হাজৰিকাদেৱে সুজলা-সুফলা এই ওপজা মাটিৰ সৌন্দৰ্য্য-সুষমাক সমল কৰি শব্দ-সুৰৰ অপূৰ্ব সমাহাৰেৰে সৃষ্টি কৰিছে ভিন্নসুৰী বহুতো গীত। শ্যামলী অসমৰ প্ৰতিটো ঋতুকেই সুৰীয়া কৰি তোলা ড° হাজৰিকাদেৱৰ শৰৎ ঋতুৰ প্ৰতি আছিল এক বিশেষ আকৰ্ষণ। তেখেতৰ জীৱন পৰিক্ৰমাৰ ভিন্ন পৰ্য্যায়ত, ভিন্ন উপলব্ধিৰ মাজত শৰতেও ভিন্ন ৰূপত প্ৰকাশ পাইছে। কিশোৰ ভূপেন হাজৰিকাই বয়ঃসন্ধিকালৰ আবেগ আৰু উন্মাদনাৰ লহৰক বশ কৰি জীৱনৰ লক্ষ্যত মনোনিৱেশ কৰাৰ মন্ত্ৰ আৰু প্ৰেৰণাৰে ৰচিছিল—

"কঁহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাবটি
এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভতি।"

আকৌ, শৰৎ ঋতুক 'শাৰদী ৰাণী' বুলি অভিহিত কৰি এই ঋতুৰ সৌন্দৰ্য্য-সুষমাক তেখেতে এনেদৰে বান্ধিলে—

"শাৰদী ৰাণী তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতি নিশাৰ সপোন।"

অপূৰ্ব সুৰ আৰু শব্দ চয়নে এই গীতটিত আঁকি তোলা শৰৎ ঋতুৰ মনোমোহা ছবিখনে সকলোৰে মন-দাপোণত শাৰদীয় অনুভূতিবোৰ জীৱন্ত কৰি তোলে। একেদৰেই "তোমাৰ উশাহ কঁহুৱা কোমল, শেৱালি কোমল হাঁহি" গীতটিতো প্ৰেমৰ অনুভৱক শৰতৰ মাধুৰ্য্যই অধিক প্ৰাণচঞ্চল কৰি তুলিছে।

"শ্বিলঙৰে গধূলি
সপোন চহৰৰ
মৰমী শৰতৰ
সোঁৱৰণী সোণালী।"

গীতটিত শ্ৰোতাৰ কল্পনাত শ্বিলঙৰ শৰৎ আৰু শেৱালিৰ আমোলমোল গোন্ধে আমনি কৰে। 'এটুকুৰা আলসুৱা মেঘ ভাহি যায়,' 'নতুন নিমাতী নিয়ৰৰে নিশা',

'শৰতৰ শেৱালি নতুন নিয়ৰে শুভ্ৰ শুভ্ৰ কিবা ছবি আঁকে' আদি গীতত হাজৰিকাদেৱৰ শৰৎ প্ৰীতি আৰু চহকী অনুভৱৰ বৰ্ণময় প্ৰকাশ দেখিবলৈ পোৱা যায়।

ভূপেন হাজৰিকাদেৱৰ শৰৎকেন্দ্ৰিক গীতসমূহত শৰতে কেৱল এটি ঋতু নহয়, বৰঞ্চ ভিন্ন অনুভৱ আৰু ৰহণেৰে আবেদনময়ী ৰূপত আত্মপ্ৰকাশ কৰিছে। শব্দ চয়নৰ বিচিত্ৰতাই কোনোটো গীতক যদি চঞ্চলতা দিছে, তেন্তে কোনোটোত দিছে প্ৰেমৰ কোমল আৰু জীপাল অনুভৱ, অথবা কোনোটোত জীৱনবোধৰ গভীৰ উপলব্ধি। দৰাচলতে তেখেতৰ প্ৰতিটো গীতেই একোটা বাস্তৱ কাহিনী বা পটভূমিৰ কাব্যিক প্ৰকাশ। তেখেতৰ মতে এই গীতবোৰৰ ভাব আৰু সুৰ অদেখা-অদেহী যদিও বিষয়বস্তুবোৰ জীৱন্ত—যাৰ দেহা আছে, যাক দেখা পোৱা যায়। হয়তো সেইবাবেই হাজৰিকাদেৱৰ গান ইমান হৃদয়স্পৰ্শী আৰু প্ৰাণৱন্ত, সুকীয়া আৰু সুৰীয়া আৱেদনযুক্ত—যাক এবাৰলৈ হ'লেও শ্ৰোতাই গুণগুণাই নিজকে সেই অনুভূতিৰ লগত একাত্ম কৰাৰ হাবিয়াস কৰে।❖

# কিশোৰৰ বাবে যোগ অভ্যাস

**■ চতুৰ্থী শিৰম**
সপ্তম শ্ৰেণী

প্ৰাচীন কালৰ পৰাই ভাৰতত যোগৰ চৰ্চা হৈ আহিছে। পুৰণি কালত ঋষি-মুনিসকলে যোগৰ সাধনা কৰিছিল। যোগ সাধনাই মানুহৰ শৰীৰ আৰু মন ভাল কৰি ৰাখে। আধুনিক জীৱনটোত আজিকালি মানুহে যোগৰ চৰ্চা কৰি শৰীৰ সুস্থ-সবল কৰি ৰাখে। যোগ অভ্যাসৰ বলত বহু মানুহে নিজৰ বেমাৰ-আজাৰ ভাল কৰিবলৈ সক্ষম হৈছে। যোগৰ আদিগুৰু হিচাপে আদিনাথ অৰ্থাৎ মহাদেৱক জনা যায়।



সাধাৰণতে ১২ বছৰৰ পৰা ১৮ বছৰলৈ এই সময়ছোৱাক কৈশোৰ কাল বুলি কোৱা হয়। এইখিনি সময়ত কিশোৰৰ শৰীৰৰ বৃদ্ধি আৰু নানা পৰিবৰ্তন হয়। শৰীৰৰ ভালদৰে বৃদ্ধি হ'বৰ বাবে কিশোৰসকলে খেলা-ধূলা, ব্যায়াম, সাঁতোৰা, দৌৰা আদি কৰাৰ লগতে ভাল খাদ্যও খাব লাগে। আধুনিক জীৱন যাত্ৰাত ব্যস্ত হৈ থকা কিশোৰসকলে ব্যায়াম, যোগাসন নকৰাৰ বাবে বিভিন্ন শাৰীৰিক আৰু মানসিক সমস্যাৰ সন্মুখীন হৈছে। উদাহৰণস্বৰূপে, মেদবহুলতা, চকুৰ দৃষ্টিশক্তি কমা, খাদ্য হজম নোহোৱা, শৰীৰৰ সঠিকমতে বৃদ্ধি নোহোৱা, অস্থিৰতা, নিঃসংগতাত ভোগা আদি এই ধৰণৰ সমস্যাত ভোগা কিশোৰসকলে যোগ চৰ্চা কৰাটো উচিত। আজিকালি বেছিভাগ কিশোৰে অধিক সময় স্ক্ৰীণত (ম'বাইল, টিভি) ব্যয় কৰাৰ ফলত স্বাস্থ্যৰ হানি হৈছে। এইবোৰৰ পৰা নিজকে আঁতৰাই ৰাখিবৰ বাবে যোগাসন, প্ৰাণায়াম আদি কৰা উচিত। কিশোৰসকলে অভ্যাস কৰিব পৰা যোগাসনকেইটামান হ'ল—তাড়াসন, বৃক্ষাসন, পদহস্তাসন, ত্ৰিকোণাসন, ধনুৰাসন, হলাসন, ভুজাংগাসন, শশংকাসন, বজ্ৰাসন, বালাসন, সৱাসন আদি। এই আসনবোৰ নিয়মিত অভ্যাস কৰিলে কিশোৰসকল সুস্থ শৰীৰৰ অধিকাৰী হ'ব পাৰিব। যোগাভ্যাস কিশোৰসকলৰ মানসিক চাপ দূৰ কৰা, শৰীৰৰ ওজন কমোৱা, পাচন তন্ত্ৰ শক্তিশালী কৰা, মাংসপেশী শক্তিশালী কৰা, অস্থিৰতা দূৰ কৰা আদিত সহায় কৰে। পিতৃ-মাতৃসকলেও কিশোৰসকলক যোগাসন কৰিবৰ বাবে উৎসাহ দিয়া উচিত। আজিকালি বিদ্যালয়, মহাবিদ্যালয়তো যোগাসনৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি ইয়াক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।❖

# পানীদিহিং পক্ষী অভয়াৰণ্য

■ ধানিসা ডেকা
ষষ্ঠ শ্ৰেণী



শিৱসাগৰ জিলাত অৱস্থিত অসমৰ তৃতীয়খন পক্ষী অভয়াৰণ্য হ'ল পানীদিহিং পক্ষী অভয়াৰণ্য। ই শিৱসাগৰ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণে অৱস্থিত। এই অভয়াৰণ্যক ১৯৯৫ চনলৈকে 'পানীদিহিং চিকাৰ ক্ষেত্ৰ' বুলি জনা গৈছিল। ১৯৯৬ চনৰ ১৮ ডিচেম্বৰত ১৯৭২ চনৰ বন্যপ্ৰাণী সুৰক্ষা আইনৰ এক অধিসূচনাৰ জৰিয়তে চৰকাৰে ৩৩.৯৩ বৰ্গ কিল'মিটাৰ মাটিকালি সামৰি এই অঞ্চলক পানীদিহিং অভয়াৰণ্য হিচাপে প্ৰাৰম্ভিক জাননী দিয়ে। ১৯৯৯ চনৰ আগষ্টত অভয়াৰণ্যখনৰ ৩৩.৯ বৰ্গ কিল'মিটাৰ অঞ্চল সামৰি চৰকাৰে পানীদিহিঙক পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰি স্বীকৃতি প্ৰদান কৰে। ইয়াৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদী, দক্ষিণে দিচাং নৈ আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ নদী। এই অভয়াৰণ্যৰ বাৰ্ষিক গড় বৰষুণ ৩২০০ মিলিমিটাৰ। বাৰ্ষিক তাপমাত্ৰা হ'ল সৰ্বোচ্চ ৩৫° ছেলছিয়াছ আৰু সৰ্বনিম্ন ৮° ছেলছিয়াছ। এই পক্ষী অভয়াৰণ্যখনৰ জলবায়ু সেমেকা। পানীদিহিং অভয়াৰণ্যখন ২৭°১০/ উত্তৰ অক্ষাংশ আৰু ৯৪°৩৫/ পূব দ্ৰাঘিমাংশত অৱস্থিত। অভয়াৰণ্যখনৰ চৌপাশ গ্ৰাম্য অঞ্চলে আগুৰি আছে।

পানীদিহিং অভয়াৰণ্যখন প্ৰধানকৈ জলজ উদ্ভিদ আৰু ঘাঁহনিৰে ভৰপূৰ। বিভিন্ন প্ৰজাতিৰ ঘাঁহৰ ভিতৰত ইকৰা, নল, কঁহুৱা, দুবৰি, বিৰিণা, খাগৰি আদি উল্লেখযোগ্য। জলজ উদ্ভিদৰ ক্ষেত্ৰত মেটেকা, দল, হেলচি, পানীশিঙৰী, কলমৌ, পুণী, ডাঙৰ পুণী আদি অন্যতম।

পক্ষী অভয়াৰণ্য হ'লেও তাত বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী আৰু সৰীসৃপ পোৱা যায়। ইয়াৰ মূল আকৰ্ষণ হৈছে—বনৰীয়া হাতী আৰু বিভিন্ন প্ৰজাতিৰ চৰাই। ইয়াত বিভিন্ন ধৰণৰ বান্দৰ, যেনে—টুপীমূৰীয়া বান্দৰ, লাজুকী বান্দৰ, মলুৱা বান্দৰ, গাহৰি নেজীয়া বান্দৰ, হলৌ বান্দৰ আদি পোৱা যায়। তদুপৰি ছাগলী পহু, শৰ পহু, সুগৰি পহু, বন-ৰৌ, জহামাল, লতামাকৰি বাঘ, কেৰ্কেটুৱা, হেপা, বনৰীয়া ম'হ, দল হৰিণ আদি জন্তুও এই অভয়াৰণ্যত পোৱা যায়। ভেকুলী, শামুক, সাপ, বিভিন্ন প্ৰজাতিৰ মাছো এই অঞ্চলত পোৱা যায়।

চৰাই-চিৰিকটিৰ বাবে বিখ্যাত পানীদিহিং পক্ষী অভয়াৰণ্যখনত বৰ্তমানলৈকে ১৬৫ বিধৰো অধিক প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী চৰাই পোৱা যায়। ইয়াৰ ভিতৰত প্ৰায় ৬৯ বিধ প্ৰজাতিৰ পৰিভ্ৰমী আৰু ৯৬ বিধ প্ৰজাতিৰ স্থানীয় চৰাই। পানীদিহিং অভয়াৰণ্যখনক থলুৱা আৰু পৰিভ্ৰমী চৰাইৰ স্বৰ্গ বুলি কোৱা হয়। অভয়াৰণ্যখনৰ উল্লেখযোগ্য চৰাই হ'ল—খোলা ঠোঁটৰ বৰটোকোলা, বগা ডিঙিৰ বৰটোকোলা, ফেৰুজিনাচ হাঁহ, পাখিহীন মূৰৰ ৰাজহাঁহ, বনৰীয়া পাতিহাঁহ, মুগা বৰণৰ পাতিহাঁহ, পানীডুবি, মণিয়ৰী, পানীকাউৰী, দৈকলা, ভেলা, কেতেকী, কুলি, কণামুচৰি, শামুকভঙা, হাড়গিলা, চাকৈচকোৱা, শৰালি, দেওৰাজহাঁহ, চিলনী, গোধা চিলনী, গংগা চিলনী আদি। এনেবোৰ আপুৰুগীয়া প্ৰাকৃতিক সম্পদবোৰ আমি সংৰক্ষণ কৰি ৰাখিব লাগে। এনেবোৰ সম্পদ আমাৰ অসমত থকাটো অতি গৌৰৱৰ কথা।❖

# সপোন

**সাগৰিকা কলিতা**
অষ্টম শ্ৰেণী




মাজনিশা সাৰদা টোপনিৰ পৰা উঠি বহিল। ক'ব নোৱৰাকৈ কিবা এটা দুখে আমনি কৰি আছে। কিন্তু কিয় তেওঁ নাজানে। তেওঁ আকৌ শুই পৰিল। কিন্তু টোপনি নাহিল। তেনেদৰেই ৰাতিপুৱা হ'ল। ৰাতিপুৱাই সাৰদাই বিছনাৰ পৰা উঠি ঘৰ-চোতাল সাৰি বোৱাৰীয়েকক মাতে। এইটো তেওঁৰ দৈনন্দিন জীৱনৰ এটা কাম হৈ পৰিছে। বোৱাৰী ৰেখাই ঘৰৰ সকলো কাম অঁতাই সাৰদাক একাপ চাহ যতনাই দিলে। তেওঁ বাৰাণ্ডাত বহি চাহকাপ খাই থাকোঁতে পুতেক নীৰৱ তাত ওলালহি। "বাবা আজি তোৰ অফিচলৈ পলম হোৱা নাই?" সাৰদাই ক'লে। নীৰৱে সেমেকা চকুৰে সাৰদালৈ চাই ক'লে, "মা, আজি মোৰ পলম হোৱা নাই, মই আপোনাক এটা কথা জনাম বুলি ভাবি আছিলোঁ। মানে মই আপোনাক বৃদ্ধাশ্ৰমত থ'ম বুলি ভাবিছোঁ।" সাৰদাই কথাষাৰ শুনি একো ভাবি উলিয়াব নোৱাৰিলে। নীৰৱে ক'লে, "মা, আপুনিতো জানেই এই ঘৰটো কিমান সৰু। এতিয়াতো তনয়াকো এটা ৰুম লগা হৈছে। ঘৰটো আমাৰ নিজৰ নহয়, অফিচৰ পৰাহে দিছে। তেওঁলোকে কৈছে যে এই ঘৰ ভাঙি হেনো মাটিখিনি বিক্ৰী কৰিব। এতিয়া উপায় নাপাই মই আপোনাক বৃদ্ধাশ্ৰমত থ'ম বুলি ভাবিছোঁ।" মাক সাৰদাৰ আগৰ কথাবোৰ মনত পৰিবলৈ ধৰিলে আৰু ভাবিলে সেই সৰুৰে পৰা তুলি-তালি ডাঙৰ কৰিলোঁ। আমাৰ বুঢ়া কালৰ সাৰথি হ'ব বুলি, কিন্তু এয়া কি? নাই মোৰ সপোন, সপোন হয়েই ৰ'ল। ইয়াক আৰু কেতিয়াও বাস্তৱ কৰিব নোৱাৰিম চাগে'। তেতিয়াই সাৰদাৰ মনত পৰিল, মৃত্যুৰ আগেয়ে গিৰীয়েকে কৈ গৈছিল যে সাৰদা, আমাৰ পুত্ৰ আৰু তাৰ পৰিয়ালৰ বাবে কেতিয়াও বোজা নহ'বা। নীৰৱে ক'লে, "মা, তুমি দেখোন একোকে নক'লা।" সাৰদাই ক'লে, "বাবা, তই যিটো ভাল বুলি ভাব তাকে কৰ। কেৱল ক'বি কোনদিনা যাব লাগে।" নীৰৱ যেন স্ফূৰ্তিত চিঞৰি উঠিল, "হ'ব মা, মই তোমাক কাইলৈ লৈ যাম।" এতিয়া সাৰদা শোকত ভাগি পৰিছে। তনয়া স্কুললৈ গ'ল, ৰেখা কামলৈ আৰু নীৰৱ অফিচলৈ। ঘৰত অকলে অকলে তেওঁ দিনটো শুয়ে কটালে। ৰাতিও তেওঁৰ টোপনি নাহিল। ৰাতিপুৱা তেওঁ কাপোৰ-কানি বেগত ভৰালে। নীৰৱো সাজু হ'ল। "মা ব'লা যাওঁ।" "ৰচোন বাবা, ৰেখা আৰু তনয়া ইমান ৰাতিপুৱাই ক'লৈ গ'ল?" "মা তনয়াৰ আজি পৰীক্ষা আৰু ৰেখা এখন জৰুৰী মিটিঙলৈ গৈছে, আহোঁতে পলম হ'ব। ব'লা এতিয়া।" সাৰদাই শেষবাৰৰ বাবে ঘৰখনলৈ চালে। আজি বহু দিনৰ মূৰত বাহিৰলৈ ওলাই আহিছে। এতিয়া দেখোন মনটো বেয়া লগা নাই। ভালহে লাগিছে। সিহঁত আশ্ৰম পালেহিয়েই। আশ্ৰমৰ গেট খোলা আছিল। নীৰৱে গাড়ী সুমুৱাই দিলে। সাৰদাই ভালকৈ চালে, এনেকুৱা লাগিল যেন আশ্ৰমখন নতুনকৈ সাজিছে। নীৰৱে সাৰদাক এটা কোঠালিলৈ লৈ গ'ল আৰু ক'লে, "মা তুমি ইয়াতে বহা, মই আন তিৰোতাসকলক মাতি আনো।" সাৰদা বহি ৰুমটো চালে, তেনেতে বোৱাৰী ৰেখা, নাতিনীয়েক তনয়া আৰু কিছুমান তিৰোতা নামি আহিল। সাৰদাই একো ধৰিবই নোৱাৰিলে। নীৰৱে ক'লে, "মা, এতিয়া কেনে লাগিছে?" "বাবা, মই একো ধৰিবই পৰা নাই।" "মা তোমাৰ সপোন আছিল নহয়, বৃদ্ধাশ্ৰম এখন সজাৰ। এতিয়াৰ পৰা তুমি এই আশ্ৰমখন পৰিচালনা কৰিবা।" সাৰদাই নীৰৱক সাবটি ধৰিলে আৰু ভগৱানক ধন্যবাদ জনালে।❖

## মোৰ পৰ্ব

**অৰ্ণৱজ্যোতি নাথ**
দশম শ্ৰেণী

**(১)**

মোৰ দুখ-গধুৰ ৰাতিৰ জোনাক বিচাৰি
তোমাৰ বুকু খেপিয়াইছোঁ নীলাচল
মই কেনেকৈ কওঁ তোমাক
নিভৃততো যে মোৰ কেৱল
তোমাৰে অজ্ঞাত বাস
নীলাচল !
সপোনবোৰ শুই থাকে
নীলাচলৰ সোণাৰু ফুলৰ আঁৰত
হে খৰস্ৰোতা ব্ৰহ্মপুত্ৰ
তোমাৰ বুকুত কিমান তৰংগ
চিৰসেউজ হৈ ৰওক নীলাচল
তোমাৰ হিয়াৰ ফুলনিখনি
যদিও তাত মোৰ সুবাস নাই...
এজাক নামি অহা বৰষুণৰ দৰে।

**(২)**

গৈ আছোঁ, আকৌ ৰৈ উভতি চাইছোঁ
এটি অচিনাকি বাটেৰে
মনতে বহুতো জুকিয়াইছোঁ
ইফালে-সিফালে ৰৈ
জুমি জুমি চাইছোঁ
নাই নাই কাকো দেখা নাই
ইমান নিৰ্জন !
আকৌ দুখোজ আগুৱাই
হঠাৎ ৰৈ গ'লোঁ
কাৰোবাৰ মাত শুনা যেন লাগিল
আকৌ জুমি জুমি চালোঁ
এখন দেৱালয়ৰ সিপাৰে
কোনোবাই কন্দা যেন পালোঁ
এখোজ আগুৱাই চালোঁ
হয় ঠিকেই
কোনোবা এজনী নিস্তেজ হৈ
পৰি আছে
চাই থাকোঁতেই হঠাৎ
মানুহজনী অদৃশ্য হৈ গ'ল
কিন্তু, কিন্তু ক'লৈ গ'ল
সেই মানুহজনী ?

## She is Not Beautiful

**Namrata Kashyap**
Class VIII

Yes ? Her skin is dark
Ugly cheeks,
Acnes on her face
Her dirty clothes,
Dirty nails
Dry hair,
Yes, she is not beautiful !
Everyone rases her,
Stays away from her
Just because she isn't beautiful!
No they are afraid of her
Yes, because her dream
is beautiful
Her mind is beautiful
Her heart is beautiful
Beautitul... in every way.

## আকাশ

**বিদিশা কুমাৰী**
ষষ্ঠ শ্ৰেণী

আকাশ আকাশ
বিশাল আকাশ
আকাশত উৰি
থাকে চৰাইবিলাক।

চৰাইবিলাক দেখি
কিমান যে ভাল লাগে
আকাশত দেখা যায়
ৰামধেনু।

ৰামধেনু যে চাই
কিযে মজা লাগে
ৰামধেনু হ'ল
সাত বৰণীয়া।

নিবন্ধ

# ভাৰতীয় ৰেল সেৱাত ব্ৰডগজ

■ অপৰ্ণা দেৱী



ভাৰতীয় ৰেল সেৱা বিশ্বৰ ৰেল সেৱাসমূহৰ ভিতৰত এক অন্যতম ৰেল সেৱা। ই ৰেল মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত এক ৰাষ্ট্ৰীয় পৰিবহণ সেৱা। এই বৃহৎ পৰিবহণ ব্যৱস্থাৰ মূলতে আছে গজৰ (gauge) ধাৰণা।

ৰেল পৰিবহণৰ ক্ষেত্ৰত গজ হ'ল এটা ট্ৰেকত (track) থকা চিৰি দুটাৰ মাজৰ দূৰত্বক বুজোৱা এটা হিচাপ। ৰেলৰ গজ সাধাৰণতে তিনি প্ৰকাৰৰ—ব্ৰডগজ (broad gauge), মিটাৰ গজ (meter gauge) আৰু নেৰো গজ (narrow gauge)। বিভিন্ন দেশত বিভিন্ন গজৰ ট্ৰেকৰ ব্যৱহাৰ হয় যদিও আমাৰ দেশৰ লগতে পাকিস্তান, বাংলাদেশ, শ্ৰীলংকা, আৰ্জেণ্টিনা, চিলি আদি দেশত ব্ৰডগজৰ প্ৰচলন সৰ্বাধিক।

ব্ৰডগজ হৈছে এনে এটা ৰেলপথ য'ত দুয়োশাৰী চিৰিৰ মাজৰ দূৰত্ব ১৬৭৬ মিলিমিটাৰ। আনহাতে মিটাৰ গজৰ ক্ষেত্ৰত এই দূৰত্বৰ হিচাপ হ'ল ১০০০ মিলিমিটাৰ। নেৰো গজৰ ক্ষেত্ৰত আকৌ ৭৬২ মিলিমিটাৰ।

ৰেলৰ গজ নিৰ্ণয়ৰ ক্ষেত্ৰত কিছুমান কাৰকে প্ৰভাৱিত কৰে। সেই কাৰকসমূহ হ'ল যাতায়াতৰ অৱস্থা, অঞ্চলটোৰ অৱস্থা, ট্ৰেক বা পথৰ অৱস্থা ইত্যাদি। যিটো অঞ্চলত ৰেলপথৰ বাবে পৰ্য্যাপ্ত ঠাই থাকে, সেই ঠাইত বা অঞ্চলত ব্ৰডগজ লাইনৰ ব্যৱস্থা কৰিব পৰা যায়। ঠিক সেইদৰে অনুন্নত বা পিছপৰা অঞ্চলসমূহক বাহিৰৰ জগতখনৰ সৈতে সংযোগ কৰাৰ বাবে ব্ৰডগজ লাইনৰ প্ৰয়োজন আহি পৰিল। উপলব্ধ খৰচৰ ওপৰতো ব্ৰডগজ ৰেল লাইন ব্যৱস্থাৰ স্থিতি নিৰ্ভৰ কৰে। অন্যান্য গজৰ তুলনাত ব্ৰডগজৰ ক্ষেত্ৰত অধিক মাটি আৰু প্ৰাৰম্ভিক নিৰ্মাণ খৰচৰ প্ৰয়োজন হয়।

আমাৰ দেশত বৃটিছে দূৰণিবটীয়া ঠাইৰ বাবে আৰু অধিক ভাৰযুক্ত সা-সামগ্ৰী পৰিবহণৰ বাবে ব্ৰডগজ ৰেলপথৰ আৰম্ভ কৰিছিল। মিটাৰ গজ, নেৰো গজৰ তুলনাত অধিক দ্ৰুতগামী, অধিক পৰিবহণ ক্ষমতাযুক্ত, অধিক সুস্থিৰ বাবে ব্ৰডগজ ৰেল লাইনৰ ব্যৱহাৰ ব্যাপক হাৰত বৃদ্ধি হ'ল। বৰ্তমান ভাৰতীয় ৰেলপথৰ ৯০% ৰেলপথেই ব্ৰডগজ লাইন সংযুক্ত। ভাৰতীয় ৰেল সেৱাৰ ইউনিগজ (unigauge) প্ৰকল্পৰ অধীনত প্ৰায় সকলো মিটাৰ গজ আৰু নেৰো গজ ৰেলপথক ব্ৰডগজ ৰেলপথলৈ উন্নীত কৰি থকা হৈছে। ইউনিগজ প্ৰকল্পৰ অধীনত যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ বাবে আৰু উন্নতমানৰ সেৱা আগ বঢ়াবৰ বাবে ব্ৰডগজ ৰেলপথ সম্প্ৰসাৰিত কৰি থকা হৈছে।

ব্ৰডগজত ৰেল অধিক বেগত চলাব পাৰি। প্ৰতি ঘণ্টাত ১৬০ কিল'মিটাৰ বা তাৰ ওপৰত চলোৱাৰ সুবিধা থাকে। ই যাত্ৰী আৰু মালবাহী ৰেল উভয়ৰে বাবে সুবিধাজনক। ব্ৰডগজ ৰেলৰ পথ মসৃণ আৰু নিৰাপদ হোৱা দেখা যায়। আন্তঃৰাজ্যিক আৰু দীৰ্ঘ দূৰত্বৰ যাত্ৰাৰ বাবে ব্ৰডগজ নিৰ্ভৰযোগ্য।

গজ প্ৰকল্প আৰম্ভ কৰাটো অকল এটা কাৰিকৰী কাম নহয়। ইয়াক অগ্ৰগতিৰ এক প্ৰতীক হিচাপেও গণ্য কৰা হয়। গজ প্ৰকল্পৰ সৈতে নিখুঁত পৰিকল্পনা, অভিযান্ত্ৰিক দক্ষতা, আন্তঃ চৰকাৰী সমন্বয়, সাধাৰণ জনতাৰ দ্বাৰা গঠিত জনমত আদিৰ কথাও জড়িত হৈ থাকে।

ভাৰতত ব্ৰডগজ লাইনৰ ৰেলৰ সম্প্ৰসাৰণ একেদিনাই সম্ভৱ হৈ উঠা নাই। এই প্ৰকল্প জনতাৰ ব্ৰডগজৰ বাবে থকা চাহিদা, ভাৰতীয় ৰেল সেৱাই আগ বঢ়োৱা সঁহাৰি আদি কথাৰ ওপৰত নিৰ্ভৰ কৰে।❖

# টি-কোষ, সাম্প্ৰতিক গৱেষণা আৰু ৰুবুল মাউত

■ উদয়া ফুকন



সুস্বাস্থ্য মানুহৰ পৰম সম্পদ। আমি সকলোৰে ৰোগমুক্ত হৈ থাকিবলৈ বিচাৰোঁ। বিভিন্ন কাৰকৰ প্ৰভাৱত আমাৰ দেহত ৰোগে দেখা দিয়ে। ৰোগৰ লক্ষণ প্ৰকাশ পালে আমি চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ সেৱন তথা আন নীতি-নিয়ম পালন কৰি সুস্থ হওঁ। স্বাভাৱিকভাৱে আমাৰ দেহত এক ব্যৱস্থা আছে যি আমাৰ দেহত সহজে ৰোগ সৃষ্টি হোৱাত বাধা দিয়ে। দেহৰ কিছুমান অংগ, কোষ আৰু অন্যান্য অণুৱে অহৰহ আমাৰ দেহক ৰোগৰ পৰা সুৰক্ষা দিয়ে। যি তন্ত্ৰই আমাৰ দেহত বীজাণু (germ) তথা কাৰকৰ (factor) দ্বাৰা ৰোগ হোৱাত বাধা দি সুৰক্ষা দিয়ে সেই তন্ত্ৰক ৰোগ প্ৰতিৰোধ তন্ত্ৰ (immune system) বোলে। এই তন্ত্ৰই আমাৰ দেহক বেক্টেৰিয়া (bacteria), ভেঁকুৰ (fungi), ভাইৰাছ (virus), পৰজীৱী (parasite) আৰু কৰ্কট কোষৰ (cancer cell) পৰা সুৰক্ষিত কৰি ৰাখে। বিভিন্ন অংগ (organ), কলা (tissue) আৰু কোষ (cell) আদিৰ দ্বাৰা ৰোগ প্ৰতিৰোধ তন্ত্ৰ সক্ৰিয় হৈ থাকে। ইয়াৰে এবিধ বিশেষ কোষ হ'ল শ্বেত ৰক্তকণিকা (White Blood Corpuscles)। এই কণিকাই এণ্টিব'ডি (antibody), চাইট'কাইন (cytokine), প্ৰ'টিনৰ গোট (groups of proteins), টি-কোষ (T-cell) আদিৰ দ্বাৰা দেহক সুৰক্ষা দিয়ে। আমাৰ দেহৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰটো সবল কৰি ৰাখিবলৈ আমি কেতবোৰ নীতি-নিয়ম মানি চলোঁ। আমাৰ দেহত দেখা দিয়া সাধাৰণ ধৰণৰ ৰোগে বিশেষ ক্ষতি নকৰিলেও আন কিছুমান জটিল ৰোগে দেহৰ ক্ষতিসাধন কৰাৰ লগতে জীৱনৰ প্ৰতি সংশয় কঢ়িয়াই আনে। বৰ্তমান স্বাস্থ্যখণ্ডত কৰা নানা গৱেষণা তথা জৈৱ প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে ৰোগৰ চিনাক্তকৰণ আৰু নিৰাময় বিষয়ত এক বৈপ্লৱিক পৰিবৰ্তন আনিছে। মানুহৰ দেহৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰটো কিদৰে দীৰ্ঘদিনলৈ সক্ৰিয় কৰি ৰাখিব পৰা যায় ইয়াৰ বিষয়ে গৱেষণা চলি আছে। বয়সৰ লগে লগে দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা ক্ৰমে হ্ৰাস পাবলৈ আৰম্ভ কৰে। যদি এই প্ৰক্ৰিয়াক বাধা দিব পৰা যায়, তেতিয়া বৃদ্ধাৱস্থাতো ৰোগ নিৰাময় সহজ হৈ পৰিব আৰু মানুহে বহুদিন সুস্থভাৱে জীৱন-যাপন কৰিব পাৰিব।

এনে পৰিপ্ৰেক্ষিতত এটা আশাব্যঞ্জক খবৰ হ'ল অসমৰ সুসন্তান বিজ্ঞানী ৰুবুল মাউত আৰু তেওঁৰ সহযোগী কেইজনমান প্ৰসিদ্ধ বিজ্ঞানীয়ে শেহতীয়াকৈ মানুহৰ দেহৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰ কৃত্ৰিম পদ্ধতিৰে কিভাৱে সবল আৰু সক্ৰিয় কৰি ৰাখিব পৰা যায় ইয়াৰ বিষয়ে কৰা গৱেষণা আৰু উদ্ভাৱন। আমেৰিকা যুক্তৰাজ্যৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত বিজ্ঞানী ৰুবুল মাউতৰ নেতৃত্বত কেইগৰাকীমান বিজ্ঞানীয়ে মানুহৰ দেহৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰটো শক্তিশালী কৰাৰ নতুন কৌশল উদ্ভাৱন কৰি উলিয়াইছে। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৃত্ৰিমভাৱে প্ৰস্তুত কৰা প্ৰ'টিনৰ অণুৱে ৰোগ প্ৰতিৰোধ তন্ত্ৰ সবল কৰিব পাৰিব বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে। তেওঁলোকে বিশেষভাৱে আমাৰ দেহৰ টি-কোষৰ (T-cell) কাৰ্য্যকাৰিতা বৃদ্ধি কৰা বিষয়ৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি গৱেষণা চলাইছে। আশা কৰা হৈছে ইয়াৰ সফলতাই মানুহৰ দেহৰ ৰোগৰ সমস্যা তথা বৃদ্ধাৱস্থাত ৰোগ নিৰাময়ৰ জটিলতা হ্ৰাস কৰিব পাৰিব।

ড° ৰুবুল মাউত আৰু তেওঁৰ সহযোগী দলে কৰা গৱেষণাৰ বিষয়ে জানিবলৈ হ'লে প্ৰথমে আমাৰ দেহৰ টি-কোষৰ বিষয়ে জানিব লাগিব। আমাৰ অস্থি মজ্জাৰ (bone marow) পৰাই ৰক্তকোষ সৃষ্টি হয়। ৰক্তকোষৰ এটা প্ৰকাৰ হ'ল শ্বেত ৰক্তকণিকা (WBC)। শ্বেত

ৰক্তকণিকা কেইবা প্ৰকাৰৰ। ইয়াৰে একপ্ৰকাৰ হ'ল টি-লিম্ফচাইট (T-lymphocyte)। টি-লিম্ফচাইটকবোৰক টি-কোষ বোলে। অস্থিমজ্জাৰ পৰা উৎপন্ন হয় যদিও লিম্ফচাইট পৈণত অৱস্থা পোৱাৰ ঠাই বেলেগ। আমাৰ হাঁওফাঁওৰ দুয়োকাষে আৰু কলিজাৰ ওপৰত এটা অন্তঃস্ৰাৱী (endocrine) গ্ৰন্থি (gland) থাকে যাৰ নাম থাইমাছ গ্ৰন্থি (thymus gland)। এই গ্ৰন্থিয়ে আমাৰ ৰোগ প্ৰতিৰোধত এক বিশেষ ভূমিকা লয়। অস্থিমজ্জাৰ ভিতৰত থকা হেমাট'পয়েটিক নিচ্ (hematopoietic niche) নামৰ অংশৰ পৰা টি-কোষ সৃষ্টি হয়। এনে কোষ সৃষ্টি হোৱাৰ পাছত তেজৰ সোঁতত গৈ ই থাইমাছ গ্ৰন্থিত প্ৰৱেশ কৰে। তাত এই কোষবোৰে থিতাপি লয়। প্ৰায় তিনিৰ পৰা চাৰি সপ্তাহৰ অন্তত এই টি-কোষবোৰ পৈণত হয় আৰু দেহত প্ৰৱেশ কৰা বীজাণুৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হয়। এনে কোষে শৰীৰৰ ভাল কোষৰ অনিষ্ট সাধন নকৰে। শৰীৰত সৃষ্টি হোৱা কৰ্কট কোষ (cancer cell) আৰু বীজাণু (germ) চিনাক্তকৰণ কৰি সেইবোৰ ধ্বংস কৰিব পাৰে। এই টি-কোষবোৰ তেজৰ সোঁতত দেহৰ সকলো অংশলৈ গৈ সৈনিকৰ দৰে দেহক বীজাণুৰ আক্ৰমণৰ পৰা সুৰক্ষা দিয়ে। দেহত কোনো বীজাণুৰ প্ৰৱেশ ঘটিলে এই কোষবোৰ সক্ৰিয় হৈ উঠে আৰু এইবোৰৰ সংখ্যা ব্যাপক হাৰত বৃদ্ধি হয়। যদি শৰীৰৰ টি-কোষ উৎপন্ন কৰাৰ ক্ষমতা অটুট থাকে আৰু নতুন টি-কোষ উৎপন্ন হৈ থাকে তেতিয়া বীজাণুবোৰ ধ্বংস কৰি টি-কোষে শৰীৰক সুৰক্ষা দিব পাৰে। আনহাতে টি-কোষৰ সংখ্যা হ্ৰাস পালে শৰীৰত ৰোগ সৃষ্টি হয়। টি-কোষে বীজাণু, কৰ্কট কোষ ধ্বংস কৰিব পৰা বা নোৱাৰা কাৰ্য্য নিৰ্ভৰ কৰে মানুহ এজনৰ বয়স আৰু তেওঁ ভুগি থকা আন ৰোগৰ ওপৰত। ইয়াৰ কাৰণ হ'ল শিশু অৱস্থাত মানুহৰ থাইমাছ গ্ৰন্থি অতি সক্ৰিয় হৈ থাকে যাৰ ফলত টি-কোষবোৰৰ পৈণত হোৱাৰ ঠাই পৰ্য্যাপ্ত হৈ থাকে। বয়স বাঢ়ি যোৱাৰ লগে লগে এই গ্ৰন্থিৰ সংকোচন ঘটি বৃদ্ধ অৱস্থাত ই একেবাৰে ৰিক্ত অৱস্থা পায়গৈ। প্ৰায় আশী বছৰ বয়সত থাইমাছ গ্ৰন্থি প্ৰায় নোহোৱাৰ দৰে হয়, যাৰ বাবে টি-কোষ উৎপন্ন হৈ পৈণত হোৱা কাৰ্য্যত বাধা জন্মে। সেইবাবে বৃদ্ধ অৱস্থাত ৰোগ প্ৰতিৰোধ ক্ষমতা কমে আৰু আন কোষবোৰৰ কাৰ্য্যদক্ষতা কমি শৰীৰে বীজাণুৰ বিৰুদ্ধে যুঁজ দিব নোৱৰা হয়। ইয়াৰ বাবে শৰীৰৰ কৰ্কট কোষৰ সংখ্যা বাঢ়িলে এইবোৰক ধ্বংস কৰিব নোৱৰা হয়। ইয়াৰ ফলস্বৰূপে মৃত্যু পৰ্য্যন্ত হ'ব পাৰে।

অস্থিমজ্জাত টি-কোষ সৃষ্টি আৰু এইবোৰ থাইমাছ গ্ৰন্থিত পৰিপক্ক হোৱা প্ৰক্ৰিয়াৰ দ্বাৰা টি-কোষে ৰোগ প্ৰতিৰোধ কৰিব পাৰে। ড° ৰুবুল মাউতৰ গৱেষণাত কোৱা হৈছে যে উক্ত প্ৰক্ৰিয়া এক বিশেষ প্ৰক্ৰিয়াই নিয়ন্ত্ৰণ কৰে যাক ন'টচ ছিগনেলিং (notch signaling) বুলি কোৱা হয়। ইয়াৰ দ্বাৰা থাইমাছ গ্ৰন্থিৰ সাম্যাৱস্থা নিয়ন্ত্ৰিত হৈ থাকে। যদি কোনো প্ৰক্ৰিয়াৰ দ্বাৰা ন'টচ ছিগনেলিং সক্ৰিয়কৰণ কৰিব পৰা যায়, তেতিয়া টি-কোষবোৰৰ কাৰ্য্যদক্ষতা অটুট থাকিব আৰু দেহৰ ৰোগ প্ৰতিৰোধতন্ত্ৰই ভালদৰে কাৰ্য্য কৰি থাকিব পাৰিব।

বিজ্ঞানী ৰুবুল মাউত আৰু তেওঁ দলৰ আন সহযোগী বিজ্ঞানীসকলে উল্লিখিত দিশটো বিশেষভাৱে বিবেচনা কৰি ইয়াৰ ওপৰত গৱেষণা চলাই আছে। বিজ্ঞানী ৰুবুল মাউতে ২০২১ চনত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত কৃত্ৰিমভাৱে ন'টচ ছিগনেলিং প্ৰক্ৰিয়া সংঘটিত কৰি টি-কোষৰ উৎপত্তি, বৃদ্ধি আৰু এইবোৰৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাবে কাম আৰম্ভ কৰিছিল। প্ৰাকৃতিকভাৱে এই প্ৰক্ৰিয়া ঘটে এক বিশেষ ধৰণৰ প্ৰ'টিন অণুৰ দ্বাৰা। টি-কোষত ন'টচ ৰিচেপ্টৰ (notch receptor) নামৰ প্ৰ'টিনৰ অণু থাকে। আন কোষত ন'টচ লিগাণ্ড (notch ligand) নামৰ প্ৰ'টিনৰ অণু থাকে। প্ৰাকৃতিকভাৱে যেতিয়া এই দুই প্ৰকাৰৰ প্ৰ'টিনৰ অণু পৰস্পৰ সংস্পৰ্শলৈ আহে, ন'টচ ছিগনেলিং সক্ৰিয় হৈ উঠে আৰু কোনো বীজাণু বা কৰ্কট কোষৰ কাৰ্য্যক বাধা দি এইবোৰ ধ্বংস কৰিব পাৰে। বিজ্ঞানীৰ দলটোৱে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৃত্ৰিমভাৱে সৃষ্টি কৰা প্ৰ'টিন অণু ব্যৱহাৰ কৰি এইবোৰৰ সংস্পৰ্শলৈ টি-কোষ আনি কোষীয় ন'টচ ছিগনেলিং প্ৰক্ৰিয়া সক্ৰিয় কৰিব পাৰিছিল। টি-কোষ সক্ৰিয়কৰণৰ লগত জড়িত এই কৃত্ৰিম প্ৰ'টিন

অণুৰ নাম দিয়া হৈছে ছলিউব্‌ল ন'টচ এগ'নিষ্ট (soluble notch agonist)। বিজ্ঞানীৰ দলটোৱে দেখুৱালে যে এনে অণু ব্যৱহাৰ কৰি পৰীক্ষাগাৰত অস্থিমজ্জাৰ (bone marrow) কাণ্ড কোষৰ (stem cell) পৰা অসংখ্য টি-কোষ সৃষ্টি কৰিব পাৰি। বৰ্তমান বিশ্বৰ চিকিৎসা ব্যৱস্থাত কৰ্কট ৰোগ প্ৰতিৰোধী টি-কোষ প্ৰস্তুত কৰিবলৈ এনে টি-কোষ বহু পৰিমাণে ব্যৱহাৰ হয়।

ৰুবুল মাউত আৰু তেওঁৰ দলে পৰীক্ষামূলকভাৱে এন্দুৰৰ শৰীৰত উক্ত অণুৰ প্ৰবেশ ঘটাই টি-কোষৰ সক্ৰিয়কৰণৰ দ্বাৰা বিশেষ প্ৰতিৰোধ ক্ষমতা গঢ়াত সমৰ্থ হৈছে। উল্লেখযোগ্য যে বিজ্ঞানীসকলে প্ৰয়োগ কৰা এই কৃত্ৰিম প্ৰ'টিন অণুবোৰে এন্দুৰৰ দেহত বীজাণু প্ৰতিৰোধী টি-কোষৰ স্মৃতি বৃদ্ধি কৰিব পাৰিছিল। আমি ভৱিষ্যতে কোনো ৰোগৰ প্ৰতিষেধক ল'লে ইয়াৰ প্ৰতিৰোধী ক্ষমতা বহুদিন ধৰি বৰ্তি থাকিবৰ বাবে এনে টি-কোষৰ প্ৰয়োজন হ'ব। এই গৱেষণাৰ দ্বাৰা থাইমাছ গ্ৰন্থিৰ সক্ৰিয়তা বৃদ্ধ বয়সলৈকে অটুট ৰাখিবলৈ আৰু বয়সৰ লগে লগে অৱক্ষয় হোৱা ৰোগ প্ৰতিৰোধ তন্ত্ৰক পুনৰুদ্ধাৰ কৰিবলৈ কৌশল উদ্ভাৱনৰ চেষ্টা কৰি থকা হৈছে। এই গৱেষণাৰ সফলতাই চিকিৎসাবিজ্ঞানত এক নতুন দিগন্তৰ সূচনা কৰিব।❖

## সংস্কৃতি

# ওনাম উৎসৱ

■ **মানসজ্যোতি শৰ্মা**



ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। এই দেশৰ প্ৰতিখন ৰাজ্যৰ অধিকাংশ লোকেই কৃষিৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত। কৃষিকাৰ্য্যত ব্যস্ত মানুহে কৃষিৰ বতৰ অথবা সময়ৰ ওপৰত ভিত্তি কৰি বিভিন্ন উৎসৱ-পাৰ্বণ পুৰণি কালৰ পৰাই পালন কৰি আহিছে। কৃষিৰ লগত জড়িত এই উৎসৱবোৰক কৃষিভিত্তিক উৎসৱ বুলি কোৱা হয়। সমগ্ৰ ভাৰতজুৰি শস্য সিঁচাৰ আৰম্ভণিতে অথবা শস্য চপোৱাৰ সময়ত বিভিন্ন উৎসৱ পালন কৰা হয়। নিৰ্দিষ্ট একোবিধ শস্য সিঁচা বা চপোৱাৰ সময়ত পালন কৰা বাবে এনে উৎসৱক ঋতুকালীন উৎসৱ (seasonal festival) বুলিও কোৱা হয়।

ওনাম (Onam) হৈছে ভাৰতৰ কেৰালা ৰাজ্যত পালন কৰা এটা প্ৰধান কৃষিভিত্তিক উৎসৱ। এই উৎসৱবিধ শস্য চপোৱাৰ সময়ত পালন কৰা উৎসৱ। মালায়ালম দিনপঞ্জী পঞ্চাংগমৰ ছিংগাম নামৰ মাহত এই উৎসৱ পালন কৰা হয়। ইংৰাজী কেলেণ্ডাৰ মতে আগষ্ট-ছেপ্টেম্বৰ মাহত এই উৎসৱ অনুষ্ঠিত হয়। শস্য চপোৱাৰ সময়ত পালন কৰা উৎসৱ হ'লেও এই উৎসৱৰ লগত এটা জনশ্ৰুতি জড়িত হৈ আছে। এসময়ত মহাবলি (Mahabali) নামৰ এগৰাকী অতি দয়ালু, প্ৰজাবৎসল ৰজাই কেৰালা ৰাজ্যত ৰাজত্ব কৰিছিল বুলি জনবিশ্বাস আছে। মানুহে তেওঁক ইমানেই ভাল পাইছিল যে তেওঁৰ জনপ্ৰিয়তাত দেৱতাসকল অসন্তুষ্ট হৈছিল আৰু বিষ্ণুক তেওঁৰ পৰীক্ষা ল'বলৈ পঠিয়াইছিল। বিষ্ণুৱে বামন অৱতাৰ গ্ৰহণ কৰি মহাবলিৰ ওচৰলৈ আহিছিল আৰু তিনিপদ ভূমি বিচাৰিছিল। মহাবলিয়ে তেতিয়া নিজৰ মূৰটোকে বিষ্ণুৰ ভৰি থ'বলৈ আগ বঢ়াই দিছিল। এই



কাৰ্য্যত সন্তুষ্ট হৈ বিষ্ণুৱে মৃত্যুৰ পাছতো প্ৰতি বছৰে মহাবলিক এবাৰকৈ তেওঁৰ ৰাজ্যলৈ আহি প্ৰজাসকলক চাবলৈ অনুমতি প্ৰদান কৰে। জনপ্ৰিয় ৰজা মহাবলিৰ বাৰ্ষিক আগমনৰ বিশ্বাসক কেন্দ্ৰ কৰি তেওঁৰ উপস্থিতিয়ে জনসাধাৰণৰ কল্যাণ সাধন কৰিব বুলি ভাবি ৰজাৰ সন্মানাৰ্থে ওনাম উৎসৱ ধুমধামেৰে পালন কৰে।

ওনাম উৎসৱ দহদিন ধৰি পালন কৰা হয়। ক্ৰমানুসাৰে এই দহটা দিনক অথম (atham), চিথিৰা (chithira), চোধি (chodhi), ৱিশাকাম (vishakam), অনিঝাম (anizham), থ্ৰিকেটা (thriketa), মূলম (moolam), পূৰদম (pooradam), উৎৰাদম (uthradam) আৰু থিৰুৱনম (thiruvanam) হিচাপে জনা যায়। ইয়াৰ ভিতৰত প্ৰথম আৰু শেষৰ দিনটো বিশেষ হিচাপে পালিত হয়। থিৰুৱনমৰ দিনা ৰজা মহাবলিয়ে তেওঁৰ প্ৰজাসকলক চাবলৈ আহে বুলি বিশ্বাস আছে।

এই ওনাম উৎসৱ উপলক্ষে নানা ধৰণৰ আচাৰ-অনুষ্ঠান পালন কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে ফুলেৰে আল্পনা তৈয়াৰ কৰা। এই অনুষ্ঠানক পুক্কলম বুলি কোৱা হয়। বিভিন্ন ধৰণৰ সতেজ ফুল ব্যৱহাৰ কৰি মহিলাসকলে নিজৰ নিজৰ ঘৰৰ প্ৰবেশপথত আটকধুনীয়া আল্পনা প্ৰস্তুত কৰে। আল্পনাবোৰত মাটিৰ চাকিও সজাই দিয়া হয়। অন্য এটি উল্লেখযোগ্য অনুষ্ঠান হৈছে ‘ওনমসাধ্য’ (onamsadhya) নামৰ বিশাল ভোজৰ আয়োজন। শস্য চপোৱাৰ সময়ত পালিত উৎসৱত ভোজ খোৱাৰ কথাটো অংগাংগীভাৱে জড়িত। ওনাম উৎসৱো তাৰ ব্যতিক্ৰম নহয়। ওনমসাধ্যত ভাতকে ধৰি কেইবাবিধো পৰম্পৰাগত খাদ্য থাকে। এই আহাৰ কিন্তু সম্পূৰ্ণৰূপে নিৰামিষ হয়। প্ৰতিঘৰ মানুহৰ ঘৰত থ্ৰিক্কাকাৰা আপ্পন (thrikkakara appan) অৰ্থাৎ বিষ্ণুৰ বামন অৱতাৰৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হয় আৰু সেই মূৰ্তিক পূজা-অৰ্চনা কৰা হয়। উৎসৱ উপলক্ষে নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াক ৱল্লমকালি (vallamkali) বুলি জনা যায়। ওনাম উৎসৱৰ ই এক গুৰুত্বপূৰ্ণ অংগ। পুলিকালী নৃত্য, তিৰুভাথিৰাকালী নৃত্য আদি বিভিন্ন প্ৰকাৰৰ নৃত্যানুষ্ঠানো এই উৎসৱৰ লগত জড়িত। তদুপৰি নানা ধৰণৰ আ-অলংকাৰেৰে সজ্জিত হাতীক লৈ কৰা শোভাযাত্ৰা এই উৎসৱৰ আকৰ্ষণৰ কেন্দ্ৰ। ওনাম উপলক্ষে মালায়ালী মানুহবোৰে অ'নাক্ক'ডি (onakkodi) অৰ্থাৎ নতুন কাপোৰ লয় আৰু ইজনে সিজনক উপহাৰ প্ৰদান কৰে।

ওনাম উৎসৱ আৰু আমাৰ অসমত পালন কৰা মাঘ বিহুৰ কিছু মিল আছে। যদিও উদ্‌যাপনৰ ধৰণ, সময় আদি দুয়োটা উৎসৱৰে সুকীয়া, তথাপি কৃষিভিত্তিক উৎসৱ হিচাপে দুয়োটা উৎসৱ শস্য চপোৱাৰ সময়ত পালন কৰা হয়। খাদ্যই দুয়োটা উৎসৱত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দুয়োটা উৎসৱতে ধৰ্মীয় প্ৰভাৱ লক্ষ্য কৰা যায়। এই উৎসৱ মূলতঃ হিন্দু ধৰ্মৰ মানুহে পালন কৰে। অৱশ্যে উৎসৱৰ লগত জড়িত অন্যান্য আনন্দমূলক অনুষ্ঠানত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৱে আনন্দেৰে অংশগ্ৰহণ কৰে।❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, আগষ্ট, ২০২৫

পল ভৰালী (সপ্তম গ), দেৱাংগনা বৰঠাকুৰ (ষষ্ঠ ক), বৈশালী শৰ্মা (ষষ্ঠ খ), কুনাল কিশোৰ শৰ্মা (সপ্তম ঘ) ❖

## শিক্ষাৰ্থীয়ে অঁকা ছবি



সৃষ্টিমা জে বৰা, চতুৰ্থ ঘ



হৃদিস্তুতি গোস্বামী, চতুৰ্থ ঘ



মানবজ্যোতি ডেকা, চতুৰ্থ খ



ৰিয়াশ্ৰী ডেকা, চতুৰ্থ ক



দশপৰ্ণ চে মহন্ত, চতুৰ্থ ঘ



জ্যোতিৰাজ কলিতা, দশম গ

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক চৰাই



অন্ধ্ৰপ্ৰদেশ: ভাটৌ (Rose-ringed parakeet)



বিহাৰ: ঘৰচিৰিকা (House sparrow)



ছত্তীশগড়: মইনা (Hill Maina)



গোৱা: বুলবুলি (Flame throated bulbul)



গুজৰাট: ফ্লেমিংগো (Greater flamingo)



হাৰিয়ানা : হয়কলি (Black francolin)